www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

স্বধৰ্মৰ বাহিৰে আনৰ ধৰ্মক বেয়া বুলি ভবা বেয়া। নানা বাটেদি গৈয়ো ঈশ্বৰৰ ওচৰত প্ৰবেশ কৰিব পাৰি। – ৰামকৃষ্ণ পৰমহংস

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

প্রথম বছৰ ❑ সংখ্যা- ২৭০ ❑ দেওবাৰ ❑ ০৯ আগষ্ট, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 270 ❑ Sunday ❑ 09th August, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

■ চীনৰ দাবীক প্ৰত্যাহ্বান জনাই ভাৰতৰ বৃহৎ ঘোষণা; গুৰুত্বপূৰ্ণ ভৌগোলিক পদক্ষেপ গ্ৰহণ ■

ভাৰতৰ চৰকাৰী মানচিত্ৰত অৰুণাচলৰ ২৭টা স্থান

আমেৰিকাকে ধৰি কেইবাখনো ৰাষ্ট্ৰই বিদেশী ধনৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰে

নতুন দিল্লীত সাংবাদিকৰ সৈতে বার্তালাপ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৮ আগষ্ট ঃ ভাৰতে প্ৰস্তাৱিত বিদেশী অৱদান (নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক সম্পৰ্কত আমেৰিকাৰ এগৰাকী সাংসদে উত্থাপন কৰা আপত্তি নাকচ কৰি কয় যে ভাৰতৰ সংসদীয় বিষয় হৈছে এটা অভ্যন্তৰীণ বিষয়, য'ত দুখন সংসদে সিদ্ধান্ত গ্ৰহণ কৰে। এই সম্পৰ্কত এটা প্ৰশ্নৰ উত্তৰ দি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ ❑ ৬ পৃষ্ঠাত

হাই এলার্ট জাৰি ঃ পুনৰ সংহাৰী ৰূপ ল'ব পাৰে বানে

আগন্তুক ২-৩ দিনলৈ প্ৰচণ্ড ৰৱসুণৰ সম্ভাৱনা

নিউজ ডেস্ক, অসম বার্তা, ৮ আগষ্ট ঃ ৰাজ্যত আকৌ সংহাৰী ৰূপ ল'ব পাৰে বানে। বিগত কেবাদিন ধৰি উজনি অসমৰ বিভিন্ন জিলাত বানে ধ্বংসলীলা চলাই থকাৰ মাজতে ভাৰতীয় বতৰ বিজ্ঞান ❑ ৬ পৃষ্ঠাত

যোগ্য হিতাধিকাৰী নিশ্চিত কৰিবলৈ সমবায় সমিতি আৰু বিভাগীয় বিষয়াসকলক নির্দেশ

ডিব্ৰুগড়ত গুদাম ঘৰ পৰিদৰ্শন কৰি অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী মজুতৰ বুজ ল'লে মন্ত্ৰী কৌশিক ৰায়ে

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি ডিব্ৰুগড় জিলাৰ খেৰেমিয়া গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ গুদাম ঘৰ পৰিদৰ্শন কৰি অত্যাবশ্যকীয় খাদ্য সামগ্ৰী মজুতৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে অন্নসেৱা দিনৰ সমাপ্তিলগতে অহা ১০ আগষ্টৰ পৰা বিতৰণ কৰিবলগীয়া ৰাজ সাহায্যযুক্ত দহিল আৰু চেনিৰ পৰ্যাপ্ত মজুত নিশ্চিত কৰে। তেওঁ লগতে নির্ধাৰিত সময়ত যাতে যোগ্য হিতাধিকাৰীয়ে এই সামগ্ৰীসমূহ লাভ কৰে, সেয়া নিশ্চিত কৰিবলৈ সমবায় সমিতি আৰু বিভাগীয় বিষয়াসকলক নির্দেশ দিয়ে। শ্ৰীৰায়ে ইয়াৰ পূৰ্বে টেঙাখাটত ❑ ৬ পৃষ্ঠাত

থাগ লা, লংজু, জৈৰামপুৰকে ধৰি কৌশলগত অঞ্চলসমূহৰ মানক নাম চিহ্নিত

নিউজ ডেস্ক, অসম বার্তা, ৮ আগষ্ট ঃ অৰুণাচল প্ৰদেশক লৈ চীনৰ দাবী আৰু নাম সলনি প্ৰচেষ্টাৰ মাজতে ভাৰতে এক গুৰুত্বপূৰ্ণ ভৌগোলিক পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰী ভাৰতীয় মানচিত্ৰত অৰুণাচল প্ৰদেশৰ ২৭টা অতি গুৰুত্বপূৰ্ণ স্থান আৰু ভৌগোলিক বৈশিষ্ট্যৰ নাম আনুষ্ঠানিকভাবে অন্তৰ্ভুক্ত কৰা ভাৰতে নিজৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাৰ প্ৰতি পুনৰবাৰ দৃঢ়তা প্ৰকাশ কৰে। ভাৰতীয় ছাৰ্ভে বিভাগে প্ৰস্তুত কৰা এই নতুন মানচিত্ৰত লংজু, জৈৰামপুৰ, থাগ লা, ৰিজা লা, ডংজো লা, পুৰৰ লা আদি কৌশলগতভাবে অত্যন্ত গুৰুত্বপূৰ্ণ অঞ্চলৰ লগতে কেইবাখনো গাঁও, পাহু (পাস) আৰু ঐতিহাসিক স্মাৰকৰ স্থান দিয়া হৈছে। এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে উত্তৰ-পূৰ সীমান্তবর্তী এই অঞ্চলসমূহৰ চৰকাৰী পৰিচয় স্পষ্টীকৰণ আৰু বাইজৰ মাজত সঠিক ভৌগোলিক সজাগতা বৃদ্ধি কৰা। অন্তর্ভুক্ত ২৭টা স্থানৰ ভিতৰত লংজু আটাইতকৈ আলোচিত, কিয়নো ই প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (এলএচি)ৰ অতি ওচৰত অৱস্থিত আৰু ১৯৫৯ চনত ভাৰত-চীনৰ মাজত সংঘটিত প্ৰাৰম্ভিক সীমান্ত সংঘাতৰ অন্যতম স্থলী হিচাপে লংজুৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। ইফালে, থাগ লাও অত্যন্ত গুৰুত্বপূৰ্ণ, কাৰণ ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ নির্দেশত মৈৰাবাৰী-ভূৰাগাঁও পথ অসম মালা ৩.০ৰ অন্তর্ভুক্ত

বিধায়কৰ স্মাৰক পত্ৰৰ প্ৰতি সঁহাৰি; গড়কাপ্তানি বিভাগৰ মুখ্য অভিযন্তাক পদক্ষেপ ল'বলৈ নির্দেশ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ লাহৰিঘাট বিধানসভা কেন্দ্ৰৰ অন্তর্গত মৈৰাবাৰী থানাৰ ওচৰৰ পে'ট্ৰল পাম্পৰ পৰা ভূৰাগাঁও তিনি আলিলৈকে থকা অতি জৰাজীর্ণ আৰু ❑ ৬ পৃষ্ঠাত

হিমাচল প্ৰদেশত ভয়ংকৰ পথ দুর্ঘটনা ঃ নিহত ৭জন, আহত ১১জন লোক

অনলাইন ডেস্ক, অসম বার্তা, ৮ আগষ্ট: হিমাচল প্ৰদেশৰ শনিবাৰে পুৱা সংঘটিত হয় এক ভয়ংকৰ বাছ দুর্ঘটনা। চাম্বা জিলাৰ তীছা-বৈৰাগড় পথৰ চালুজ মোড়ৰ সমীপত পর্যটকক এখন বাছ দুর্ঘটনাগ্ৰস্ত হোৱাত সাতজন লোকৰ থিতাতে মৃত্যু হয়। আনহাতে, এই দুর্ঘটনাত ১৩জন ❑ ৬ পৃষ্ঠাত

বান পৰিস্থিতিত কেন্দ্ৰৰ 'আত্মীয়তাৰ অভাৱ' ঃ উৎপল শর্মা

অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰাৰ দাবী

সংবিধান দিৱসত লতাশিল খেলপথাৰত ৬০গছি বস্তি প্ৰজ্বলন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৮ আগষ্ট ঃ সদৌ অসম ছাত্ৰ সম্থা (আছু)ৰ সভাপতি উৎপাল শর্মাই শনিবাৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাক উভতি ধৰি বান পৰিস্থিতিত কেন্দ্ৰৰ 'আত্মীয়তাৰ অভাৱ' বুলি তীব্ৰ সমালোচনা কৰে। অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবী উত্থাপন কৰি তেওঁ মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যসমূহৰ প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আছুৰ সংবিধান ৬০ বছৰ পূৰ্ণ উপলক্ষে লতাশিল খেলপথাৰত আয়োজিত এক বিশেষ কার্যসূচীত ❑ ৬ পৃষ্ঠাত

এছ আৰডি শিক্ষকৰ দৰমহা সংকট ঃ হেড পৰিৱর্তনৰ অভিযোগত শিক্ষামন্ত্ৰীৰ বিৰুদ্ধে ক্ষোভ

১২ আগষ্টৰ পৰা অনির্দিষ্ট ধর্মঘট; শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবী

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ শিক্ষা বিভাগৰ সিদ্ধান্তক লৈ অসম বাজ্যিক প্ৰাথমিক শিক্ষক সম্মিলনীৰ তীব্ৰ ক্ষোভ আৰু বিৰোধিতা প্ৰকাশ কৰিছে। শিক্ষামন্ত্ৰী ডঃ ৰণোজ পেগুৰে SRD (বিশেষ নিযুক্তি অভিযান) শিক্ষকসকলৰ বিষয়ে মিছা কথা কোৱাৰ অভিযোগ উত্থাপন কৰি সম্মিলনীটোৰে শিক্ষামন্ত্ৰীগৰাকীয়ে শিক্ষক সমাজৰ ওচৰত ক্ষমা ❑ ৬ পৃষ্ঠাত

২০২৫-২৬ বর্ষত সুৰাৰ পৰা ৪০৫৪ কোটি টকা ৰাজহ সংগ্ৰহ

পাঁচ বছৰত ১৮২০খন নতুন সুৰা বিপনীলৈ অনুজ্ঞাপত্ৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ অসম চৰকাৰৰ ৰাজকোষলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ ৰাজহৰ উৎসসমূহৰ ভিতৰত আবকাৰী বিভাগ অন্যতম। এই বিভাগৰ দ্বাৰা সংগৃহীত ৰাজহৰ পৰিমাণ বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে নতুনকৈ এখন কঠোৰ এছমা'পি (অপাৰেটিং প্ৰক্ৰিয়া পদ্ধতি) জাৰি কৰিছে, যাৰ জৰিয়তে সুৰা বিক্ৰীৰ ক্ষেত্ৰত নির্দিষ্ট ❑ ৬ পৃষ্ঠাত

মঙলদৈৰ বান শিবিৰত বন্যার্তৰ খাদ্য পৰীক্ষা মুখ্যমন্ত্ৰীৰ

ছিগা মথাউৰি পৰিদর্শন, পুষ্টিকৰ আৰু পৰিষ্কাৰ খাদ্য যোগানৰ নির্দেশ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ উজনি অসমৰ চাৰিখন জিলাৰ বান পৰিস্থিতি পর্যালোচনা কৰি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই শনিবাৰে পোনপটীয়াভাৱে দৰং জিলাৰ বানপীড়িত অঞ্চলসমূহ পৰিদর্শন কৰে। নোৱা নৈৰ বান্ধনী পানীয়ে ফলত ছিগা মথাউৰিৰ অংশবিশেষ আৰু বানত ক্ষতিগ্ৰস্ত ❑ ৬ পৃষ্ঠাত

দিল্লীৰ ছাকেট আদালতত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাৰ বিৰুদ্ধে গোচৰৰ শুনানি; পৰৱর্তী শুনানি ৩ অক্টোবৰত

বিতর্কিত 'মিঞা মুছলমান' মন্তব্যৰ বাবে সমাজকর্মী হর্ষ মন্দৰে ৰজু কৰিছিল এজাহাৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই বিগত অসম বিধানসভা নির্বাচনৰ পূর্বে নির্বাচনী প্ৰচাৰৰ সময়ত এক বিতর্কিত মন্তব্য কৰাৰ পৰিপ্ৰেক্ষিতত দিছপুৰ থানাত এখন এজাহাৰ দাখিল কৰা হৈছিল, আৰু সেই গোচৰৰ শুনানি শনিবাৰে নতুন ❑ ৬ পৃষ্ঠাত

কাজিৰঙাত গড় সুৰক্ষা বাহিনীক সন্মান চোৰাং চিকাৰ ৰোধত অক্লান্ত পৰিশ্ৰমৰ স্বীকৃতি

বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত বিশেষ অনুষ্ঠান

২০১৯ চনত ৮২ জনীয়া বাহিনী গঠন কৰি চোৰাং চিকাৰ ৰোধত সফলতা

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ শনিবাৰে অর্থাৎ ৮ আগষ্টত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গড়ুল চোৰাং চিকাৰৰ বিৰুদ্ধে চলোৱা অভিযান অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে নিয়োজিত ❑ ৬ পৃষ্ঠাত

কে পি গ্ৰাডিণ্ডত ছাত্ৰ-ছাত্ৰীৰ সৈতে মতবিনিময়; মোডী চৰকাৰক শিক্ষাবিৰোধী আখ্যা

প্ৰয়াগৰাজত ৰাহুল গান্ধীৰ 'ছাত্ৰ কী গুঞ্জ'

নেশ্যনেল ডেস্ক, অসম বার্তা, ৮ আগষ্ট ঃ শনিবাৰে প্ৰয়াগৰাজ নগৰী উপস্থিত হ'ল কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী। শিক্ষা, সংস্থাপন আৰু যুব সমাজৰ বিবিধ সমস্যাক লৈ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময়ৰ বাবে আয়োজিত 'ছাত্ৰ কী গুঞ্জ' (ছাত্ৰৰ গুঞ্জন) কার্যসূচীত অংশগ্ৰহণ কৰিবলৈ তেওঁ প্ৰয়াগৰাজত উপস্থিত হয়। নিনুৱা সমস্যা, প্ৰশ্নকাকত ফাদিল হোৱা আৰু নিযুক্তি প্ৰক্ৰিয়া লেহেমীয়া হোৱা আদি বিষয়সমূহ উত্থাপন কৰি কংগ্ৰেছে চলাই অহা ৰাষ্ট্ৰীয় অভিযানৰ অংশ হিচাপে এই কার্যসূচীৰ আয়োজন কৰা হৈছে। কে পি গ্ৰাডণ্ডত অনুষ্ঠিত হ'বলগা এই সভাস্থলীৰ ❑ ৬ পৃষ্ঠাত

AIUDF দললৈ আর্থিক ৰৰঙনিৰ পৰিমাণ উল্লেখযোগ্য হাৰত বৃদ্ধি

নির্বাচন আয়োগৰ তথ্য; ২০২৫-২৬ বিত্তীয় বর্ষত ১, ৪২, ৭৫, ০০১ টকা অনুদান

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৮ আগষ্ট ঃ নির্বাচনৰ সময় হওক বা সাধাৰণ দিন, ৰাজনৈতিক দলসমূহে নিজৰ শুভাকাংক্ষী আৰু সমর্থকসকলৰ পৰা আর্থিক অনুদান গ্ৰহণ কৰি আহিছে। সাধাৰণতে এই অনুদানৰ উৎস আৰু পৰিমাণ ৰাজনৈতিক দলসমূহে গোপনে ৰাখিবলে চেষ্টা কৰে, যাৰ বাবে কোনে কিমান টকা দান কৰিলে সেই বিষয়টো সহজে জনা নাযায়। কিন্তু শেহতীয়াকৈ নির্বাচন ❑ ৬ পৃষ্ঠাত

আইআইটি দিল্লীৰ ৫৭তম সমাৱর্তন অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি প্ৰধানমন্ত্ৰীৰ প্ৰেৰণাদায়ী ভাষণ

নতুন প্ৰত্যাহ্বানৰ মাজতেই লুকাই থাকে নতুন সম্ভাৱনা ঃ প্ৰধানমন্ত্ৰী মোদী

নেশ্যনেল ডেস্ক, অসম বার্তা, ৮ আগষ্ট ঃ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান (আইআইটি) দিল্লীৰ ৫৭ সংখ্যক সমাৱর্তন অনুষ্ঠান আজি অত্যন্ত জাকজমকপূর্ণ ভাৱে অনুষ্ঠিত হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিক্ষার্থীসকলৰ সৈতে নিজৰ অভিজ্ঞতা আৰু দৃষ্টিভংগী ভাগ-বতৰা কৰি এক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। প্ৰধানমন্ত্ৰীয়ে ভাষণৰ আৰম্ভণিতে কয়, "বিশ্ব আজি অভূতপূর্ব গতিত সলনি হৈ আছে। বিজ্ঞান, প্ৰযুক্তি, উদ্যোগ আৰু বৃত্তিপ্ৰতিটো ক্ষেত্ৰতে পৰিবর্তন সংঘটিত হৈছে। এনে পৰিস্থিতিত যিসকলে নিজকে সময়ৰ লগত খাপ খুওৱাৰ মানসিকতা ৰাখে আৰু আজীবন শিক্ষাৰ অভ্যাস বজাই ৰাখে, তেওঁলোকেহে ❑ ৬ পৃষ্ঠাত



অভিলেখ! খাৰুৱা তেল উৎপাদনত ১১% বৃদ্ধিৰে সর্বকালৰ সর্বোচ্চ কৰ-পশ্চাদ লাভ অইলৰ

অইল ইণ্ডিয়া লিমিটেডৰ চলিত বিত্তীয় বর্ষৰ প্ৰথম ত্ৰৈমাসিকৰ বিত্তীয় প্ৰতিবেদন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৮ আগষ্ট: ভাৰত চৰকাৰৰ এক মহাৰত্ন কেন্দ্ৰীয় ৰাজহ্বা খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে শুক্ৰবাৰে অনুষ্ঠিত সঞ্চালক পৰিষদৰ ৫৮৩ সংখ্যক বৈঠকৰ অন্তত ২০২৬-২৭ বিত্তীয় বর্ষৰ প্ৰথম ত্ৰৈমাসিকৰ বিত্তীয় প্ৰতিবেদন প্ৰকাশ কৰিছে। এই সম্পৰ্কত অইল ইণ্ডিয়া লিমিটেডৰ নয়াডাস্থিত জনসম্পর্ক বিভাগে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতি ❑ ৬ পৃষ্ঠাত

ঝাৰখণ্ডৰ ছাত্ৰ আন্দোলনৰ ১৫ দিন চৰকাৰৰ দ্রুত সমাধানৰ আশ্বাস

চতুর্দশ JPSC পৰীক্ষাত অনিয়মৰ বিৰুদ্ধে শিক্ষার্থীসকলৰ প্ৰতিবাদ; দ্বিতীয়খন বৈঠকো বিফল

নেশ্যনেল ডেস্ক, অসম বার্তা, ৮ আগষ্ট ঃ ঝাৰখণ্ড লোকসেৱা আয়োগ (JPSC) আৰু ৰাজ্যিক লোকসেৱা আয়োগ (JSSC)ৰ পৰীক্ষাত সংঘটিত অনিয়মৰ বিৰুদ্ধে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীয়ে সাব্যস্ত কৰা প্ৰতিবাদ আজি ১৫ দিনত ভৰি দিছে। ৰাজধানী ৰাঁচীৰ জয়পাল সিং মুণ্ডা ষ্টেডিয়ামত একাধিক শিক্ষার্থীয়ে অনশন কার্যসূচী পালন কৰি আছিহে। শনিবাৰে ঝাৰখণ্ড চৰকাৰ ❑ ৬ পৃষ্ঠাত

তদন্তৰ দাবীত জাতীয়তাবাদী যুৱ পৰিষদৰ জিলা আয়ুক্তক স্মাৰকপত্ৰ

ধেমাজি জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত শিক্ষক-কৰ্মচাৰীক হাৰাশাস্তি

অসম বাৰ্তা, ধেমাজি, ৮ আগষ্ট ঃ ধেমাজি জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত শিক্ষক-কৰ্মচাৰীসকলে হাৰাশাস্তিৰ সম্মুখীন হোৱা, বিষয়া-কৰ্মচাৰীয়ে কমিছনৰ অংকত ব্যস্ত থকাৰ দৰে অগুৰুত্বাত্মা সদৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ পৰিষদে।৬আগষ্টত এই সদৰ্ভত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সভাপতি উজ্জ্বল কুমাৰ চুতীয়াই ধেমাজি জিলা আয়ুক্তলৈ এই সদৰ্ভত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত অভিযোগ তোলে যে চকাবে দুৰ্নীতিমুক্ত অসমৰ কথা কোৱাৰ সময়তে ধেমাজি জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত বিগবীত ছবি দেখিবলৈ পোৱা গৈছে। ধেমাজি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত শিক্ষক-কৰ্মচাৰীসকলে হাৰাশাস্তিৰ সম্মুখীন হোৱাৰ লগতে শিক্ষক-কৰ্মচাৰীসকলৰ প্ৰাপ্য পেন্সনৰ কাম, চি চি এল আৰু ই এল ইত্যাদি কামত পৰিদৰ্শকৰ কাৰ্যালয়ত কৰ্মচাৰীসকলে আবেদন দিয়াৰ পিচত বিভিন্ন অজুহাত দেখুৱাই শিক্ষকসকলক হাৰশাস্তি কৰে আৰু বহু শিক্ষয়িত্ৰীৰ পৰা চি চি এল আদি দিয়াৰ নামত ৩ হেজাৰ টকাৰ পৰা ৬ হেজাৰ টকালৈকে উৎকোচ বিচাৰে। শিক্ষক-কৰ্মচাৰীৰ কাম ধন দিলেহে কৰি দিয়ে বুলি অভিযোগপত্ৰত উল্লেখ কৰে। একে কথা পেন্সনৰ কাম-কাজৰ ক্ষেত্ৰতো হৈ আছে। কিন্তু এই কথাবোৰ পৰিদৰ্শকৰ বোষত পৰাৰ ভয়ত মুকলিকৈ কোনো ভুক্তভোগী কৰ্মচাৰী বা শিক্ষকে ক'ব নোৱাৰে বুলি উল্লেখ কৰি স্মাৰক পত্ৰত কোৱা হয়। শিক্ষক-কৰ্মচাৰীসকলে বিভিন্ন সমস্যাৰ সমাধান কৰিবলৈ দাবী জনায়।

তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ত ক্লিক্সি এপৰ শুভাৰম্ভ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৮ আগষ্ট ঃ তিনিচুকীয়াৰ আগশাৰীৰ শিক্ষানুষ্ঠান তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ত অসমৰ ভিতৰত প্ৰথমবাৰৰ বাবে তিনিজন ছাত্ৰৰ প্ৰচেষ্টাত তৈয়াৰ কৰি উলিওৱা "ক্লিক্সি এপ"নামৰ এটা ডিজিটেল এপ শুকুৰবাৰে শুভাৰম্ভ কৰে তিনিচুকীয়া সমষ্টিৰ বিধায়ক পুলক গোহাঁয়ে। মোবাইল অথবা কম্পিউটাৰত এই এপটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লাগতিয়াল কিতাপ কিনা-বেচা কৰিব পাৰিব। কিতাপৰ মূল্যও বজাৰৰ মূলাতকৈ কম হ'ব বুলি শিক্ষানুষ্ঠান কৰ্তৃপক্ষই জানিবলৈ দিছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ চৈতন্য বৰাৰ তত্বাবধানত, অনিমেষ শৰ্মাৰ উপদেশ তথা সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰত্ৰয় ক্ৰমে আনন্দ প্ৰসাদ গুপ্তা, অনিকেট শাহ, দ্বীপ ঘোষে এই এপটোৰ কাম সম্পূৰ্ণ কৰি ইয়াক সেৱাৰ বাবে আগবঢ়াই দিছে। এই এপটোৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ট্ৰেড ইউনিয়ন নেতা, লেখক স্থানীয় জয়ানগৰৰ বাসিন্দা বৈকুণ্ঠ নাথ শৰ্মাই ১৯৮৫ চনৰপৰা সংগ্ৰহ কৰি থোৱা অসমৰ আগশাৰীৰ পথেকীয়া আলোচনী "প্ৰান্তিক"ৰ ৪০০টা খণ্ড তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয় পুথিভঁৰাললৈ দান দিয়ে। অনুষ্ঠানত মহাবিদ্যালয় খনৰ উপাধ্যক্ষ বঞ্জন কলিতাই লগতে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত আছিল।

নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

প্ৰতিষ্ঠাপকৰ স্মৃতিত বন্তি প্ৰজ্বলন; ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ

অসম বাৰ্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ নামনি মাজুলীৰ অগ্ৰণী শিক্ষানুষ্ঠান নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। ১৯৮৮ চনৰ ৮ আগষ্টত নামনি মাজুলী মহবিচুকত প্ৰতিষ্ঠিত নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়খন পৰৱৰ্তী সময়ত নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় হিচাপে অভিহিত কৰা হয়। প্ৰতিষ্ঠা কালৰে পৰা স্বকীয়তাৰে জিলিকি থকা বিদ্যালয়খনত আজি উলহ-মালহেৰে প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়।আজি বিদ্যালয়খনৰ উক্ত প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা পৰিবেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ভবত গোস্বামীয়ে। প্ৰতিষ্ঠা দিৱস উপলক্ষে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত শইকীয়াই। পতাকা উত্তোলন স্থলীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে জোনাকী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ বিপুল কুমাৰ বৰুৱাই। বিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকলৰ স্মৃতিত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত যোগেশ্বৰ দলৰ সহধৰ্মিনী বেণু দলে, অবসৰপ্ৰাপ্ত অধ্যক্ষ কুশল হাজৰিকা আৰু বিদ্যালয়ৰ পৰিচালনা সমিতিৰ উপ-সভাপতি খগেন হাজৰিকাই। উক্ত প্ৰতিষ্ঠা দিৱস উপলক্ষে দু পৰীয়া এঘাৰ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ সভাপতি খগেন হাজৰিকাই। বিদ্যালয়ৰ শিক্ষা তত্ব বিভাগৰ বিষয় শিক্ষক অজিত ভূএগাই আঁত ধৰা উক্ত মুকলি সভাখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দাসৰ কণ্ঠত গীতৰে সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে বিয়লি এক সাংস্কৃতিক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত সাংস্কৃতিক অনুষ্ঠান সঞ্চালনা কৰে বিদ্যালয়ৰ তৰ্ক শাস্ত্ৰ বিভাগৰ জ্যেষ্ঠ শিক্ষক নিৰন ডঁ বালীয়ে। অনুষ্ঠানত অনাৰ্তাৰ শিল্পী গোপাল দাসৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰি সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই অজিত ভূএগাই। বৰ্ত মানৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ ভবিষ্যত অৰ্পণ কৰি তত্বগধুৰ ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাপে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বিতু মণি গাগাৱু, প্ৰাক্তন সভাপতি ভৰেশ মিছং, অবসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লীলাৰাম মিছং, বিদ্যালয়ৰ অবসৰপ্ৰাপ্ত বিষয় শিক্ষক অৰুণ বৰা, নলীন হাজৰিকা, বিশিষ্ট সমাজকৰ্মী ভীম দাস, কিৰণ দলে, পূৰ্ণকান্ত দলে, সুনীল পেগু, মাজুলী জিলা ছাত্ৰ সম্থাৰ উপ-সভাপতি পীতাম্বৰ দাস, বিশিষ্ট অনাৰ্তাৰ শিল্পী গোপাল দাস, সাংবাদিক যদু কলিতাই অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিবসৰ শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। উক্ত, মুকলি সভাত সাগৰিকা দাসৰ কণ্ঠত গীতৰে সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। প্ৰতিষ্ঠা দিবস উপলক্ষে বিয়লি এক সাংস্কৃতিক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত সাংস্কৃতিক অনুষ্ঠান সঞ্চালনা কৰে বিদ্যালয়ৰ তৰ্ক শাস্ত্ৰ বিভাগৰ জ্যেষ্ঠ শিক্ষক নিৰন ডঁ বালীয়ে। অনুষ্ঠানত অনাৰ্তাৰ শিল্পী গোপাল দাসৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰি সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই অজিত ভূএগাই।

খিলঞ্জীয়া ৰাইজে ভুল কৰিলে ভবিষ্যত বংশধৰ সকলৰ অৱস্থা পানীত হাঁহ নচৰা হ'ব ঃ অসম সন্মিলিত মহাসংঘ

শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্ত খিলঞ্জীয়া ৰাইজে ক্ষতিপূৰণ লাভত অগ্ৰাধিকাৰ পাবই লাগিব

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৮ আগষ্ট ঃ বাজাৰ শেহতীয়া বানপানীৰ মহাপ্লবয় সময়টো এটা কথা আগতীয়াকৈ সোঁৱৰাই দিছে অসমৰ জাতি সংঘ 'অসম সন্মিলিত মহাসংঘ'ই। এচাম মানুহৰ ব্যক্তিগত লালসাৰ বাবেই উজনি অসমৰ প্ৰলয়কোৰী বানে মানুহ আৰু জীৱজন্তুৰ অপূৰণীয় ক্ষতি কৰিলে। বিশেষভাবে খিলঞ্জীয়া জনগোষ্ঠীসমূহক জাতিৰ ভবিষ্যতৰ স্বাৰ্থত অতিশয় সজাগ আৰু সতৰ্কতাৰে আগবাঢ়ি যাবলৈ সবিনয়ে অনুবোধ জনাইছে মহাসংঘই। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত মহাসংঘৰ সভাপতি শান্তনু দাস বৰহাজোৱাল, কাৰ্যকৰী সভাপতি মতিউৰ ৰহমান আৰু মহা সচিব ভূপেন নৰহে এই কথা কয়। অসমৰ আটাইতকৈ গৌৰবোজ্জ্বল শিৱসাগৰ আৰু চৰাইদেউ টাই আহোম ৰজাসকলৰ ৰংপুৰ, গড়গাঁও, পাটসাঁকো, নঙলামৰা আদি ৰাজধানীবে আবৰা ঠাইত বানপানী হৈছে। ইতিহাসত এই ঠাইবোৰত বানপানী হোৱাৰ কোনো তথ্য পাবলৈ নাই। এই জিলা দুখনৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহ হ'ল- টাই আহোম, চুতীয়া, কছাৰী, কোচ, মেছ কছাৰী, গৰীয়া, মৰিয়া, মিচিং, টাইফাকে, টাই খাময়াং, টাই তুৰুং, মটক, মৰাণ আৰু অসমীয়া ব্ৰাহ্মণ, কায়স্থ, কলিতা ইত্যাদি। এই অঞ্চলত বসবাস কৰা আন সম্প্ৰদায়বোৰক বুটিছে আনি থৈ গৈছে আৰু এচাম লোক ১৯৪৭ চনৰ পিছত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা সৰু-বৰ বাৰসায় আৰু চাকৰি সূত্ৰে আহি বসবাস কৰি আছে। এতিয়া বান বিধ্বস্ত লোকৰ ক্ষেত্ৰত প্ৰথম অগ্ৰাধিকাৰ পাব লাগিব উল্লিখিত খিলঞ্জীয়া জনগোষ্ঠী সমূহে আৰু লগতে পৰ্যায়ক্ৰমে ১৯৫৭ৰ লোক পিয়ল আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাত নাম থকা ভাৰতীয় নাগৰিক সকলেহে। খিলঞ্জীয়া জনগোষ্ঠীসমূহক গুৰুত্ব নিদি অ-খিলঞ্জীয়া তথা বহিৰাগত লোকক অগ্ৰাধিকাৰ দিয়া উচিত নহয় বুলি মতিউৰ বহমানে চৰকাৰক সতৰ্ক কৰি দিয়ে। নাজিবা সমষ্টিৰ বিধায়ক অঞ্চলৰ গড়মুৰ মিৰি গাঁও এখন ঐতিহাসিক গাঁও, বৰ্তমান হ'লগৈ নেপালী খুটি। সংবাদ মাধ্যমেই এই মহাভুল কৰি আছে। ইতিহাস মছি পেলাবলৈ চেষ্টা কৰাটোও গুৰুতৰ অপৰাধ। এইয়া শীঘ্ৰে বন্ধ কৰা উচিত। সংবাদ মাধ্যমৰ ভুল প্ৰচাৰৰ বাবেই অসমৰ বিভিন্ন ঠাইৰ পৰা বান সাহায্য দিবলৈ অহা লোক আৰু সংগঠনে নেপালী খুটি বুলি অভিহিত কৰা এই ঠাই লে ব্যাপক ভাবে সাহায্য দিবলৈ গৈছে। আনহাতে হাজাৰ হাজাৰ বছৰীয়া খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ গাঁওৰ ভিতৰুৱা অঞ্চলৰ ৰাইজে এতিয়াও উপযুক্ত সাহায্য পোৱা নাই বুলি অভিযোগ উত্থাপিত হৈছে। বান বিধ্বস্ত সকলো ৰাইজেই মানুহ হিচাপে সমানুপাতিক ভাবে সাহায্য লাভ কৰা উচিত। ইয়াত তিলমানো বৈষম্য হোৱা অনুচিত, কিন্তু হৈছে। বান বিধ্বস্ত ৰাইজৰ মাজত সাহায্য বিতৰণ কৰাৰ ক্ষেত্ৰত প্ৰশাসনো সম্পূৰ্ণ বিফল হৈছে। প্ৰশাসনে ১৯ জুলাইত বান আৰম্ভ হোৱাৰ লগে লগেই ২০ জুলাইৰ পৰাই বান সাহায্য বিতৰণ কৰিবলৈ অহা ব্যক্তি আৰু সংগঠন সমূহক পথ নিৰ্দেশনা দিব পাৰিব লাগিছিল। কিন্তু সেয়া কৰা নহ'ল! অৰ্থাৎ প্ৰশাসন বিফল বুলি মহাসংঘই অভিযোগ উত্থাপন কৰিছে। বান পৰিস্থিতি কিছু উন্নত হ'লেই খিলঞ্জীয়া জনগোষ্ঠীসমূহে নিজৰ হাজাৰ বছৰীয়া ঐতিহ্য-পৰম্পৰা, ৰীতি-নীতি সুৰক্ষাৰ বাবে তথা ভবিষ্যত বংশধৰ সকলৰ সুৰক্ষাৰ স্বাৰ্থত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সাজু থকা উচিত বুলি মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে অতি কঠোৰ ভাবে কয়। এচাম অসৎ ব্যৱসায়ীয়ে বাজনৈতিক নেতা, প্ৰশাসনিক বিষয়া আৰু পুলিচ বিষয়াৰ সহযোগত দীৰ্ঘকাল ধৰি অবৈধ ভাবে দিখৌ নদীৰ বুকুত শিল, বালি খনন কৰা আৰু নদীৰ কাষত সংলগ্ন পাহাৰত শিল আৰু কয়লা খনন কাৰ্য চলাই কোটি কোটি টকা আহৰণ কৰি অঞ্চলটোক মাতি অনা মহা প্ৰলয়ৰ বাবে প্ৰধান দায়ী। কোনো জাতীয় দল-সংগঠনে এই অসৎ কাৰ্য বন্ধ নকৰে, কাৰণ তেওঁলোকেও বৃহৎ দুখন চাদা দৈ আছিল এই সকলৰ পৰা। সেয়ে সাধাৰণ খিলঞ্জীয়া জনগোষ্ঠী ৰাইজেই বিষ্ণু ৰাভাৰ ভাষাত - দা-টাঙোন লৈ এই প্ৰকৃতি ধ্বংস কৰা, জৈৱবৈচিত্ৰ্য ধ্বংস কৰা, পৰিবেশ আক্ৰান্ত জলবায়ু বিপৰ্যস্ত কৰা মানুহ আৰু জীৱজন্তুগতৰ শত্ৰু সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। নহ'লে এই অঞ্চলটো ভবিষ্যতে মৰুভূমিত পৰিণত হ'ব আৰু জীৱ জগতৰ বসবাস বাবে অনুপযোগী হ'ব বুলিও বহমানে দৃঢ়তাৰে কয়। আজি ২০ দিন পিছটো বান বিধ্বস্ত অঞ্চলৰ ৰাইজৰ ঘৰ-বাৰী আৰু নানা সামগ্ৰীৰ ক্ষয়-ক্ষতিৰ কোনো ছাৰ্ভে কৰি প্ৰতিবেদন প্ৰস্তুত কৰা নাইপ্ৰশাসনে। আনকি বোকা আৰু লেতেৰা নালিয়ে নালিয়ে কদৰ্যময় কৰি তোলা অৱস্থাৰ পৰাও ৰাইজক সকাহ দিবলৈ সেনা বাহিনীৰ জৰিয়তে ঠাইৰেই পৰিষ্কাৰ কৰাবো প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলিও ওচৰে ওচৰে অভিযোগ কৰি। মানুহবোৰে এতিয়াও অতি দুৰ্বিষহ জীৱন কটাই আছে। নানা ৰোগৰ আক্ৰান্ত হৈছে আৰু ইতিমধ্যে ১০জন লোকৰ মৃত্যু হৈছে। প্ৰতিটো বান বিধ্বস্ত পৰিয়ালক ৫ লাখকৈ একীকালীন সাহায্য আৰু শীঘ্ৰে প্ৰদান কৰিবলৈ মহাসংঘই চৰকাৰক দাবী জনাইছে। চৰকাৰী সাহায্যকৈ এশ ওপৰে নাযাই প্ৰদান কৰা বাবে অসমৰ বিভিন্ন অঞ্চলৰ ৰাইজ চিৰদিনৰ বাবে কৃতজ্ঞতাৰ পাত্ৰ হৈ ৰ'ব বুলি কৈ ৰহমানে বান সাহায্য আগৰঢ়োৱা ৰাইজক আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰে। সকলো ক'ৰ-কাটল যথাযথ ভাবে চৰকাৰক জমা দি থকা ৰাইজৰ প্ৰতি চৰকাৰৰ এবাৰ নোৱাৰা দায়িত্ব আৰু কৰ্তব্য আছে বুলিও বহমানে সকীয়াই দিয়ে।

জ্যেষ্ঠ সাংবাদিক মৃণাল মল্ল পাটোৱাৰীক নাজিম উদ্দিন আহমেদ সোঁৱৰণী ৰাজন্দিনী সংবাদ ৰত্ন বঁটা প্ৰদান

ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ নৱম বৰ্ষৰ শুভ নাট্যাৰম্ভ

অসম বাৰ্তা, দৌলাশাল, ৮ আগষ্ট ঃ সমগ্ৰ অসমতে বিশেষভাবে চৰ্চিত ভ্ৰাম্যমাণ যাত্ৰা নাট্যদল ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ নৱম বৰ্ষৰ শুভ নাট্যাৰম্ভ অনুষ্ঠান বিস্তৃত কাৰ্যসূচীৰে কালি অনুষ্ঠিত হৈ যায়। ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ সৰ্ৱাধিকাৰী স্বাগী আখবাগুহত কালি পুৱা প্ৰথম কাৰ্যসূচী হিচাপে গোমৃৱা সত্ৰৰ সভাধিকাৰ হেমকান্ত মহন্ত আঁতিয়ে ধৰ্মধ্বজ উত্তোলন কৰে। ধৰ্মধ্বজ উত্তোলন কৰি হেমকান্ত মহন্তই ভাষণ প্ৰদান কৰাৰ লগতে মাজুলীৰ পৰা আহা অভিনেতা তথা সাত্বিক ভকত তাজয় হাজৰিকাইয়ো ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতেই ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰযোজক পি জে প্ৰিন্সে নটৰাজৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰে। পুৱা ৯ বজাত লংকেশ্বৰ তালুকদাৰে ভাগৰত পাঠ কৰাৰ পিছত আদ্যত মল্ল পাটোৱাৰী, দীনেশ ভূএগাৰ লগতে সংগীবৃন্দই নাম-প্ৰসঙ্গ কৰে। পুৱা ১১ বজাত অভিনয় শিল্পী আদ্যত মল্ল পাটোৱাৰীয়ে শিবিৰ মুকলি কৰে। বিয়লি পাঁচ বজাত ফিতা কাটি ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ আখবাগুহ মুকলি কৰে কৃষ্ণগুৰু আধ্যাত্মিক শিক্ষা পৰিষদৰ অধ্যক্ষ, নসত্ৰ কৃষ্ণগুৰু সেৱাশ্ৰমৰ ভক্তিমাতৃ তথা লোক অধিবক্তা কৃষ্ণলা পাটোৱাৰী গোস্বামীয়ে। ইয়াৰ পিছতেই বৰপেটা জিলা সাহিত্য সভাৰ উপ সভাপতি বিশিষ্ট সমাজকৰ্মী বাণীকান্ত ভূএগাৰ সভাপতিত্ব অনুষ্ঠিত হয় মুকলি সভা। এই মুকলি সভাতে সৰ্ৱেবাৰী সংবাদ ক্ষেত্ৰকৰ্মৰ মহীধৰ স্বৰূপা জ্যেষ্ঠ সাংবাদিক তথা সাংবাদিক কণ্ঠস্বৰ নাজিম উদ্দিন আহমেদে সোঁৱৰণী ৰাজনন্দিনী সংবাদ ৰত্ন বঁটা প্ৰদান কৰা হয়। এগৰাকী সৰবৰহী সাংবাদিক তথা সাহিত্যিক অভিনেতা চেল্লাৰ প্ৰথমগৰাকী সাংবাদিক প্ৰয়াত নাজিম উদ্দিন আহমেদৰ সোঁৱৰণত এই বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি আৰেগিক হৈ পৰাৰ লগতে আপ্লুত হৈ পৰা মৃণাল মল্ল পাটোৱাৰীয়ে ভাষণ প্ৰদান কৰি জীৱনৰ বহু অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে নিজৰ অঞ্চলটোক সকলোৱে প্ৰাণ ভৰি ভাল পাব লাগে বুলি মন্তব্য প্ৰকাশ কৰে। সভাখন প্ৰয়াত নাজিম উদ্দিন আহমেদৰ সুপুত্ৰ মৌচম আহমেদকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত আখবা গৃহ মুকলি কৰা ভক্তিমাতৃ কুন্তলা পাটোৱাৰী গোস্বামীয়ে ভাষণ প্ৰসংগত ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ কাম-কাজ আৰু নাট্য সম্ভাৰক ভূপেন সাগৰিকা কৰাৰ লগতে নাটকৰ মাজেৰে সমাজ বান্ধোনৰ বাৰ্তা বহন কৰিব লাগে বুলি মন্তব্য প্ৰকাশ কৰে। একেদৰে নাটকৰ মাজেৰে আধ্যাত্মিক চিন্তাৰে উদ্ৰেক ঘটোৱা উচিত বুলিও মন্তব্য প্ৰকাশ কৰে ভক্তিমাতৃ কুন্তলা পাটোৱাৰী গোস্বামীয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা ৰৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাস আৰু বজালী বিধান সভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত বিধায়ক দীপক কুমাৰ দাসে নাট্য সাহিত্য আৰু যাত্ৰা নাট্যদলৰ বিষয়ে গভীৰ তথ্য সমৃদ্ধ বক্তৃতা প্ৰদান কৰে। একেদৰে সামাজিক চিন্তাৰ লগতে নাট্যদল সমূহৰ সমস্যাৰ বিষয়েও আলোকপাত কৰে। আনহাতে ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ মুখ্য পৃষ্ঠপোষক নকুল তালুকদাৰ আৰু প্ৰযোজক পি জে প্ৰিন্সৰ এই সাংস্কৃতিক যাত্ৰাকো প্ৰশংসা কৰে। সভাত বজালীৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে একালৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ উচ্চ নাট্যাৰাধাৰ বিষয়ে মন্তব্য কৰি সাম্প্ৰতিক সময়ত ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলে বহুত ভাল কাম কৰি আছে বুলি মন্তব্য প্ৰকাশ কৰে। সভাত পিজে প্ৰিন্স ৰচিত অকৃতজ্ঞ অমানুহ আৰু অবিচাৰ, নব শৰ্মাৰ অভাগিনী নাটৰ পাণ্ডুলিপি মুকলি কৰে প্ৰাক্তন ছাত্ৰনেতা তথা সাংস্কৃতিক কৰ্মী প্ৰদীপ দাস আৰু বিধায়ক ধৰ্মেশ্বৰ ৰয়ে। পাণ্ডুলিপি মুকলি কৰি বিয়া ভাষণত প্ৰদীপ দাসে ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ নাটক আৰু অভিনয় তথা পৰিবেশনশৈলী অতি উচ্চমানৰ আৰু আকৰ্ষণীয় বুলি মন্তব্য প্ৰকাশ কৰে। ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ মুখ্য পৃষ্ঠপোষক নকুল তালুকদাৰে আঁত ধৰা এই অনুষ্ঠানত বিশিষ্ট সমাজসেৱক শ্ৰেখ পুতুল আলী আৰু সৰ্ৱেবাৰী লেখিকা সমাবেহ সমিতিৰ সভাপতি কবি সাহিত্যিক শিক্ষাবিদ পাৰ্বতী পাটোৱাৰীয়ে ভাষণ প্ৰদান কৰে। ইপিনে এই অনুষ্ঠানতে কবি প্ৰীতিমণি ডেকা ভূএগাই এটি কবিতা পাঠ কৰে। বিশিষ্ট বেহেলাবাদক দুলাল বৈশ্যই এই অনুষ্ঠানত বেহেলা বাদন প্ৰদৰ্শন আৰু পৰেশ তালুকদাৰে তবলা সংগত কৰি অনুষ্ঠান জীপাল কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণিতেই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সম্মুখত বন্তি প্ৰজ্বলন কৰে লোকশিল্পী কৰুণা তালুকদাৰে আৰু ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ নৱম বৰ্ষ উপলক্ষ্যত নগছ বন্তি প্ৰজ্বলন কৰে সৰ্ৱেবাৰী পাঁচখেল গএগংগৱহৰ নৱ নিৰ্বাচিত মজুমদাৰ গিৰীশ ডেকা, বিৰিণা গোষ্ঠী অসৱৰ সভাপতি জিয়াউৰ ৰহমান, সমাজকৰ্মী খেৰ পুতুল আলী, প্ৰাক্তন ছাত্ৰ নেতা তথা অধিবক্তা ধনী আলী, সৰ্ৱেবাৰী প্ৰেছক্লাৱৰ সম্পাদক উজ্জ্বল ডেকা, সৰ্ৱেবাৰী পৌৰসভাৰ পৌৰপতি প্ৰেমদা তামোলী, সৰ্ৱেবাৰী লেখিকা সমাবেহ সমিতিৰ সভাপতি পাৰ্বতী পাটোৱাৰী আৰু চিত্তৰঞ্জন বৰ্মনে। এই অনুষ্ঠানতে নীট পৰীক্ষাত উত্তীৰ্ণ হোৱা সৰ্ৱেবাৰীৰ হিমন্ত বিশ্ব চৌধুৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত বিৰিণা গোষ্ঠী-অসমৰ সম্পাদক বনজিৎ বৈশ্যক ধৰি বিৰিণা গোষ্ঠী-অসমৰ কেই বাগৰাকী বিষয়বস্তুকীয়া, সাংবাদিক জয়ন্ত ডেকা, সুবজিৎ পাঠক, চক্ৰেশ্বৰ ডেকা, গুণজিৎ চৌধুৰী, ইলুচনিষ্ট গুচিৰত ৰয় আদিকে ধৰি দুই শতাধিক লোক উপস্থিত থাকে।

খৈৰাবাৰীৰৰ ঝাৰগাঁও নীলকণ্ঠ দেৱালয়ত ব'ল বম অনুষ্ঠান, হৰি নাম পৰিবেশনৰ মাজেৰে সামৰণিৰ ব্যপক প্ৰস্তুতি

অসম বাৰ্তা, নামখলা, ৮ আগষ্ট ঃ হৰি নাম ধ্বনিৰ মাজেৰে সমাজত আধ্যাত্মিক দিশত লাঁৰা ছোৱালী সকলৰ সংস্কাৰ গঢ়াৰ মূল লক্ষ্য আগত লৈ ঝাইলেবিৰ দৰে এই বেলিও ওদালগুৰি জিলা ভেৰগাঁও বিধানসভা সমষ্টিৰ খৈৰাবাৰীৰ বৃহত্তৰ ঝাৰগাঁও অঞ্চলৰ অন্যতম নামঘৰ নীলকণ্ঠ দেৱালয়ত ২০২৬ বৰ্ষৰ আগষ্ট মাহৰ ১০তাৰিখ আৰু ২৪ শাওন চতুৰ্থ সোমবাৰে দিনযোৱা কাৰ্যসূচীৰ মাজেৰে পৰিত্ৰ ব'ল বম অনুষ্ঠানৰ সামৰণিৰ প্ৰস্তুতি প্ৰায় তুংগত কৰি তুলিছে। উদ্‌যাপন সমিতিৰ বিষয়বৰীয়া সকলে জানিবলৈ দিয়া অনুসৰি ৰাইজৰ ব্যাপক সঁহাৰিৰ মাজেৰে ইতিমধ্যে চিঠি পত্ৰ, বেনাৰ, পোষ্টাৰ, ৰঙা, মঞ্চৰ, আৰ্থিক সংগ্ৰহৰ লগতে বিভাগীয় কাম-কাজ সমূহৰ দায়িত্ব মুৰ পাতি লৈ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। আগষ্ট মাহৰ ১০ তাৰিখ সোমবাৰে বাতিপুৱা গছ পুলি ৰোপণ কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভণী ক

"উজনি অসমৰ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ এফ আৰ ইউ চিকিৎসালয়সমূহৰ ভিতৰত ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ে উৎকৃষ্ট সেৱা আগবঢ়াই আহিছে" ঃ ৰূপেশ গোৱালা

ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ক হিন্দুঃস্থান ইউনিলিভাৰ লিমিটেডৰ শব্দ বিহীন জেনেৰেটৰ ছেট প্ৰদান

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, তিনিচুকীয়া, ৮ আগষ্ট ঃ "উজনি অসমৰ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ এফ আৰ ইউ চিকিৎসালয়সমূহৰ ভিতৰত ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ে ৰোগীক উৎকৃষ্ট সেৱা আগবঢ়াই শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। যোৱা সপ্তাহত অসমৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংঘেলে তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ বিধানসভা সমষ্টিসমূহৰ চিকিৎসালয় আৰু চিকিৎসা সেৱাৰ পৰ্যালোচনা কৰিবলৈ অনুষ্ঠিত কৰা এখন পৰ্যালোচনা সভাত এই তথ্য সদৰি হৈছে।"-এই মন্তব্য ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ। আজি ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ত হিন্দুঃস্থান ইউনিলিভাৰ লিমিটেডৰ ডুমডুমাত থকা পাৰ্চনেল প্ৰডাক্ট ফেক্টৰীয়ে প্ৰদান কৰা ৬২ কেভি ক্ষমতাসম্পন্ন শব্দ বিহীন জেনেৰেটৰ ছেটৰ উমোচন কৰি বিধায়ক তথা চিকিৎসালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ৰূপেশ গোৱালাই এই মন্তব্য কৰে। গোৱালাই জেনেৰেটৰ ছেটটো প্ৰদান কৰাৰ বাবে হিন্দুঃস্থান ইউনিলিভাৰ লিমিটেডক ধন্যবাদ জ্ঞাপন কৰে আৰু ইয়াৰ দ্বাৰা চিকিৎসালয়খনৰ লগতে ৰোগীসকল উপকৃত হ'বলৈ আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে তেওঁ ইতিমধ্যে ডুমডুমা এফ আৰ ইউ চিকিৎসালয়খনক সমজিলা চিকিৎসালয়লৈ উন্নীত কৰিবৰ বাবে যাবতীয় প্ৰস্তাব প্ৰদান কৰিছে। অনুষ্ঠানত ভাষণ দি হিন্দুঃস্থান ইউনিলিভাৰ লিমিটেডৰ ডুমডুমা থকা পাৰ্চনেল প্ৰডাক্ট ফেক্টৰীৰ মানৰ সম্পদ প্ৰবন্ধক দেৱজিৎ শৰ্মাইও এই জেনেৰেটৰ ছেটটোৰে চিকিৎসালয়খনক লগতে ৰোগীসকলকো উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। চিকিৎসালয়খনৰ কৰ্মচাৰী বসন্ত ভৱালীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰি চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ সুধীন শৰ্মাই হিন্দুঃস্থান ইউনিলিভাৰ লিমিটেড কৰ্তৃপক্ষক ধন্যবাদ জনাই কয় যে নতুন জেনেৰেটৰ ছেটটোৱে চিকিৎসালয়খনৰ এটা ডাঙৰ অভাৰ দূৰ কৰিব। এতিয়া চিকিৎসালয়খনৰ এ'ৰে মেচিন আৰু লেবৰেটৰীৰ অটোমেটিক এনালাইজাৰ মেচিনটোৱে অসুবিধা নোহোৱাকৈ কাম কৰিব। তেওঁ আৰু কয় যে বৰ্তমান চিকিৎসালয়খনত লেবৰেটৰী, ব্লাড ষ্টৰেজ ইউনিট, নৰজাতক শিশুৰ বিশেষ যতন কক্ষ (Newborn Stabilization Unit) আৰু এ'ৰে মেচিন কাৰ্যক্ষম হৈ আছে যদিও এতিয়া বহু ৰোগীক উন্নত চিকিৎসাৰ বাবে আন চিকিৎসালয়লৈ প্ৰেৰণ কৰিব পবা হৈছে। বৰ্তমান চিকিৎসালয়খনত নিয়োজিত হৈ থকা সাতগৰাকী চিকিৎসকে প্ৰতিদিনে বহিঃ বিভাগত তিনি শতাধিক ৰোগীক চিকিৎসা সেৱা আগবঢ়াই আছে। তদুপৰি চিকিৎসালয়খনত বৰ্তমান মাহে গড়ে ১৬০ গৰাকী প্ৰসূতিয়ে সন্তান জন্ম দি আছে বুলিও ডাঃ সুধীন শৰ্মাই জানিবলৈ দিয়ে। আজিৰ উদ্বোধনী অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচার্য, বাৰ্ড সদস্য ক্ৰমে নয়ন ডেকা, ৰূপজ্যোতি কৌৰৱ আৰু গিতালী আবদ্ধৱা, চিকিৎসালয়খনৰ পৰিচালনা সমিতিৰ সদস্য ক্ৰমে অভিজিৎ খাটনিয়াৰ, দিলীপ প্ৰসাদ আৰু সমীৰণ গগৈৰ লগতে হিন্দুঃস্থান ইউনিলিভাৰ লিমিটেডৰ ডুমডুমা কাৰখানাৰ কেইবাগৰাকীও বিষয়া তথা আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

লোকপিয়লত ৰাভা জনগোষ্ঠীক জাতি আৰু মাতৃভাষা হিচাবে "ৰাভা" বুলি লিপিবদ্ধ কৰিবলৈ আহ্বান "আৰছু" আৰু "নিখিল ৰাভা সাহিত্য" সভাৰ

অসমবার্তা, ষ্টাফ বিপৰ্টাৰ, দুধনৈ, ৮ আগষ্ট ঃ অহা ২০২৭ চনৰ লোকপিয়লত ৰাভা জনগোষ্ঠীৰ প্ৰতিজন নাগৰিকক নিজৰ 'জাতি' (Ethnicity) আৰু 'মাতৃভাষা' (Mother Tongue) হিচাপে 'ৰাভা' বুলি লিপিবদ্ধ কৰিবলৈ আহ্বান জনাইছে নিখিল ৰাভা ছাত্ৰ সস্থা (আৰছু)-ই। আজি ৮ আগষ্টত আৰম্ভণি সভাপতি মতিলাল ৰাভা আৰু সাধাৰণ সম্পাদক ডঃ সুভাষ ৰাভইৰ এক প্ৰেছ বিবৃতি যোগে এই কথা সদৰি কৰে। ৩ আগষ্টত অনুষ্ঠিত আৰছুৰ কাৰ্যকৰী সভাত গৃহীত প্ৰস্তাৱ অনুসৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিবৃতিত উল্লেখ কৰা মতে, ২০১১ চনৰ পিছত প্ৰথমবাৰৰ বাবে এই লোকপিয়ল অনুষ্ঠিত হ'বলৈ গৈ আছে। ইতিমধ্যে চলিত বৰ্ষৰ ২ আগষ্টৰ পৰা 'স্ব-গণনা' (Self-enumeration) প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা মূল লোকগণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাভা জনগোষ্ঠীৰ ভাষিক, সাংস্কৃতিক আৰু আৰ্থ-সামাজিক দিশৰ প্ৰকৃত ছবিখন সঠিক তথ্যৰে দাঙি ধৰাটো প্ৰতিজন ৰাভা নাগৰিকৰে দায়িত্ব আৰু কৰ্তব্য বুলি আৱদুৱে ব্যক্ত কৰে। ছাত্ৰ সংগঠনটোৱে জনায় যে বৰ্তমান অসমৰ বিভিন্ন অঞ্চলত বসবাস কৰা বহু ৰাভা লোকে দৈনন্দিন জীৱনত ৰাভা ভাষা ব্যবহাৰ নকৰিলেও নিজৰ মাতৃভাষাৰ প্ৰতি এক নবজাগৰণ আৰু মৰ্যাদা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। তদুপৰি, অসম চৰকাৰে ৰাভা ভাষাক মান্যতা প্ৰদান কৰি প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰবৰ্তনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। এনে প্ৰেক্ষাপটত ৰাভা জনগোষ্ঠীয় প্ৰকৃত ঐতিহ্য আৰু নৃগোষ্ঠীয় সমলসমূহ শুদ্ধভাৱে ডাঙি ধৰাৰ বাবে সমাগত লোকপিয়লত জাতি আৰু মাতৃভাষাৰ স্থানত 'ৰাভা' বুলি লিখাটো অতিকৈ সময়োপযোগী সিদ্ধান্ত বুলি আৱদুৱে স্পষ্ট কৰি দিয়ে। আনহাতে একেই আহ্বান জনাইছে নিখিল ৰাভা সাহিত্য সভাই। এই সম্পৰ্কত "ৰেবাৰ কাছা কুচুনদুমা" অৰ্থাৎ নিখিল ৰাভা সাহিত্য সভাই অতি গুৰুত্বসহকাৰে কয় যে এইবেলি ২০২৭ লোকপিয়ল ডিজিটেল গণনাত ৰাভা জনগোষ্ঠীৰ প্ৰতিজন নাগৰিকে নিজৰ জাতি আৰু ভাষা ৰাভা লিখক। ইতিহাস সমৃদ্ধ ৰাভা জনগোষ্ঠী আদিম যুগৰ প্ৰকৃত ভূমিপুত্ৰ ভেঁয়াম জনজাতি। ৰাভাসকলৰ নিজস্ব স্বকীয় ভাষা, কৃষ্টি, সংস্কৃতি, আৰ্থ-সামাজিক, জাতীয় পৰম্পৰা, ইতিহাস আছে। আনপিনে, নিজৰ মাতৃভাষা জাতিৰ আচল পৰিচয়। এই পৰিচয় আৰু প্ৰকৃত জাতীয় ছবিবোৰ সমৃদ্ধিশালী ৰূপত জীয়াই ৰখাটো প্ৰতিজন ৰাভা নাগৰিকৰ নিশ্চিতকৈ মূল দায়িত্ব আৰু কৰ্তব্য আছে। বাভাসকলৰ দীৰ্ঘদিনীয়া দাবী, সংগ্ৰাম আৰু প্ৰতীক্ষাৰ ফলশ্ৰুতিত বাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ অনুসৰি প্ৰথম পৰ্যায় হিচাপে ১০৫খন প্ৰাথমিক বিদ্যালয়ত বৰ্তমানৰ অসম চৰকাৰে বিগত ২০২৫ চনত ৰাভা মাধ্যম প্ৰবৰ্তন কৰিছে। এই বাভা মাধ্যম আগবঢ়াই নিয়াৰ ক্ষেত্ৰখনত প্ৰতিজন ৰাভা ৰাইজ, দল, সংগঠন, ছাত্ৰ-সমাজৰ, গঠনমূলক পৰামৰ্শ, যথেষ্ট দায়িত্ব আৰু কৰ্তব্য আছে। বৰ্তমান সময়ত অসমৰ বিভিন্ন জিলাত বসবাস কৰা ৰাভাসকলে ৰাভা ভাষা শিকাৰৰ লগতে অধিক প্ৰচাৰ, প্ৰসাৰ কৰাত অধিক মনোযোগী আৰু আগ্ৰহী হৈছে। ৰাভা জাতিৰ গঠন আৰু ঐক্যৰ এনে সন্ধিক্ষণত আগষ্টৰ ২০২৭ ৰ লোকপিয়ল ডিজিটেল গণনাত প্ৰতিজন ৰাভা জনগণে নিজৰ পূৰ্ণ পৰিচয় দিয়াত ত্ৰুটি নকৰি জাতি আৰু ভাষা হিচাবে "ৰাভা" লিখিবৰ বাবে নিখিল ৰাভা সাহিত্য সভাই কাতৰে আহ্বান জনায়। ইয়াকোপৰি, প্ৰত্যেক ৰাভা ৰাইজক লোকপিয়লৰ কামত নিয়োগ কৰা লোকগণনাকাৰী সকলৰ লগত পূৰ্ণ সহযোগিতা আগবঢ়াবলৈও এক প্ৰেছ বিজ্ঞপ্তি যোগে আহ্বান জনায় নিখিলবাভা সাহিত্য সভাৰ সভাপতি অমৰসিংহ কোচ আৰু প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাই।

অৰ্ধ শতাধিক লোকৰ ৰক্তদান

সৰুপথাৰত লায়ন্স ক্লাবৰ বৃহৎ ৰক্তদান শিবিৰ

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, সৰু পথাৰ, ৮ আগষ্ট ঃ সমাজসেবা আৰু মানবতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি সৰুপথাৰত শনিবাৰে অনুষ্ঠিত হ'ল এক বৃহৎ স্বেচ্ছাসেবী ৰক্তদান শিবিৰ। সৰুপথাৰ লায়ন্স ক্লাব আৰু ধনশিৰি ট্ৰাক মালিক সস্থাৰ যৌথ উদ্যোগত তথা শ্ৰহীদ কুশল কৌৰৱ অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংকৰ তত্ত্বাবধানত এই ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। সৰুপথাৰ বাছ ষ্টেণ্ড মহানুভবতাৰ পথিয়ক বৰষুণে লায়ন্স ক্লাব ভবনত পুৱা ১১বজাৰ পৰা বিয়লি ৪বজালৈ অনুষ্ঠিত হোৱা শিবিৰটোত অঞ্চলটোৰ বিভিন্ন শ্ৰেণীৰ সচেতন নাগৰিকে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। সমাজসেবীসকলৰ মতে, এনে শিবিৰে ৰক্তৰ অভাৱৰ বাবে বহু ৰোগীয়ে চিকিৎসাৰ ক্ষেত্ৰত সমস্যাৰ সম্মুখীন হ'বলগীয়া হয়। দুৰ্ঘটনাত আহত ব্যক্তি, জটিল অস্ত্ৰোপচাৰৰ ৰোগী, প্ৰসূতি, থেলাছেমিয়া আৰু কেঞ্চাৰৰ দৰে জটিল ৰোগত আক্ৰান্ত লোকৰ জীৱন ৰক্ষাৰ ক্ষেত্ৰত ৰক্তৰ প্ৰয়োজনীয়তা অপৰিসীম। চিকিৎসা বিজ্ঞানত ৰক্তৰ কোনো কৃত্ৰিম বিকল্প নথকাৰ পৰিপ্ৰেক্ষিতে স্বেচ্ছাসেবী ৰক্তদানেই বহু লোকৰ বাবে জীৱনদানৰ সহায় হৈ পৰে। ৰক্তদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লগতে মানবীয় দায়িত্ববোধ আৰু ইতিবাচক মানসিকতা গঢ়ি তোলাৰ লক্ষ্যৰে এই শিবিৰৰ আয়োজন কৰা বুলি আয়োজকসকলে জানিবলৈ দিয়ে। শিবিৰটোত সৰুপথাৰ অঞ্চলৰ আৰ্ধ শতাধিক স্বেচ্ছাসেবী ৰক্তদাতাই ৰক্তদান কৰি মহানুভবতাৰ পৰিচয় দিয়ে। নিজৰ শৰীৰৰ অমূল্য ৰক্তদান কৰি আনৰ জীৱন ৰক্ষাৰ মহান কামত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ৰক্তদাতাক আয়োজকসকলে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ৰক্তদান কৰা প্ৰতিগৰাকী ব্যক্তি, বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধি, চিকিৎসক, স্বেচ্ছাসেবকক ধৰি বহু সংখ্যক লোকৰ উপস্থিতিয়ে অনুষ্ঠানটোক বিশেষ তাৎপৰ্য প্ৰদান কৰে। আয়োজকসকলৰ মতে, সময়ত ৰক্তৰ অভাৱৰ বাবে বহু ৰোগীয়ে চিকিৎসাৰ ক্ষেত্ৰত সমস্যাৰ সম্মুখীন হ'বলগীয়া হয়। দুৰ্ঘটনাত আহত ব্যক্তি, জটিল অস্ত্ৰোপচাৰৰ ৰোগী, প্ৰসূতি, থেলাছেমিয়া আৰু কেঞ্চাৰৰ দৰে জটিল ৰোগত আক্ৰান্ত লোকৰ জীৱন ৰক্ষাৰ ক্ষেত্ৰত ৰক্তৰ প্ৰয়োজনীয়তা অপৰিসীম। এই ৰক্তদান শিবিৰে সৰুপথাৰ অঞ্চলত মানৱ সেৱা আৰু স্বেচ্ছাসেবী ৰক্তদানৰ এক ইতিবাচক বার্তা কঢ়িয়াই অনাৰ লগতে সমাজৰ আন লোকসকলকো ভবিষ্যতে এনে মহান কাৰ্যত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰে।

বানত পিতৃৰ তিলনী কৰ্ম পথৰ ওপৰত; নুমলীগড়ৰ কৰ্দৈগুৰিত কৰুণ দৃশ্য

অসম বার্তা, নুমলীগড়, ৮ আগষ্ট ঃ নুমলীগড়ৰ সমীপৰ মৰঙিৰ কৰ্দৈগুৰিত এক অত্যন্ত কৰুণ আৰু হৃদয়বিদাৰক দৃশ্যৰ সাক্ষী হৈছে স্থানীয় সমাজ। সমাজৰ বহুৰৰ পিছত বহুৰ ধৰি বিনোদন দি আহা, অসমীয়া লোকসংস্কৃতিৰ প্ৰাণ স্বৰূপ এজন দায়বদ্ধ লোকশিল্পীৰ সামাজিক পৰম্পৰাবোৰে আয়োজন কৰা মৃতাহা কৰ্মৰ পৰিণতি ইমানেই দুখলগা হোৱাত সকলোৱে দুখ প্ৰকাশ কৰিব লগীয়া হৈছে। ওৱেটো জীৱন সমাজক বিনোদন দি অহা লোক শিল্পীজনৰ জীৱনৰ শেষ অনুষ্ঠান কিন্তু হৃদয় বিদাৰক। বিশিষ্ট ঢুলীয়া শিল্পী, ওজা তথা অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ পুনেশ্বৰ দত্ত দেৱৰ তিনিদিনৰ পূৰ্বে মৃত্যু হৈছিল। শেষ নিশাস ত্যাগ কৰা এই গৌৰৱময় শিল্পীগৰাকীয়ে জীৱনজোৰা সাধনাৰে অসমীয়া কৃষ্টি-সংস্কৃতিৰ পথাৰখনত অমূল্য অৱদান আগবঢ়াই গৈছে। ঢোলৰ চেৰে, তালে লহৰে তেওঁ সমাজৰ আনন্দ দিছিল, বিয়া-সাধু, উৎসৱ-পাৰ্বণ আৰু সাংস্কৃতিক অনুষ্ঠানত তেওঁৰ হাতৰ ঢোলৰ ধ্বনিয়ে মানুহৰ মনত উল্লাস জগাই তুলিছিল। লোকশিল্পী হিচাপে তেওঁ কেৱল শিল্পকৰ্ম কৰাই নহয়, সমাজৰ আনন্দৰ উৎস হৈ উঠিছিল। তেওঁৰ বিয়োগত সমগ্ৰ দৈগ্যাং অঞ্চলৰ লগতে সাংস্কৃতিক মহলত গভীৰ শোকৰ ছাঁ পৰিছে। কিন্তু মৃত্যুৰ তিনিদিনৰ পিছত তেওঁৰ পৰিয়ালে শান্তিৰে তিলনী কৰ্ম সম্পন্ন কৰিব লগা নোৱাৰিলে। হঠাৎ এলেকাটোত বানৰ প্ৰকোপ বৃদ্ধি পোৱাত তেওঁলোকৰ ঘৰ দুৱাৰ, বাৰী, চোতাল সকলো পানীৰ তলত ডুব যায়। দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰৰ গেট খুলি দিয়াৰ বিনিময়ত ধনশিৰি জলস্তৰ ইমানেই বৃদ্ধি পায় যে তৰিং গতিত অঞ্চলসমূহ বাঢ়নি পানীয়ে বুৱাই পেলেই। প্ৰয়াত পুনেশ্বৰ দত্তৰ পৰিয়ালৰ ঘৰ-বাৰীত পানী সোমাই যোৱাত ঘৰৰ ভিতৰত মৃতকৰ তিলনী কৰ্ম সম্পন্ন কৰা সম্ভৱ নহ'ল। ফলত শোকসন্তপ্ত তিনি সন্তানে পথৰ ওপৰতেই পিতৃৰ তিলনী কৰ্ম সম্পন্ন কৰিবলগীয়া হয়। যি শিল্পীয়ে জীৱনভৰি সমাজৰ বিনোদন দি আহিল, সেই গৰাকীৰ শেষ কৰ্মটোৱেই বানৰ কবলত দুখজনক ভাবে পথৰ ওপৰত সম্পন্ন কৰিব লগীয়া হোৱাটো সঁচাকৈয়ে অতি দুখলগা আৰু চিন্তনীয়। এই কৰুণ দৃশ্য কেৱল এটা পৰিয়ালৰ ব্যক্তিগত শোক নহয়, ঢোলৰ মালিতা গাই সদায় আনক আনন্দৰ খোৱাক যোগোৱা নিবল শিল্পী জনৰ নিৰব জীৱন মালিতাত সংযোজিত হ'ল বানৰ কবলত পৰি হাবু-ডুবু খোৱা সেই পৰিয়ালৰ বাকৰছ জীৱনৰ নিৰব জীৱন গাঁথা। তেওঁ লোকৰ হৃদয়া আজি নিৰব নিতাল স্তব্ধ। হৃদয়ৰ এই কৰুণ বানক বোধিব কোনে? পুনেশ্বৰ দত্ত দেৱৰ অমৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে সকলো উপস্থিত শুভাকাঙ্ক্ষী বাইজে।

শ্ৰদ্ধাঞ্জলি গ্ৰন্থ "নয়নৰ মণি" উন্মোচন

পুৰণিগুদাম প্ৰেছ ক্লাৱৰ সাংবাদিক নয়ণমণি বৰাৰ স্মৃতিচাৰণ সভা

অসম বার্তা, পুৰণিগুদাম, ৮ আগষ্ট ঃ নগাঁও জিলাৰ পুৰণিগুদাম জলাহাঁৱৰ প্ৰয়াত যুৱ সাংবাদিক নয়নমণি বৰাৰ আদ্যশ্ৰাদ্ধ উপলক্ষে যোৱা নিশা নয়নমণি বৰাৰ বাসগৃহত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। পুৰণিগুদাম প্ৰেছক্লাৱৰ উদ্যোগত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি দ্বিজেন্দ্ৰমোহন শইকীয়াই। পুৰণিগুদাম প্ৰেছক্লাৱ জ্যেষ্ঠ সাংবাদিক নীলৰঞ্জন শৰ্মাই আঁত ধৰা স্মৃতিচাৰণ সভাত পুৰণিগুদাম প্ৰেছ ক্লাবে প্ৰয়াত সাংবাদিক নয়নমণি বৰাৰ পুণ্য স্মৃতিত প্ৰকাশ কৰা শ্ৰদ্ধাঞ্জলি গ্ৰন্থ "নয়নৰ মণি" উন্মোচন কৰে। বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক তথা লেটগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে। জ্যেষ্ঠ সাংবাদিক প্ৰমোদ কুমাৰ শৰ্মাই সম্পাদনা কৰা শ্ৰদ্ধাঞ্জলি গ্ৰন্থ "নয়নৰ মণি" উন্মোচন কৰি উন্মোচনী ভাষণত কৃষ্ণ গোস্বামীয়ে নয়নমণিৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰি কম বয়সতে যুৱ সাংবাদিকজনৰ অকাল মৃত্যু সংবাদজগতৰ বাবে বহুত ক্ষতি বুলি উল্লেখ কৰে আৰু পুৰণিগুদাম প্ৰেছক্লাবে নয়নমণিৰ স্মৃতি চিৰযুগমীয়া কৰিবলৈ শ্ৰদ্ধাঞ্জলি গ্ৰন্থ প্ৰকাশ কৰাৰ বাবে পুৰণিগুদাম প্ৰেছ ক্লাবক ভূঁয়সী প্ৰশংসা কৰে। লগতে গোস্বামীয়ে সুন্দৰ বেটুপাতেৰে এটাও বানান ভুল নথকাকৈ সৰ্বাংগসুন্দৰ ভাৱে শ্ৰদ্ধাঞ্জলি গ্ৰন্থখন প্ৰকাশ কৰাত সম্পাদনা সমিতি আৰু প্ৰেছক্লাবক ধন্যবাদ জ্ঞাপন কৰে। উক্ত স্মৃতিচাৰণ সভাত আগকুৰ নগাঁও জিলা সমিতিয়ে এখন শ্ৰদ্ধাঞ্জলি পত্ৰ নয়নমণিৰ মাতৃ আৰু খুৰাকৰ হাতত প্ৰদান কৰে। লগতে পুৰণিগুদামৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, আপকৃ নগাঁও জিলা সমিতি, পুৰণিগুদাম প্ৰেছ ক্লাব, পুৰণিগুদামৰ বিভিন্ন ব্যক্তিয়ে আগবঢ়োৱা আৰ্থিক সাহায্য আৰু নগাঁও জিলা অগপৰ সভাপতি তথা পুৰণিগুদাম শাৰৱীয় শিশু গ্ৰন্থমেলা উদযাপন সমিতিৰ সভাপতি মণিমাধৱ মহন্তই আগবঢ়োৱা আৰ্থিক সাহায্য উপস্থিত থাকে।

নাবালিকা ছাত্ৰীৰ আপত্তিজনক ফটো ইনষ্টাগ্ৰামত আপলোড; হেলেম থানাত এজাহাৰ

অসমবার্তা, গহপুৰ, ৮ আগষ্ট ঃ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত কাৰিবিল চাপৰিৰ এগৰাকী নাবালিকা ছাত্ৰীৰ আপত্তিজনক ফটো ইনষ্টাগ্ৰামত আপলোড কৰিছে এগৰাকী দুষ্ট প্ৰকৃতিৰ যুৱকে। ইয়াকে লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বুধবাৰে হেলেম আৰক্ষী থানাৰ অন্তৰ্গত মেইলবজাৰ সিং পাবা নিবাসী দামোদৰ মণ্ডলৰ পুত্ৰ আকাশ মণ্ডলে উক্ত দুষ্কাৰ্যটো সংঘটিত কৰিছে। তদুপৰি নাবালিকা ছাত্ৰী গৰাকীৰ নামত এটা ভুৱা একাউণ্ট খুলি সামাজিক মাধ্যম যোগে নাবালিকাগৰাকীৰ আপত্তিজনক ফটো আপলোড কৰি ছাত্ৰী গৰাকীৰ লগতে পৰিয়ালৰ লোকক মানসিক হাৰাশাস্তি কৰি আহিছে উক্ত যুৱক জনে। ঘটনা সম্পৰ্কত ছাত্ৰীগৰাকীৰ পিতৃয়ে উক্ত যুৱক জনৰ বিৰুদ্ধে আজি হেলেম আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। উক্ত যুৱক জনক দৃষ্টান্তমূলক শাস্তি দিবলৈ হেলেম আৰক্ষীৰ ওচৰত কঠোৰ দাবী জনাইছে স্থানীয় বাইজে।

কৃত্ৰিম বানৰ বাবে নিজগাঁৱত সৎকাৰ কৰিব নোৱাৰি পাঁচ কিলোমিটাৰ দূৰৈৰ সৎকাৰ

প্ৰাণজিতৰ অকাল মৃত্যুত শোকৰ ছাঁ পশ্চিম দৰঙত

অসম বার্তা, পাথৰিঘাট, ৮ আগষ্ট ঃ পশ্চিম দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত নগাঁও গাঁৱৰ সুন্দৰ সুঠাম যুবক মদন ডেকাৰ পুত্ৰ প্ৰাণজিৎ ডেকা (২৪)ই অকালতে মৃত্যুক সাৱটি লয়। সৰল মনৰ অধিকাৰী প্ৰাণজিতৰ যোৱা বৃহস্পতিবাৰে হঠাতে পেটৰ বিষত আক্ৰান্ত হোৱাত প্ৰথমে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটি চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। কিন্তু নিয়তিৰ পৰিহাস শুক্ৰবাৰে পুৱা ১০-৪৫ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শেষ নিশাস ত্যাগ কৰে প্ৰাণজিতে। সকলো কৰ্মতে সিদ্ধহস্ত, অমায়িক স্বভাৱৰ প্ৰাণজিতে এবছৰ আগতে বিবাহপাখত আৱদ্ধহৈ এখন চাহ দোকান কৰ্মৰত হৈ থাকি কোনোমতে পৰিয়ালটিক পোহপাল দি আহিছিল। নিষ্ঠুৰ নিয়তিয়ে প্ৰাণজিতৰ অকাল মৃত্যুৰ সময়ত পত্নী, পিতৃ, ককায়েক, ওচৰচুৱৰীয়া আৰু অলেখ গুণমুগ্ধক ইহ সংসাৰত এৰিথৈ যায়। আনহাতে অতিকৈ দুখৰ বিষয় নিজ গাঁৱৰ কৃত্ৰিম বানৰ পৰিপ্ৰেক্ষিতত পাৰ্চ কিলোমিটাৰ দূৰৈৰ দিপীলা ৰাজহৰা শ্মশানত মৃতদেহ সৎকাৰ কৰিব লগীয়া হয়। এই ক্ষেত্ৰত বৃহত্তৰ নগাঁও অঞ্চলৰ ৰাইজে তৎকালীন ভাৱে নগাঁও হাতীমাৰাত এখন ৰাজহৰা শ্মশান নিৰ্মাণৰ বাবে আহ্বান জনায় স্থানীয় বিধায়কক। সকলোকে কন্দুৱাই হঠাতে স্বৰ্গগামী হোৱা প্ৰয়াত প্ৰাণজিৎ ডেকাৰ মৃত্যুৰ খৰৰ বিয়পি পৰাৰ লগে-লগে অসংখ্য গুণমুগ্ধই তেখেতৰ বাসগৃহত ভিৰ কৰাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু গুণমুগ্ধই শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

প্ৰকৃত বানাক্ৰান্ত প্ৰতিগৰাকী হিতাধিকাৰীক ন্যায্য সাহায্য প্ৰদানৰ দাবী

দুৰ্যোগৰ সময়ত পক্ষপাত নহয়, মানৱতাই হওক প্ৰথম পৰিচয়

অসম বার্তা, জাঁজী, ৮ আগষ্ট ঃ দুৰ্যোগৰ সময়ত সহায়-সাহায্য কোনো দয়া নহয়, এৰা ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী নাগৰিকৰ ন্যায্য অধিকাৰ। শেহতীয়া ভয়ংকৰ বানত বহু পৰিয়ালে ঘৰ-দুৱাৰ, সা-সম্পত্তি আৰু জীৱিকাৰ আধাৰ হেৰুৱাই আজিও অসহায় অৱস্থাত দিন কটাবলগীয়া হৈছে। এনে সংকটৰ সময়ত প্ৰকৃত ক্ষতিগ্ৰস্ত লোকৰ নাম সাহায্যৰ তালিকাৰ পৰা বাদ পৰিলে বা কোনো ধৰণৰ পক্ষপাতিত্বৰ বাবে কোনো হিতাধিকাৰী সাহায্যৰ পৰা বঞ্চিত হ'লে বিষয়টো অতি দুখজনক আৰু উদ্বেগজনক বুলি বিভিন্ন মহলে মত প্ৰকাশ কৰিছে। বিশেষকৈ, কোনো গাঁৱৰ দায়িত্বশীল ব্যক্তিয়ে নিজৰ দায়িত্ব যথাযথভাৱে পালন নকৰি যোগ্য হিতাধিকাৰীৰ নাম কৰ্তন কৰা বা পক্ষপাতমূলক আচৰণ কৰাৰ অভিযোগ উত্থাপিত হ'লে প্ৰশাসনে বিষয়টো গুৰুত্বসহকাৰে পৰীক্ষা কৰা উচিত। এখন গাঁৱৰ প্ৰকৃত উন্নতি ন্যায়, স্বচ্ছতা আৰু সমতাৰ ওপৰতহে নিৰ্ভৰ কৰে, বৈষম্য বা পক্ষপাতিত্বৰ ওপৰত নহয়। বানত ক্ষতিগ্ৰস্ত বহু লোকৰ পৰা সাহায্য বিতৰণ আৰু হিতাধিকাৰী নিৰ্বাচনৰ লৈ অভিযোগ অহাৰ কথা জানিবলৈ পোৱা গৈছে। এনে পৰিস্থিতিত অভিযোগকাৰীসকলক সংশ্লিষ্ট উপায়ুক্ত (DC) আৰু অতিৰিক্ত উপায়ুক্ত (ADC)-ৰ কাৰ্যালয়ত যথাযথভাৱে অভিযোগ দাখিল কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। কোনো ব্যক্তিক অভিযোগ দাখিলৰ পৰা বিৰত থাকিবলৈ হেঁচা দিয়া, ভয়-ভাবুকি দিয়া বা বাধা প্ৰদান কৰা হৈছে নেকি, সেই বিষয়টোও প্ৰশাসনে নিৰপেক্ষভাৱে পৰীক্ষা কৰা প্ৰয়োজন বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। দ

দীৰ্ঘদিনীয়া বিধ্বংসী গড়া খহনীয়াত এতিয়া লৈকে স্থানান্তৰিত কুৰিৰো অধিক পৰিয়াল

পশ্চিম ধোদাংত ধনশিৰিৰ কালৰূপ; পাৰ ভাঙি বৈছে বাৰিষাৰ ভৰা নৈ

বিধ্বস্ত কৃষি পাম; বাৰিষাৰ পাৰ ভঙা খৰস্ৰোতে খহাই নিছে কৃষি ভূমি

অসম বাৰ্তা, নুমলীগড়, ৮ আগষ্ট ঃ বোকাখাত সমজিলাৰ নুমলীগড় পশ্চিম ধোদাংত ধনশিৰি নদীয়ে এতিয়া কালৰূপ ধাৰণ কৰিছে। দৈয়াং জলবিদ্যুৎ প্ৰকল্পই কিছু দিনৰ বিৰতিৰ মূৰে-মূৰে এৰি দিয়া জলপৃষ্ঠই ধনশিৰি নদী ফেনে ফুটুকাৰে ভৰাই তোলে। ফলত বাৰিষা আহিলেই নৈ পৰীয়া অঞ্চলত একেই সমস্যা সঘনাই কিছুদিনৰ মুৰে মুৰে পুনৰাবৃত্তি হয়। এই বছৰত এতিয়ালৈকে দুটা বান আহিছে। গত বাৰিষাত চাৰিবাৰ আহিল এনে প্ৰলয়ংকাৰী বান। বৰ্তমান বছৰৰ দিত্বীয়টো বানত ধনশিৰিৰ ভৰানদী বৈ গৈছে পশ্চিম ধোদাংৰ কৃষি পামৰ মাজেদি আৰু একাংশ আবাসিক এলেকা হৈ পৰিছে জলমগ্ন। তদ্ৰূপস্বৰূপে নুমলীগড়ৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ধনশিৰি নদীৰ পকীদলংৰ পৰা নৈ কাষে কাষে থকা সামগ্ৰিক আবাসিক এলেকা পানীয়ে আবৰি ধৰে। জলমগ্ন হয় পাৰঘাট প্ৰাথমিক বিদ্যালয়কে ধৰি বহু পৰীয়ালৰ ঘৰ বাৰী কৃষি ভূমি। ধোদাং গাঁৱৰ মাজেদি যোৱা একমাত্ৰ যাতয়তী পথটোৰ ওপৰেদি বহু এলেকাত বৈ যায় সোঁত। বিপৰ্যস্ত হৈ পৰে যাতায়ত ব্যৱস্থা। শাওনৰ শালিখেতিৰ পথাৰ কঠীয়াতলি সকলো হয় জলমগ্ন। ধোদাং গাঁৱৰ মাজেদি যোৱা এই লোক নিৰ্মাণ বিভাগৰ পথটোৰ মাজে মাজে এতিয়া নৰ্দমা সদৃশ গাঁত। যাতায়াতৰ বাবে একেবাৰে বিধস্ত ৰূপ লোৱা এই পথ যাতায়তৰ বাবে একেবাৰে অনুপযোগী হৈ পৰিছে। তদুপৰি বছৰৰ ইটোৰ পিছত সিটো বান পানীয়ে এই পথটো একেবাৰে কদৰ্যময় কৰি তুলিছে। বৰ্তমান চলিত বছৰৰ দিত্বীয়টো বানত পশ্চিম ধোদাং প্ৰাথমিক বিদ্যালয়ৰ পৰা পশ্চিমলৈ থকা কৃষি পাম সমূহ বিধ্বংসী বানৰ কবলত। নদীখনৰ প্ৰচণ্ড সোঁতে পাৰ ভাঙি এই কৃষি পামৰ বিস্তৰ ক্ষতি সাধন কৰিছে। পাৰভঙা নদীৰ সেই সোঁত বৈ গৈছে পশ্চিম ধোদাংৰ একাংশ আবাসিক এলেকাৰ মাজেদি। উক্ত এলেকাত কৃষি পাম কৰা জিতু শইকীয়াৰ কৃষি পামটো উটুৱাই লৈ যায় ধনশিৰিৰ কোবাল সোঁতে। সামন্য লাম লাকটু টুলুঙা নাৱেৰে কঢ়িয়াই নিৰাপদ স্থানলৈ আনিবলৈ গৈ নদীৰ কোবাল সোঁতৰ কাৰণে উভতি আহিব লগীয়া হয়। সেই এলেকাটোত খেতি কৰা সকলো কৃষকৰে শালি ধানৰ খেতিৰ ওপৰত বৰ্তমান ধনশিৰি নদীৰ প্ৰচণ্ড সোঁত। বালি পলসে প্ৰতি বছৰে পুতি পেলোৱাৰ দৰে এইবছৰো একেই ৰূপ লোৱাৰ আশংকা। বাৰিষাৰ এই বানে প্ৰতি বছৰেই কঢ়িয়াই আনে এলেকাটোলৈ গভীৰ সংকট। ইয়াৰোপৰি দীৰ্ঘদিন ধৰি চলি অহা পশ্চিম ধোদাং এলেকাৰ গড়া খহনীয়াৰ সমস্যাই এতিয়া এক ভয়াবহ ৰূপ লৈছে। এই এলেকাত বাৰিষাৰ নদীৰ এই ৰূপ নেদেখিলে কল্পনা কৰাটোৱেই সম্ভৱ নহয়। পশ্চিম ধোদাং এলেকাত দীৰ্ঘদিনীয়া ধনশিৰি নদীৰ খহনীয়াই এক বৃহৎ কেকুৰী বা ইউ-টাৰ্ণ সৃষ্টি কৰি পশ্চিম দিশেলৈ নদীখন বৈ গৈছে। এই কেকুৰীটোত ভৰবাৰিষাৰ নদীখন কেৱল কেকুৰীতে সীমাবদ্ধ নাথাকি পাৰ সমূহ ডুবাই পোনপটীয়াকৈ আবাসিক এলেকাৰ মাজেৰে বৈ যায়। ফলস্বৰূপে সমগ্ৰ অঞ্চলটো ভৰা নদীৰ সোঁতৰ মাজত সোমাই পৰে। নদীৰ পানীয়ে ঘৰৰ চোতাল, বাট-পথ আৰু কৃষিভূমি ডুবাই পেলাই। চলিত বানত আবদ্ধ পানীত পৰি পশ্চিম ধোদাংৰ এজন কৃষক নোমল শইকীয়া মৃত্যু মুখত পৰে। অৱশেষ্য কৃষকজন ঢুকুৱাৰ পিছদিনাই কেবিনেট মন্ত্ৰী অতুল বৰা, সম জিলা প্ৰশাসনৰ বিষয়ববীয়া, সমন্বিতে গাওঁ পঞ্চায়তৰ বিষয়ববীয়া সকল গৈ মৃতকৰ পৰিয়ালৰ কাষত ঠিয়হৈ শোকসন্তপ্ত পৰিয়ালটিক সমবেদনা জ্ঞাপন কৰে। ইয়াৰো পৰি মৃতকৰ পৰিয়ালক ৪ লাখ টকাৰ চেক প্ৰদান কৰে। এই বান অধ্যুষিত বিপৰ্যস্ত এলেকাটোত এতিয়া লৈকে খহনীয়া প্ৰতিৰোধৰ নাই হোৱা কোনো স্থায়ী ব্যৱস্থা। গত বাৰিষাতে নদীৰ কোবাল সোঁতে খহাই নিয়া কৃষি বান্ধ টোৰ মেৰামতিৰ কাম চলিত বাৰিষা লৈকে সম্পূৰ্ন কৰিব নোৱাৰাত এই বাৰিষাটো সমস্যা টোৱে জটিল ৰূপ ধাৰণ কৰে। এলেকাটোত সামান্য ২৫০ মিটাৰ মানৰ এটুকুৰা বান্ধ বালিৰ বস্তা ভৰাই বাৰিষাৰ নদীৰ ভৰানদীৰ সোঁত সামান্য ৰখাবলৈ চেষ্টা কৰা হৈছে যদিও তাৰ পৰা পশ্চিম লৈ থকা পুৰনি কৃষি বান্ধটো এই প্ৰচণ্ড সোঁতে একেবাৰে চিন মোকাম নাইকিয়া কৰি পেলালে। সেই মুক্ত অংশত সম্পুৰ্ন নদীৰ পাৰ ভঙা প্ৰচণ্ড সোঁত সোমাই অহাত আংশিক আবাসিক এলেকাৰ লগতে কৃষি পাম আৰু বিস্তৃত কৃষি ভূমি প্লাবিত হয়। বাৰিষাৰ প্ৰবল বানৰ লগে লগে সেই এলেকাত গড়া খহনীয়াৰ প্ৰকোপ ভয়ংকৰভাৱে বৃদ্ধি পাইছে। অঞ্চলটোত অব্যহত থকা দীৰ্ঘদিনীয়া খহনীয়াৰ পৰিপ্ৰেক্ষিতত এলেকাটোত থকা এটা প্ৰকাণ্ড চুবুৰীৰ এতিয়া চিন মোকাম নাইকিয়া হল। তামোল-পান, ফল-মূলেৰে ভৰা বৃহৎ বাৰীবোৰ এখন এখনকৈ নদীৰ গৰাহত পৰিল। শ শ বিঘা কৃষিভূমি ইতিমধ্যে নদীয়ে খহাই নিলে। বহু পৰিয়ালৰ একমাত্ৰ জীৱিকাৰ উৎস আছিল এই কৃষিভূমি আৰু বাৰী সমূহ। এতিয়া সেই মাটি নদীৰ গহ্বৰত বিলীন হৈ গ'ল। তামোল, পানৰ লাগনি, কল-আম-কঁঠালৰ গছ সকলো নদীৰ সোঁতত উটি ইতিমধ্যে নিচিহ্ন হ'ল। এই স্থানত ধনশিৰি নদীয়ে পুৰণি ঘাই সুতিৰ পৰা প্ৰায় দুই কিলোমিটাৰ অৰ্থাৎ প্ৰায় দু হেজাৰ মিটাৰ আবাসিক এলেকা আৰু বাৰী-ঘৰ খহাই নিজৰ গতিপথ সম্পূৰ্ণৰূপে সলনি কৰি বৰ্তমান পশ্চিম ধোদাং এলেকাৰ ভিতৰলৈ সোমাই আহিল। এই খহনীয়াৰ কবলত পৰি ইতিমধ্যে কুৰিৰো অধিক কৃষিজীৱী পৰিয়ালে নিজৰ ঘৰ-বাৰী এৰি দিহিঙে-দিপাঙে স্থানান্তৰিত হ'বলগীয়া হ'ল। আটাইতকৈ চিন্তনীয় বিষয়টো হৈছে বৰ্তমান এই খহনীয়াই পশ্চিম ধোদাং প্ৰাথমিক বিদ্যালয়লৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। নদীৰ পৰা আগতে কমেও দেৰ কিলোমিটাৰ দূৰত অৱস্থিত এই বিদ্যালয়লৈ এতিয়া মাত্ৰ ১০০ মিটাৰমানহে দুৰত্ব বাকী আছে। এই স্থানত অচিৰেই জল সম্পদ বিভাগে খহনীয়া ৰোধৰ ব্যৱস্থা নকৰিলে নদীৰ খহনীয়াৰ কবলত নিচিহ্ন হব এই বিদ্যালয়। স্থানীয় ৰাইজ আৰু অভিভাৱকসকল শংকিত হৈ পৰিছে। এলেকাটোত ধনশিৰি নদীৰ কাল ৰূপে কেৱল পশ্চিম ধোদাংতে সীমাবদ্ধ নাথাকি বালিগাঁও, নগবালি, পাৰগাঁও, বৰাই খোৱাকে আদি কৰি ভালেমান নৈ-পৰীয়া গাঁৱলৈও ভাবুকিৰ সৃষ্টি কৰিছে। এই গাঁওসমূহৰ দৰিদ্ৰ কৃষকসকল এতিয়া নদীৰ মাজুলীত জীৱন ধাৰণ কৰিবলগীয়া হৈছে। প্ৰতি বছৰে বাৰিষা আহিলেই তেওঁলোকে এই ভয়ংকৰ অৱস্থাৰ সন্মুখীন হ'বলগীয়া হয়। স্থানীয় ৰাইজে অভিযোগ কৰিছে যে নদীৰ এই বৃহৎ কেকুৰীটোত বছৰৰ পিছত বছৰ ধৰি প্ৰবল গড়া খহনীয়াৰ সৃষ্টি হৈ আহিছে যদিও সমস্যাৰ কোনো স্থায়ী সমাধান হোৱা নাই। অন্য হাতে এই নদী পথেৰে নুমলীগড়ৰ শোধনাগাৰলৈ অনা বৃহৎ বৃহৎ যন্ত্ৰ পাতিৰ জাহাজৰ চলাচলত বাৰিষা এলেকাটোত খহনীয়াৰ প্ৰকোপ যথেষ্ট বৃদ্ধি পায়। গত বাৰিষাত অহা এখন জাহাজৰ ফেন লাগি নৈ গড়াৰ তলৰ পানী অংশত জাপি থোৱা বালি বস্তা ফালি দিয়াত গড়া হুৰাহুৰে খহে। এই সামগ্ৰিক সমস্যাটো জলসম্পদ বিভাগে সমাধানৰ বাবে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নাই বুলি স্থানীয় লোকে অভিযোগ কৰিছে। গত বাৰিষাত এই এলেকাত সৃষ্টি হোৱা অনুৰূপ সমস্যাৰ সময়ত, কেবিনেট মন্ত্ৰী, অতুল বৰা, জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, সম জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ বিষয়া কৰ্মচাৰী, পঞ্চায়তৰ বিষয়ববীয়া,জন প্ৰতিনিধি, জলসম্পদ বিভাগৰ বিষয়া কৰ্মচাৰী, সকলোৱেই পদাৰ্পন কৰি ৰাইজৰ সমস্যাত সমদুখী হয় যদিও ইয়াৰ স্থায়ী সমাধানৰ পথ প্ৰশস্ত হৈ উঠা নাই। আজিৰ পৰা তিনি দিনৰ পূৰ্বে গুৱাহাটীৰ পৰা অহা গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ এটা উচ্চ পদস্থ বিশেষজ্ঞ দলে এই স্থান পৰিদৰ্শন কৰি যায়। ফলাফল কি হয় সময়েহে ক'ব। এই বৃহৎ দীৰ্ঘদিনীয়া সমস্যাটোত পঞ্চায়তৰ জব কাৰ্ডৰ দুচপৰা মাটিৰে এপাচি কচুশাকত এটা জালুকেৰে সাময়িক সঁকাহ দিয়াৰ প্ৰয়াস কৰা হৈছে যদিও ভৰ বাৰিষাৰ প্ৰবল সোঁতত উটি গৈছে পঞ্চায়তীৰাজৰ সপোন। একেই আছে প্ৰতিবছৰৰ তিথিৰ মুৰত পানীচলু দিয়া পশ্চিম ধোদাংৰ সমস্যাৰ শৰাধ। সেয়েহে স্থানীয় লোকসকলে মন্ত্ৰীৰ তৎকালীন হস্তক্ষেপ আৰু স্থায়ী প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ পুনৰ আহ্বান জনাইছে। জলসম্পদ বিভাগে তৎকালীন ভাবে গড়া-খহনীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ নকৰিলে পশ্চিম ধোদাংৰ দৰিদ্ৰ কৃষকসকলৰ জীৱন সম্পূৰ্ণৰূপে অনিশ্চয়তাৰ মাজত ককবকাই থাকিব লাগিব। অন্যথা প্ৰতি বছৰে বাৰিষা আহিলেই এই অঞ্চলৰ দৰিদ্ৰ ৰাইজৰ জীৱন আৰু জীৱিকা সংকটত পৰিব। ভুক্তভোগী ৰাইজে এতিয়াও আশা কৰিছে যে চৰকাৰ আৰু জলসম্পদ বিভাগে এই দীৰ্ঘদিনীয়া সমস্যাৰ অচিৰেই স্থায়ী সমাধানৰ ব্যৱস্থা হাতত ল'ব।

ধৰ্ষণক কেন্দ্ৰ কৰি তালাপত উত্তেজনা; ধৰ্ষণকাৰীক এনকাউণ্টাৰ কৰাৰ দাবীত ৰাষ্ট্ৰীয় পথ অবৰোধ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ আগষ্ট ঃ তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত খোবাং চাহবাগিচাত কালি সংঘটিত হোৱা এটা লজ্জাজনক ঘটনাত জড়িত ব্যক্তিক কঠোৰতম শাস্তি প্ৰদানৰ দাবীত আজি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ঘটনাৰ বিবৰণী মতে, কালি চাহ বাগিচাখনৰ পাপু আহমেদ নামৰ লোকজনে এগৰাকী বিশেষভাৱে সক্ষম যুৱতীক চাহ বাগিচাৰ মাজত ধৰ্ষণ কৰি নগ্ন অৱস্থাত পেলাই থৈ যায়। এই ঘটনাৰ কথা জানিব পাৰি ৰাইজে পাপু আহমেদৰ ঘৰ ঘেৰাও কৰি ৰখাৰ সময়তে তালাপ আৰক্ষীয়ে পাপু আহমেদক গ্ৰেপ্তাৰ কৰি ডুমডুমা থানালৈ স্থানান্তৰ কৰে। এই ঘটনাৰ বিষয়ে চৌদিশে প্ৰচাৰ হোৱাত জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে ৰাইজ উত্তেজিত হৈ পৰে। আজি ধৰ্ষণকাৰীক এনকাউণ্টাৰ কৰা আৰু অভিযুক্ত পাপু আহমেদৰ বাসগৃহ উচ্চেদ কৰাৰ দাবীত তালাপ বাইপাছত ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰে। গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত ৰূপায়ণ কৰা এই কাৰ্যসুচীত গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত কেউখন আঞ্চলিক সমিতি, সদৌ অসম ছাত্ৰ সন্থা, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজে সহযোগ কৰে। কাৰ্যসূচীত অংশ লৈ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগে অভিযুক্ত ধৰ্ষণকাৰীক এনকাউণ্টাৰৰ দৰে কঠোৰতম শাস্তিৰ ব্যৱস্থা কৰাৰ দাবী তোলে, যাতে ধৰ্ষণকাৰীৰ মন মগজুত ভয়ৰ সঞ্চাৰ হয়। তদুপৰি ছাত্ৰ নেতাগৰাকীয়ে বৰ্তমান সমাজত চলি থকা এইধৰণৰ কুকাৰ্যৰ মুল কাৰণ অবৈধ ভাবে মদ, ভাং, কানি, ড্ৰাগছ আদি চলি থাকিবলৈ দিয়াটো বুলি স্পষ্ট কৰি দিয়ে।

উজনিৰ বান পীড়িতলৈ ৭০ হাজাৰ টকাৰ আৰ্থিক সাহায্য

ভাৰতীয় চিকিৎসক সন্থাৰ বিশ্বনাথ শাখাৰ চিকিৎসা শিক্ষা সভা

অসম বাৰ্তা, জিনজিয়া, ৮ আগষ্ট ঃ ভাৰতীয় চিকিৎসক সন্থাৰ বিশ্বনাথ শাখাৰ উদ্যোগত কালি নগৰৰ হোটেল ৰয়েল পেলেচত ডাঃ নাৰায়ণ উপাধ্যায়ৰ সভাপতিত্বত এখনি চিকিৎসা শিক্ষা সভা অনুষ্ঠিত হয়। সন্থাৰ সম্পাদক ডাঃ মনজিৎ কটকীয়ে আঁত ধৰা অনুষ্ঠানত প্ৰথমেই উজনি অসমৰ বানত ক্ষতিগ্ৰস্ত সকলৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ কৰি মৃত লোক সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য যে ইতিমধ্যে সন্থাৰ সদস্য সকলৰ দান বৰঙনিৰ পৰা প্ৰায় সত্তৰ হাজাৰ টকা চিকিৎসক সন্থাৰ ৰাজ্যিক পুঁজিলৈ আগবঢ়োৱা হয় আৰু চিকিৎসক মণ্ডলি এই মহানুভৱতাৰ বাবে সম্পাদক ডাঃ মনজিৎ কটকীয়ে সদস্য সকলক ধন্যবাদ জনায়। চিকিৎসা সভাৰ এইবাৰৰ বিষয় আছিল কাঁহ জ্বৰ আৰু অস্ত্ৰোপচাৰৰ আগতে হৃদৰোগ জটিলতা। কাঁহ জ্বৰৰ ওপৰত প্ৰথম বক্তা হিচাপে ডাঃ প্ৰবীণ কাকতিয়ে কাঁহ জ্বৰৰ ঔষধৰ বিষয়ে বিশদ ব্যাখ্যা ডাঙি ধৰি প্ৰয়োজনীয় আলোচনা আগবঢ়ায়। আনহাতে দ্বিতীয়জন বক্তা ডাঃ ইয়াছিন আহমেদে অস্ত্ৰোপচাৰৰ আগত ৰোগীৰ হৃদৰোগ সম্পৰ্কীয় জটিলতা ধৰা পেলাই তাক নিৰাময় কৰি যাতে অস্ত্ৰোপচাৰ সুকলমে কৰিব পাৰি সেই বিষয়ে আলোচনা কৰে। সভাত সহায়ক ব্যক্তি হিচাবে উপস্থিত থাকে ডাঃ দুলাল শৰ্মা আৰু ডাঃ ধ্ৰুৱ ফুকন। সভাত ডাঃ অমল শইকীয়া, ডাঃ নৃপেন শইকীয়া, ডাঃ বিকাশ চৰকাৰ, ডাঃ বেণুধৰ দেউৰী, ডাঃ চন্দ্ৰকান্ত বৰা, ডাঃ এলিজা ডেকা, ডাঃ সৌৰভ গোস্বামী, ডাঃ ৰঞ্জিত দাস, ডাঃ মুকুন্দ বৰা, ডাঃ নৰেন কুটুম, ডাঃ বিপুল পাল, ডাঃ পুলক গগৈ, ডাঃ মিতালী বৰবৰা, ডাঃ চিন্ময়ী বৰা, ডাঃ প্ৰাঞ্জল শইকীয়া, ডাঃ জীৱন জ্যোতি তেলী, ডাঃ বিষ্ণু শৰ্মা, ডাঃ ষ্টিফেন কেণ্ট, ডাঃ দেৱযানী দাস, ডাঃ ৰাজেন কুমাৰ দাস, ডাঃ বিষ্ণু কামান, ডাঃ ৰিনিচা গৌতম, ডাঃ বিশাখা সুবেদী, ডাঃ ময়ূৰী বৰা, ডাঃ শ্বাহিন আখটাৰ, ডাঃ সুশান্ত খাৰঘৰীয়া, ডাঃ ইন্দ্ৰাণী বৰা, ডাঃ বিচিত্ৰ গগৈ আদিকে ধৰি আন বহু কেইজন কনিষ্ঠ চিকিৎসক উপস্থিত থাকে।

ডিব্ৰুগড়ৰ লাহোৱালত হোৱা গুলীচালনাৰ অভিযুক্ত দিব্যজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ ৰাজ্য কঁপাই যোৱা দুলীয়াজানৰ ডিম্পী নেওগ হত্যাকাণ্ডৰ মূল অভিযুক্ত দিব্যজ্যোতি বৰুৱাই সংঘটিত কৰিলে আন এক লোমহৰ্ষক কাণ্ড। ২১ জুলাইৰ নিশা লাহোৱালৰ ঘোঁৰামৰা তিনিআলিত দিব্যজ্যোতিয়ে সংঘটিত কৰিছিল এক চাঞ্চল্যকৰ গুলীচালনাৰ ঘটনা। এই গোচৰতে আৰক্ষীয়ে মূল অভিযুক্ত দিব্যজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ বিবৰণী অনুসৰি, বিলাহী বাহনত দিব্যজ্যোতি বৰুৱাৰ নেতৃত্বত অহা এটা দলে চাবুৱাৰ ৰংচঙী কপহুৱা গাঁৱৰ ৰণ্টু গগৈ, দ্বীপজ্যোতি গগৈ আৰু মিথু গগৈ নামৰ তিনিজন যুৱকক একেখন দুচকীয়া বাহনত ডিব্ৰুগড় অভিমুখে গৈ থকা অৱস্থাত ঘোঁৰামৰা পথত আগুচি ধৰে। দিব্যজ্যোতিয়ে দুচকীয়া বাহনত যাত্ৰা কৰি থকা যুৱককেইজনক লক্ষ্য কৰি আক্ৰমণ চলায়। তেওঁ ৰণ্টুক ভৰিত গুলীয়াই আঘাত কৰাৰ লগতে দ্বীপজ্যোতি আৰু মিথুক গাড়ীৰে মহতিয়াই থৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইফালে গুৰুতৰভাৱে আহত হোৱা দ্বীপজ্যোতিক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও ২৪ জুলাইত তেওঁ মৃত্যুক আকোৱালি লয়। উল্লেখনীয় যে, ২০১৭ চনত ৰাজ্য কঁপোৱা ডিম্পী নেওগ হত্যাকাণ্ডৰো অন্যতম অভিযুক্ত আছিল এই দিব্যজ্যোতি। এই সমগ্ৰ ঘটনা সন্দৰ্ভত ডিব্ৰুগড় আৰক্ষীয়ে এক সংবাদমেল সম্বোধন কৰি গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰে। আৰক্ষীয়ে জনোৱা মতে, ২২ জুলাইৰ নিশা প্ৰায় ১.৩০ তিনি যুৱক দিব্যজ্যোতি গগৈ, ৰণ্টু গগৈ আৰু মিথু গগৈ মটৰ চাইকেলেৰে ডিব্ৰুগড়ৰ ফালে গৈ থকা অৱস্থাত পথ দুৰ্ঘটনা হৈ আহত হৈছিল। কিন্তু তাৰ পিছৰ দিনা আৰক্ষীয়ে খবৰ পায় যে এজন যুৱকৰ গাত গুলীবিদ্ধ হৈছে। পৰৱৰ্তী সময়ত অধিক তদন্ত চলাই আৰক্ষীয়ে গম পায় যে ২২ জুলাইৰ নিশা দিব্যজ্যোতি বৰুৱা ওৰফে দিজু নামৰ ব্যক্তিজনে ৰণ্টু গগৈৰ ওপৰত গুলীচালনা কৰিছিল। এই সন্দৰ্ভত আৰক্ষীয়ে লাহোৱাল আৰক্ষী থানাত ৩২/২০২৬ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৬১ (২)/১০৬ (১)/১১৮ (২)/১০৯১/৩৫ আৰু আৰ্মছ এক্টৰ অন্তৰ্ভুক্ত কৰা হৈছে। আৰক্ষীয়ে মূল অভিযুক্ত দিব্যজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰি প্ৰাথমিক জেৰা অব্যাহত ৰাখিছে আৰু আদালতলৈ প্ৰেৰণ কৰিছে। আদালতৰ পৰা জিম্মাত পোৱাৰ পিছত এই কাণ্ডত আৰু কোন কোন লোক জড়িত আছে সেই বিষয়ে অধিক তথ্য পোহৰলৈ আহিব বুলি আৰক্ষীয়ে আশা প্ৰকাশ কৰে। আৰক্ষীৰ সংবাদমেলত উত্থাপন হোৱা আন এক গুৰুত্বপূৰ্ণ প্ৰসংগ হ'ল যে, প্ৰায় আঠ বছৰ পূৰ্বে ডিম্বেশ্বৰ গগৈৰ নামৰ এগৰাকী নাৰীৰ হত্যাকাণ্ডত জড়িত থকা আৰু তাৰ পিছত পলাই ফুৰা দিব্যজ্যোতি বৰুৱাৰ হাতলৈ পুনৰ পিষ্টলটো কেনেদৰে আহিল? ২০১৭ চনৰ পুৰণি দুটাকৈ গোচৰ থকা এই লোকজনৰ বৰ্তমানৰ গুলী চলোৱা কাণ্ডত ব্যৱহৃত পিষ্টলটো এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। আৰক্ষীয়ে জনোৱা মতে, প্ৰাথমিক তদন্তৰ স্তৰত থকা এই ঘটনাত ব্যৱহৃত পিষ্টলটো উদ্ধাৰ হোৱাৰ পিছতহে সেয়া বৈধ নে অবৈধ সেই কথা নিশ্চিত কৰিব পৰা যাব। ইয়াৰোপৰি, যোৱা বছৰৰ ঘটনাৰ সময়ত বুঢ়ীদিহিং নদীত পেলাই দিয়া বুলি কৈ আৰক্ষীক বিপথে পৰিচালিত কৰা আৰু অন্যান্য বিষয়সমূহৰ সত্যতা নিৰূপণৰ বাবেও আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। ঘটনাস্থলীত বা নিশা সেই পৰিস্থিতিত অভিযুক্তৰ সহযোগীকৈ আন কোনো ব্যক্তি জড়িত আছিল নেকি, সেই সন্দৰ্ভত প্ৰশ্ন কৰাত আৰক্ষীয়ে কয় যে তদন্ত প্ৰাৰম্ভিক পৰ্যায়ত আছে আৰু তদন্তৰ জৰিয়তে যিকেইজনৰ নাম পোহৰলৈ আহিব, সেই সকলোকেই গ্ৰেপ্তাৰ কৰা হ'ব।

ডিব্ৰুগড়ৰ ছেইণ্ট জেভিয়াৰছ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ মহানিমৰ পুলি বিতৰণ; সাত হাজাৰ পুলি ৰোপণৰ লক্ষ্য

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ষ্টে ফিট্ যোগা চেণ্টাৰৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ ছেইণ্ট জেভিয়াৰছ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ মহানিমৰ পুলি বিতৰণ কৰা হয়। বিশ্ব পৰিৱেশ দিৱসৰ দিনাৰে পৰা আজিলৈকে প্ৰায় ১৬০০ মহানিমৰ পুলি ৰোপণ কৰা হয়। মহানিমৰ পুলি ৰোপণৰ ধাৰাবাহিকতা ৰক্ষা কৰি আৰু প্ৰায় ৭০০০ (সাত হাজাৰ) পুলি ৰোপণৰ কাৰ্যসূচী আৰম্ভ কৰি ডিব্ৰুগড়ৰ ছেইণ্ট জেভিয়াৰছ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আজি ৮০০ (আঠ) শ পুলি বিতৰণ কৰা হয়। অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান ৰাহুল মুন্দাই মহানিমৰ উপকাৰিতাৰ কথা উল্লেখ কৰে আৰু ষ্টে ফিট্ যোগা চেণ্টাৰৰ সঞ্চালকক তেওঁৰ এই কামৰ শলাগ লয়। মহানিমকে ৰোপণৰ বাবে কিয় বাছি লোৱা হ'ল তাৰ উত্তৰত ষ্টে ফিট্ যোগা চেণ্টাৰৰ সঞ্চালক জগদীশ ভৰালীয়ে কয় যে মহানিম হ'ল এক মহৌষধ গছ। ইয়াৰ উপকাৰিতাৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। বৰ্তমান জলবায়ুৰ পৰিৱৰ্তন ঘটিছে সেয়ে আমি প্ৰত্যেকেই এজোপা মহানিমৰ পুলি ৰোপণ আৰু প্ৰতিপালন কৰা অতিকৈ জৰুৰী। আমি প্ৰত্যেকেই যদি এজোপাকৈ মহানিম ৰোপণ আৰু প্ৰতিপালন কৰো তেতিয়াহে আমি পৰিৱেশ সংৰক্ষণ কৰিব পাৰিম। জলবায়ুৰ পৰিৱৰ্তনৰ বাবে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ হ'বলৈ ধৰিছে। শিৱসাগৰত যি বানপানীৰ সৃষ্টি হ'ল সেয়াও জলবায়ুৰ পৰিৱৰ্তনৰেই ফল। যোগ প্ৰশিক্ষক জগদীশ ভৰালী কয় যে আমি যোগৰ জৰিয়তে সুস্থ থকাৰ লগতে সুখাদ্য ও যিদৰে প্ৰয়োজনীয়, ঠিক সেই দৰে আমাৰ চৌপাশৰ পৰিৱেশো আমাৰ দৈনন্দিন জীৱনত বহুত প্ৰভাৱ আছে। সেয়ে আমি প্ৰত্যেকেই এজোপা কৈ মহানিম পুলি ৰোপণ আৰু প্ৰতিপালন কৰি এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি কৰোঁহক।

ডুমডুমাত তিনিটাকৈ নৱনিৰ্মিত পথ উদ্বোধন বিধায়ক ৰূপেশ গোৱালাৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ আগষ্ট ঃ ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই সমষ্টিটোৰ অন্তৰ্গত SOPD-G ২০২৪-২৫ (Tea Garden) আঁচনিৰ অধীনত লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া, মাকুম, ডুমডুমা, শদিয়া ক্ষেত্ৰীয় পথ সংমণ্ডলে নিৰ্মাণ কৰি উলিওৱা তিনিটা পথ আজি উদ্বোধন কৰি ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। ইয়াৰে দুটা দৈমুখীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত আৰু এটা টিপুক গাঁও পঞ্চায়তৰ অন্তৰ্গত। ইয়াৰে দৈমুখীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰূপবন প্ৰাথমিক বিদ্যালয়ৰ পৰা বিছাকুপি ট্ৰলী লাইন হৈ ডুমডুমা - বাঘজান পথক সংযোগ কৰা ১.২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নৱনিৰ্মিত পথটো উদ্বোধন কৰি বিধায়ক গোৱালাই এই পথটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাত অঞ্চলটোৰ ৰাইজ আৰ্থ-সামাজিক দিশত উপকৃত হ'ব আৰু নিত্য-নৈমিত্তিক কাম-কাজসমূহ কৰাত সহায় হ'ব বুলি আশা প্ৰকাশ কৰে। এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই পথটো ফিতা কাটি বিধায়ক গোৱালাই উদ্বোধন কৰাৰ পূৰ্বে স্থানীয় বাসিন্দা তথা সমাজকৰ্মী অভিজিৎ খাটনিয়াৰে নাৰিকল ভাঙে। ৰাইজৰ অনুৰোধ ৰক্ষা কৰি পথটি নিৰ্মাণ কৰোৱাই দিয়াৰ বাবে অঞ্চলটোৰ ৰাইজৰ হৈ অভিজিৎ খাটনিয়াৰে বিধায়কগৰাকীক এখন ফুলাম গামোচাৰে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে পথটোৰ কেইটামান নিৰ্দিষ্ট স্থানত সৌৰ চাকিৰ ব্যৱস্থা কৰি দিবলৈও তেওঁ ৰাইজৰ হৈ বিধায়কগৰাকীক অনুৰোধ জনায়। স্থানীয় যুৱ সমাজকৰ্মী প্ৰদীপ চক্ৰৱৰ্তীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ডুমডুমা আঞ্চলিক পঞ্চায়তৰ সভাপতি ভাৰত ভাজনী, দৈমুখীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী দ্বীপমালা কৰ্মকাৰ, কাউন্সিলাৰ বিকি তাঁতী, ৱাৰ্ড সদস্য ৰত্না মণ্ডল প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু দলীয় নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে বিধায়কগৰাকীয়ে দৈমুখীয়া চাহ বাগিচাৰ বজাৰৰ পৰা ১২ নং লাইনলৈ নতুনকৈ নিৰ্মাণ কৰা পথটিৰো শুভ উদ্বোধন কৰে। পাছত বিধায়কগৰাকীয়ে টিপুক গাঁও পঞ্চায়তৰ অন্তৰ্গত টিপুক চাহ বাগিচাৰ ১০ নং লাইন তিনিআলিৰ পৰা নেপালী বস্তিলৈকে নতুনকৈ নিৰ্মাণ কৰা পথটিৰো শুভ উদ্বোধন কৰে।

গোলকগঞ্জত দুই মাহ ধৰি নিৰুদ্দেশ পোষ্টমেন বৰুন দাসঃ তদন্তত গাফিলতিৰ অভিযোগ; আৰক্ষী-প্ৰশাসনৰ ভূমিকাক লৈ পৰিয়ালৰ ক্ষোভ

অসম বাৰ্তা, গোলকগঞ্জ, ৮ আগষ্ট ঃ ধুবুৰী জিলাৰ গোলকগঞ্জৰ বাসিন্দা তথা পেছাত পোষ্টমেন বৰুন দাস যোৱা ৮ জুনৰ পৰা নিৰুদ্দেশ হৈ থকাৰ ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিৰুদ্দেশ হোৱাৰ প্ৰায় দুই মাহ অতিক্ৰম হোৱাৰ পিছতো তেওঁৰ কোনো সন্ধান নোপোৱাত পৰিয়ালটো গভীৰ উদ্বেগত দিন পাৰ কৰিছে। পৰিয়ালৰ অভিযোগ অনুসৰি, নিৰুদ্দেশৰ ঘটনাৰ পিছতেই গোলকগঞ্জ আৰক্ষী থানাত লিখিত অভিযোগ দাখিল কৰা হৈছিল। কিন্তু অভিযোগৰ ভিত্তিত এতিয়ালৈকে কোনো সন্তোষজনক তদন্ত বা দৃশ্যমান অগ্ৰগতি হোৱা নাই বুলি তেওঁলোকে দাবী কৰিছে। ইয়াৰ ফলত পত্নী আৰু একমাত্ৰ পুত্ৰই নিজাববীয়াকৈ বিভিন্ন ঠাইত বৰুন দাসৰ সন্ধান অব্যাহত ৰাখিবলৈ বাধ্য হৈছে। পৰিয়ালৰ অভিযোগ মতে, বৰুন দাসৰ নামত Bajaj Finance-ৰ পৰা প্ৰায় ৬ লাখ টকাৰ ঋণ লোৱাৰ লগতে ৰেফ্ৰিজাৰেটৰ আৰু স্মাৰ্টফোন ক্ৰয় কৰা হৈছে। এই ঘটনাৰ সৈতে মুন্নী প্ৰসাদ দাস নামৰ এগৰাকী মহিলাৰ নাম জড়িত বুলি পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। পৰিয়ালৰ দাবী অনুসৰি, বিগত দুবছৰ তেওঁলোক ৰাজস্থানত পুত্ৰৰ পঢ়া-শুনাৰ বাবে থকাৰ সময়ছোৱাত উক্ত মহিলাই বৰুন দাসৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলি আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত কৰে। লগতে, বৰুন দাস নিৰুদ্দেশ হোৱাৰ আঁৰত আত্মহত্যাৰ বাবে প্ৰৰোচনা অথবা তেওঁক লুকুৱাই ৰখাৰ সম্ভাৱনাও উক্ত মহিলাৰ সৈতে জড়িত থাকিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। অৱশেষ্য ইয়াৰ মাজতে এছডিআৰএফে গংগাধৰ নৈত তিনি দিন ধৰি অনুসন্ধান অভিযান চলাইছিল যদিও কোনো সফলতা লাভ কৰা নাছিল। আনহাতে, বৰুন দাস নিৰুদ্দেশ হৈ থকাৰ সময়ছোৱাত Bajaj Finance-ৰ প্ৰতিনিধিসকলে ঋণ পৰিশোধৰ বাবে ঘৰত আহি হেঁচা আৰু ভাবুকি প্ৰদান কৰি থকা বুলি পৰিয়ালে অভিযোগ কৰিছে। সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি পৰিয়ালে গোলকগঞ্জ আৰক্ষী আৰু জিলা প্ৰশাসনৰ ভূমিকাক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁলোকৰ দাবী, যদি তদন্ত অধিক সক্ৰিয় আৰু দ্ৰুতগতিত চলোৱা হ'লহেঁতেন, তেন্তে এতিয়ালৈকে কোনো গুৰুত্বপূৰ্ণ সূত্ৰ লাভ কৰিব পৰা গ'লহেঁতেন। পৰিয়ালে অসম আৰক্ষী আৰু জিলা প্ৰশাসনৰ ওচৰত ঘটনাটোৰ নিৰপেক্ষ, দ্ৰুত আৰু উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে, যাতে নিৰুদ্দেশ বৰুন দাসৰ সন্ধান উদ্ধাৰ হয় আৰু ঘটনাটোৰ প্ৰকৃত সত্য পোহৰলৈ আহে।

গোসাঁইগাঁৱৰ হাছৰাওবাৰীত আজমল কলেজ অৱ আৰ্টছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ফ্ৰেছাৰ মিট

অসম বাৰ্তা, গোসাঁইগাঁও, ৮ আগষ্ট ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত হাছৰাওবাৰীস্থিত আজমল কলেজ অৱ আৰ্টছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত নৱাগত শিক্ষাৰ্থীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে এক বৰ্ণাঢ্য ফ্ৰেছাৰ মিট অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, নৱাগত শিক্ষাৰ্থী আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। নতুন শিক্ষাৰ্থীসকলক শিক্ষানুষ্ঠানখনৰ শৈক্ষিক পৰিৱেশ, নিয়ম-নীতি আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যকলাপৰ সৈতে পৰিচয় কৰাই দিয়াৰ লগতে তেওঁলোকক উৎসাহিত কৰাৰ উদ্দেশ্যৰে অনুষ্ঠানটোৰ আয়োজন কৰা হয়। অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী মত-বিনিময় আৰু মনোৰঞ্জনমূলক পৰিৱেশে বিশেষ আকৰ্ষণ সৃষ্টি কৰে। বিদ্যালয় কৰ্তৃপক্ষই নৱাগতসকলক অধ্যয়নৰ লগতে শৃংখলা, নৈতিকতা আৰু সৃষ্টিশীলতাক গুৰুত্ব দি আগবাঢ়ি যাবলৈ আহ্বান জনায়। ফ্ৰেছাৰ মিটৰ জৰিয়তে নৱাগত শিক্ষাৰ্থীসকলৰ মাজত আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে জ্যেষ্ঠ আৰু কনিষ্ঠ শিক্ষাৰ্থীৰ মাজত এক সুন্দৰ সম্পৰ্ক গঢ়ি তোলাৰ পৰিৱেশ সৃষ্টি হয়। অনুষ্ঠানটোৱে শিক্ষাৰ্থীসকলৰ মাজত নতুন উদ্যম আৰু উৎসাহৰ সঞ্চাৰ কৰাৰ লগতে বিদ্যালয়খনৰ শৈক্ষিক আৰু সামাজিক পৰিৱেশক অধিক সজীৱ কৰি তোলে।

উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বার্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অৱসৰ প্ৰাপ্ত অধ্যক্ষ ফনীধৰ টাহুৰে এটি গছপুলি ৰোপণ কৰে। স্মৃতি তৰ্পণ অনুষ্ঠানত উজনি অসমৰ তিনিখন জিলাত বান পানীত মৃত্যু বৰণ কৰা সকলৰ আত্মাৰ সদ্গতি কামনা কৰি এক মিনিট সময় ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনোৱা হয়। দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাখন তৃষ্ণা শইকীয়াই পৰিবেশন কৰা এটি বৰগীতেৰে আৰম্ভ কৰা হয়। অধ্যাপক ডাঃ উপেন বৰাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয় খনৰ অধ্যক্ষ ডাঃ জাহ্নবী লহকৰ বৰকাই। উদ্‌াধ্যক্ষ ৰমেন চুতীয়াই উদ্বোধনী ভাষণত ১৯৭৩ চনত উজনি মাজুলী প্ৰতিষ্ঠা হোৱা উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা সকলৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত "মহাবিদ্যালয় সৰ্বাংগীণ উন্নয়ন খনৰ ক্ষেত্ৰত বাইজৰ ভূমিকা" শীৰ্ষক বিষয় বস্তুৰ ওপৰত অনুষ্ঠিত হোৱা আলোচনা চক্ৰ উদ্বোধন কৰি মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অৱসৰ প্ৰাপ্ত অধ্যক্ষ কালিমা কুলিয়ে উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অৱসৰ প্ৰাপ্ত অধ্যক্ষ ফনীধৰ টাহুৰে আলোচনাত অংশগ্ৰহণ কৰি স্মৃতি ৰোমন্থন কৰাৰ লগতে মহাবিদ্যালয় খনত অনাগত দিনত নতুন নতুন পাঠ্যক্ৰম সংযোজন কৰাৰ গুৰুত্ব আৰোপ কৰা আৰু আত্ম গাঁথনি উন্নয়নৰ ক্ষেত্ৰত বহু মূলীয়া পৰামৰ্শ প্ৰদান কৰে। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয় প্ৰাক্তন অৰ্থনীতি বিভাগৰ অধ্যাপক তথা জেংৰাই মুখ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ডঃ কমলা কান্ত দত্তই আলোচনা চক্ৰত অংশ গ্ৰহণ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত দক্ষতা বিকাশৰ ওপৰত শিক্ষা প্ৰদান কৰাৰ লগতে প্ৰতিষ্ঠাপক অধ্যক্ষ ফনীধৰ টাহুৰ এটি আৱক মূৰ্তি স্থাপন কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। ইয়াবোপৰি মিচিং স্বায়ত্ত শাসিত পৰিষদৰ ৩০ নং চাংগা সমষ্টিৰ সাধাৰণ সদস্য নীল কান্ত দলে, অৱসৰ প্ৰাপ্ত শিক্ষক কলিতা, ৰবৰিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ডিচেম্বৰ খনিকৰ, চুতীয়া জাতি উন্নয়ন পৰিষদৰ সদস্য উমেশ শইকীয়া, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ ৩০নং চাংগা সমষ্টিৰ সাধাৰণ সদস্য নীল কান্ত দলে, সাংবাদিক তথা অৱসৰ প্ৰাপ্ত শিক্ষক সঞ্জীৱ কুমাৰ দত্ত, অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী ভাৰতী দুৱৰা, অৱসৰ প্ৰাপ্ত সৈনিক মোহন বৰা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ক্ৰমে অজিৎ গাম, ভাৰতী দলেক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ডাঃ বিউটি গগৈয়ে কবিতা আবৃত্তি, ছাত্ৰী গায়ত্ৰী শইকীয়াই সৃষ্টি শীল নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানটো উপভোগ্য কৰি তোলে। শলাগৰ বাবেই আগবাঢ়ই মহাবিদ্যালয় খনৰ আভ্যন্তৰীণ মান নিৰ্বাণ কোষৰ সমন্বয়ক দুৰ্লভ বৰাই। তথা সাংবাদিক সঞ্জীৱ কুমাৰ দত্ত, চুতীয়া জাতি উন্নয়ন পৰিষদৰ সদস্য উমেশ শইকীয়া, অৱসৰ প্ৰাপ্ত অধ্যক্ষ কুসুম দত্ত, অৱসৰ প্ৰাপ্ত অধ্যাপক ক্ৰমে দিলীপ কুমাৰ ফুকন, গণেশ হাজৰিকা, মনি কান্ত মিলি, অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক ডিস্কেশ্বৰ খনিকৰ, জোনাকী ছমহীয়াআটী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ গিৰিধৰ কলিতা, ৰবৰিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ডিচেম্বৰ খনিকৰ, চুতীয়া জাতি উন্নয়ন পৰিষদৰ সদস্য উমেশ শইকীয়া, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ ৩০নং চাংগা সমষ্টিৰ সাধাৰণ সদস্য নীল কান্ত দলে, সাংবাদিক তথা অৱসৰ প্ৰাপ্ত শিক্ষক সঞ্জীৱ কুমাৰ দত্ত, অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী ভাৰতী দুৱৰা, অৱসৰ প্ৰাপ্ত সৈনিক মোহন বৰা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ক্ৰমে অজিৎ গাম, ভাৰতী দলেক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ডাঃ বিউটি গগৈয়ে কবিতা আবৃত্তি, ছাত্ৰী গায়ত্ৰী শইকীয়াই সৃষ্টি শীল নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানটো উপভোগ্য কৰি তোলে। শলাগৰ বাবেই আগবাঢ়ই মহাবিদ্যালয় খনৰ আভ্যন্তৰীণ মান নিৰ্বাণ কোষৰ সমন্বয়ক দুৰ্লভ বৰাই।

ইৰাণৰ অপেন এয়াৰ ইণ্টাৰনেশ্যনেল ফিল্ম ফেষ্টিভেলত প্ৰদৰ্শনীৰ বাবে আমন্ত্ৰিত হৈছে চুটি ছবি "উই ইমাজিন আৱাৰ ফিট টু বি ৰেড"

টংলাৰ প্ৰতিভাৱান যুৱক, তথ্য আৰু চুটি ছবি নিৰ্মাতা প্ৰীতম পাটোৱাৰীক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ আগষ্ট ঃ ওদালগুৰি জিলাৰ টংলাৰ প্ৰতিভাৱান যুৱক, তথ্য আৰু চুটি ছবি নিৰ্মাতা প্ৰীতম পাটোৱাৰীয়ে অহা ৮ ছেপ্টেম্বৰৰ পৰা ১২ ছেপ্টেম্বৰলৈ ইৰাণৰ লাহিজানত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় ইৰাণ অপেন এয়াৰ ইণ্টাৰনেশ্যনেল ফিল্ম ফেষ্টিভেললৈ আমন্ত্ৰিত হৈছে। উক্ত অনুষ্ঠানত উদীয়মান চুটি চলচ্চিত্ৰ নিৰ্মাতা প্ৰীতম পাটোৱাৰীৰ "উই ইমাজিন আৱাৰ ফিট টু বি ৰেড" শীৰ্ষক চুটি ছবিখন আন্তঃৰাষ্ট্ৰীয় শাখাত প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ লাভ কৰা খবৰে টংলাৰ লগতে সমগ্ৰ ৰাজ্যখনৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। লগতে বিশেষকৈ টংলা বাসী ৰাইজ উৎফুল্ল হৈ পৰিছে। ২০২৪ চনত যাদৰপুৰ বিশ্ববিদ্যালয়ৰ পৰা চলচ্চিত্ৰ শিক্ষাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰীতম পাটোৱাৰীয়ে ইতিমধ্যেই "এ লিভ ষ্টৰ্ট " (A Leap Short), ৰঙালী(Rongali - Colours of Nature) আৰু অতি শেহতীয়াকৈ উই ইমাজিন আৱাৰ ফিট টু বি ৰেড (We Imagine Our Feet To Be Red) আদি চুটি ছবি আৰু তথ্য চিত্ৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেলত প্ৰদৰ্শনৰ বাবে আমন্ত্ৰিত হৈছে লগতে কলামোডীৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। গৌৰৱৰ বিষয় যে ২০২৪ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগে-লগে প্ৰীতম পাটোৱাৰী নিৰ্দেশিত ৰঙালী(Rongali - Colours of Nature) নামৰ চুটি ছবিখনে মস্কোত অনুষ্ঠিত ফিল্ম ফেষ্টিভেলত যথেষ্ট সমাদৃত হোৱাৰ উপৰিও দশম চূড়ান্ত স্তৰলৈ উন্নীত হৈছিল। এই গৰাকী যুৱ চলচ্চিত্ৰ নিৰ্মাতা প্ৰীতম পাটোৱাৰীয়ে ভবিষ্যতে বাছিয়াত চলচ্চিত্ৰ গৱেষণাৰ উদ্দেশ্যে বৰ্তমান নতুন দিল্লীস্থিত 'বাছিয়ান চেণ্টাৰ অফ চাইল্ড এণ্ড কালচাৰ'ত বাছিয়ান ভাষা অধ্যয়ন কৰি আছে। ভবিষ্যতে বাছিয়াত উক্ত চলচ্চিত্ৰ বিষয়ত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ মন মেলা এই গৰাকী প্ৰতিভাৱান যুৱকে ইৰাণত উক্ত চলচ্চিত্ৰ প্ৰদৰ্শন কৰিবলৈ সাজু হৈছে যদিও পৰিয়ালৰ আৰ্থিক দুৰবস্থাৰ বাধা আহি পৰিছে। অসম তথা দেশৰ হৈ প্ৰতিনিধিত্ব কৰিবলগীয়া প্ৰীতম পাটোৱাৰীয়ে জনপ্ৰতিনিধি, সদাশয় ব্যক্তি বিশেষে আৰু দল সংগঠনৰ ওচৰত আৰ্থিক সহায়ৰ বাবে অনুৰোধ জনোৱাৰ লগতে অসম তথা দেশৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱৰ বাবে ৰাইজৰ ওচৰত আশীৰ্বাদ বিচাৰিছে। আহক আমি সকলোৱে প্ৰীতম পাটোৱাৰীৰ এই যাত্ৰাত সহায়ৰ হাত আগবঢ়ায় উৎসাহ যোগাও। ৯৭০৬০৩৬৬৪২, ৯১০১৫১৩১০৬ মোবাইল ফোন যোগে প্ৰীতম পাটোৱাৰীৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ।

নামৰূপ মহাবিদ্যালয়ৰ পৰিস্মিতা ৰাজখোৱালৈ 'কান্ত দত্ত সোঁৱৰণী বঁটা, ২০২৬'

অসম বার্তা, নাহৰকটিয়া, ৮ আগষ্ট ঃ আমাৰ সমাজখনত এনে বহু ব্যক্তি আছে যাৰ সামাজিক দায়বদ্ধতাই সময়ে সময়ে একোখন সমাজৰ প্ৰগতি আৰু বিকাশৰ ক্ষেত্ৰত বাৰুকৈয়ে অবদান আগ বঢ়াই আছিল। অসমৰ চুকে কোণে এনে বহু অখ্যাত ব্যক্তি আছে যি নীৰবে কৰা অক্লান্ত প্ৰচেষ্টাই একোখন সমাজক সংগঠিত কৰি প্ৰগতিৰ দিশত আগবাঢ়ই নে যোৱাত ধ্বজাবাহক হিচাপে থিয় দি আছিছে। তেনে এজন ব্যক্তিয়েই হৈছে ডিব্ৰুগড়ৰ লাহোৱাল নিবাসী স্বৰ্গীয় কান্ত দত্ত। যাৰ নীৰব, অক্লান্ত আৰু সাহসী প্ৰচেষ্টাই বিগত সময়ত এটা জাতীয় উদ্যোগক বহুবিপদৰ পৰা ৰক্ষা কৰাই নহয়, এটা বৃহৎ অঞ্চলৰ বহু ডেকা লৰাৰ লগতে শতাধিক পৰিয়ালৰ সংসাৰ পোহৰাই তুলিছিল। ডিব্ৰুগড় জিলাৰ হাটখোলা গাঁৱৰ এটা দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা কান্ত দত্তই পৰিয়ালৰ আৰ্থিক দুৰবস্থাৰ বাবে প্ৰতিষ্ঠানগত শিক্ষা এটা পৰ্যায়তেই সামৰি সমগ্ৰ পৰিয়ালটোৰ ভৰণ পোষণৰ দায়িত্ব লব লগীয়া হৈছিল। জীবিকাৰ তাৰণাত তিনিচুকীয়া জিলাৰ বৰডুবি ওৰেণ্ডিঙৰ কাম শিকি ১৯৬৫ চনত নামৰূপ সাৰ কাৰখানাত নিজৰ কৰ্ম জীৱনৰ পাতণি মেলে আৰু পৰবৰ্তী সময়ত ৰুবকিল্লা, ঝাৰখণ্ড আদি ঠাইত কাৰিকৰী শিক্ষাৰ প্ৰশিক্ষণ লাভ কৰে। নামৰূপ ১, ২ আৰু ৩প্লাণ্টৰ বিশাল অৱয়বৰ এইলাইকে হওক বা সৰু বৰ পাইপ লাইনেই হওক, কান্ত দত্ত অবিহনে কোনো ওৰেণ্ডিঙ সেই সময়ত সম্ভৱ নহৈছিল। স্বৰ্গীয় দত্তৰ ওৰেণ্ডিং যেন এডাল সৰল ৰেখা। কাজদক্ষ কৰ্মদক্ষতা কেৱল নামৰূপৰ ভিতৰতে সীমাবদ্ধ নাছিল। সেই সময়ত ই আছিল সমগ্ৰ অসম খ্যাত। নিজৰ কৰ্ম দক্ষতাৰ বাবে উজনি অসমৰ সমগ্ৰ ৰয়লাৰ্ৰ লগতে জাগীৰোড কাগজ কল, বঙাইগাঁও ৰিফাইনেৰী আদিও প্ৰকাৰণ্তে প্ৰয়াত কান্ত দত্তৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। দেশৰ ভিন্ন প্ৰান্তলৈকো বিয়পি পৰিছিল কান্ত দত্তৰ কৰ্ম দক্ষতাৰ খ্যাতি। নামৰূপ সাৰ কাৰখানাটোক বহু বাৰ সম্ভাব্য বিপদৰ পৰা ৰক্ষা কৰাত প্ৰয়াত দত্তৰ অৱদান অপৰিসীম। সাৰ কাৰখানাৰ অনেক গুৰুত্বপূৰ্ণ অৱদানৰ ভিতৰত ইউৰিয়া ২ প্লাণ্টক কাৰিকৰী বিভূতিৰ পৰা পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত কান্ত দত্তৰ নেতৃত্ব তল টলা অভিযান্ত্ৰিক কৰ্ম দক্ষতাই বিগত সময়ত নামৰূপ সাৰ কাৰখানাটোক বহু বাধাৰ প্ৰাচীৰ সৃষ্টি কৰা যুৱ চামক কৰ্মীৰ কৰি তোলাৰ সপোন দেখা কান্ত দত্তই নিজৰ একান্ত ব্যক্তিগত প্ৰচেষ্টাত এনে প্ৰশিক্ষণ আৰম্ভ কৰিছিল। আজিও অঞ্চলটোৰ বহু ঘৰত উন্নয়ন আৰু আশাৰ বন্তি ফুল জ্বলি থকাৰ অন্যতম কাৰণ হৈছে প্ৰয়াত কান্ত দত্ত। এখন সমাজৰ প্ৰগতি আৰু বিকাশৰ ক্ষেত্ৰত নীৰবে অবদান আগ বঢ়াই যোৱা এনে বহু ব্যক্তিক সমাজখনে মনত ৰখাৰ বাবে এনে ব্যক্তি সঁচিকৈয়ে আদর্শ। প্ৰতিষ্ঠানগত শিক্ষা আৰু উচ্চ নম্বৰৰ প্ৰতিযোগিতাৰ বিপৰিতে জ্ঞান আৰু দক্ষতাৰ যোগেদি সমাজখনিক অলেখ অবদান আগবঢ়াই বপৰিয়ালৰ বাবে এনে কিছুব্যক্তি ৰাজকৰ্তা আৰু আদর্শ যে হৈ পৰিব পাৰে প্ৰয়াত কান্ত দত্ত তাৰেই উদাহৰণ। এনে উদাহৰণে নব্য প্ৰজন্মক কেৱল প্ৰেৰণা যোগোৱাই নহয় তেওঁলোকৰ মনত আত্ম বিশ্বাস গঢ়ি তোলাত বাৰুকৈয়ে সহায় কৰিব। সেয়ে এনে ব্যক্তিৰ জীৱনগাথা আলোচনা হোৱাটো এখন সমাজৰ বাবে অতীব প্ৰয়োজনীয়। এই প্ৰয়োজনীয়তাক খাতিৰতেই ২০২৪ বৰ্ষৰ পৰা পৰিয়ালে ২০২৪ বৰ্ষৰ পৰা ডিব্ৰুগড় জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ সহযোগত "কান্ত দত্ত সোঁৱৰণী বঁটা" শীৰ্ষক এক প্ৰচেষ্টা এক আৰম্ভ কৰিছে। বিশিষ্ট শিক্ষাবিদ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাঃ সত্যকাম বৰঠাকুৰ আৰু বিশিষ্ট উদ্যোগী, সমাজকৰ্মী তথা অসম সাহিত্য সভাৰ কৰ্মাধাৰ সদস্য আদিত্য গোস্বামীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় অধীনত অনুষ্ঠিত হোৱা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ২০২৫-২৬ বৰ্ষৰ ষষ্ঠ ষাণ্মাসিক পৰীক্ষাত বাজনীতি বিজ্ঞান বিষয়ত সম্মান সহকাৰে কলা শাখাত নামৰূপ মহাবিদ্যালয় ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা পৰিস্মিতা ৰাজখোৱাক "কান্ত দত্ত সোঁৱৰণী বঁটা, ২০২৬" প্ৰদান কৰে। অধ্যাপক তথা বিশিষ্ট লেখক ডাঃ প্ৰদ্যুম্ন গোস্বামীয়ে আতধ্বা "কান্ত দত্ত সোঁৱৰণী বঁটা" অনুষ্ঠানটোত উপস্থিত থাকে বিশিষ্ট শিক্ষাবিদ তথা নামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ দুৰ্গা প্ৰসাদ গগৈ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ কমলাকান্ত গগৈ, বিশিষ্ট সমাজকৰ্মী মণিকান্ত চেতিয়া, ব্ৰহ্মপুত্ৰ ভেলী সাৰনিগম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বৰ্ণালী চেতিয়া, স্বৰ্গীয় কান্ত দত্তৰ সহধৰ্মিণী নলিনী দত্ত আৰু ডিব্ৰুগড়ৰ বহু বিশিষ্ট ব্যক্তি। অনুষ্ঠানত শলাগ শৰাই আগবঢ়াই অলিমণি দত্তই।

বৰপেটা ৰোডত ডায়গনষ্টিক চেণ্টাৰৰ ভয়ংকৰ কাণ্ড

একেজন ৰোগীৰে ওলাল দুটা ভিন্ন ৰিপৰ্ট, বিপাঙত ৰোগী তথা চিকিৎসক

অসম বার্তা, ৰবপেটা ৰোড, ৮ আগষ্ট ঃ ৰবপেটা ৰোডত একাশ ব্যক্তিগত খণ্ডৰ ডায়গনষ্টিক চেণ্টাৰে মানুহৰ জীৱনক লৈ হেতালি খেলাৰ এক ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। চহৰখনৰ দুখনৈ আগশাৰীৰ ডায়গনষ্টিক চেণ্টাৰ 'অলকেয়াৰ' আৰু 'এডভান্স'ৰ চৰম গাফিলতিৰ বাবে এতিয়া বিপাঙত পৰিছে এজনী দৰিদ্ৰ ৰোগীৰ লগতে চিকিৎসক। প্ৰাপ্ত তথ্য অনুসৰি, মনোৰাৱা খাতুন (৫০) নামৰ এগৰাকী মহিলাই পেটৰ বিষত আক্ৰান্ত হৈ চিকিৎসকৰ কাষ চাপিছিল। চিকিৎসকৰ পৰামৰ্শ অনুসৰি মহিলাগৰাকীয়ে প্ৰথমে ৰবপেটা ৰোডৰ গাৱঁৰি বজাবত অৱস্থিত 'অলকেয়াৰ ডায়গনষ্টিক চেণ্টাৰ'ত ছনোগ্ৰাফী কৰায়। আশ্চৰ্যজনকভাবে, এই খন চেণ্টাৰে প্ৰদান কৰা ৰিপৰ্টত লিভাৰৰ কোনো সমস্যা নাই বুলি উল্লেখ কৰি মহিলাগৰাকীক কিডনীত চিষ্ট (Kidney Cyst) থকা বুলিহে প্ৰকাশ কৰে। এতিয়া প্ৰশ্ন উঠিছে, একেজন ৰোগীৰে একেটা ৰোগৰ বাবে দুখন ভিন্ন ডায়গনষ্টিক চেণ্টাৰে কেনেকৈ দুটা সম্পূৰ্ণ বিপৰীত ৰিপৰ্ট প্ৰদান কৰিব পাৰে? ডায়গনষ্টিক চেণ্টাৰসমূহৰ এনে দায়িত্বহীন কাণ্ডই ৰোগীৰ জীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। দুয়োখন চেণ্টাৰৰ ৰিপৰ্টৰ অমিল দেখি এতিয়া স্বয়ং চিকিৎসকগৰাকীও বুলি জনোৱা হয়। কিন্তু ৰিপৰ্টটো প্ৰত্যক্ষ কৰি চিকিৎসকৰ সন্দেহ ওপজাত তেওঁ পুনৰ পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিয়ে। সেই অনুসৰি মহিলাগৰাকীয়ে এইবাৰ ৰবপেটা ৰোডৰ আমতলত থকা 'এডভান্স ডায়গনষ্টিক চেণ্টাৰ'ত ছনোগ্ৰাফী কৰায়। এই খন চেণ্টাৰে দোমোজাত পৰিছে যে আচলতে ৰোগীগৰাকীৰ চিকিৎসা কোনটো ৰিপৰ্টৰ ওপৰত ভিত্তি কৰি কৰিব! এই ঘটনা পোহৰলৈ অহাৰ পিছতে ৰবপেটা ৰোডৰ সচেতন ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ধন ঘটাৰ লালসাত মানুহৰ জীৱনক লৈ খেলা কৰা এনে ডায়গনষ্টিক চেণ্টাৰসমূহৰ বিৰুদ্ধে কঠোৰ তদন্ত কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে। লগতে, দোষী চেণ্টাৰ দুখনৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰি তলা ওলোমোৱাকৈ দাবী উত্থাপন হৈছে। এতিয়া স্বাস্থ্য বিভাগ তথা প্ৰশাসনে এই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া হ'ব লগীয়া।

শিক্ষাৰ্থীক বিনামূলীয়া ইউনিফৰ্ম আৰু আইৰণ টেবলেট বিতৰণ

লাউপাৰা হাইস্কুলত বিধায়ক নাৰায়ণ ডেকাক সম্বৰ্ধনা

লক্ষ্যত উপনীত হ'বলৈ দৃঢ়তা লাগিবঃ নাৰায়ণ ডেকা

অসম বার্তা, দোলাশাল, ৮ আগষ্ট ঃ নলবাৰী জিলাৰ ৰৰকেত্ৰী অঞ্চলৰ অতিকৈ প্ৰাচীন শিক্ষানুষ্ঠান লাউপাৰা হাইস্কুলত আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰৰকেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাক সম্বৰ্ধনা জনোৱা হয়। ৰৰকেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বিহগী কবি ৰঘুনাথ চৌধাৰীৰ জন্মস্থান লাউপাৰা গাঁৱত ১৯৫০ চনত স্থাপিত লাউপাৰা হাইস্কুলৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আজি বিনামূলীয়া ইউনিফৰ্ম আৰু আইৰণ টেবলেট বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে বিধায়ক নাৰায়ণ ডেকাই। দশম শ্ৰেণীৰ ছাত্ৰী পৰীক্ষিতা দাসৰ ৰবগীত পৰিবেশনেৰে আৰম্ভ হোৱা সভাখনত সভাপতিত্ব কৰে লাউপাৰা গাঁও পৰিচালনা সমিতিৰ সভাপতি ভবিন মেধিয়ে। লাউপাৰা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজেন ডেকাই আঁত ধৰা অনুষ্ঠানটোত বিধায়ক নাৰায়ণ ডেকাক গামোচা, জাপি, শৰাই, কলস, গছপুলি, মানপত্ৰ আদিৰে পৃথকে পৃথকে সম্বৰ্ধনা জনায় বিদ্যালয়ৰ শিক্ষক গোট, ছাত্ৰ একতা সভা আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে। তদুপৰি শিক্ষানুষ্ঠানখনৰ ভালেকেইগৰাকী শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগতভাবে সম্বৰ্ধনা জনায় বিধায়ক নাৰায়ণ ডেকাক। ইয়াৰ পাছতেই বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক চৰকাৰে যোগান ধৰা ইউনিফৰ্ম আৰু আইৰণ টেবলেট বিতৰণ অনুষ্ঠানটো উদ্বোধন কৰে নাৰায়ণ ডেকাই। সভাত বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী আৰিফা পাৰবিন আৰু নৱম শ্ৰেণীৰ ছাত্ৰী জেনিফা পাৰবিনে বিদ্যালয়ৰ বিগুত খোৱা পানীৰ সমস্যা, শৌচাগাৰ, অতিৰিক্ত শ্ৰেণীকোঠা, পৰ্যাপ্ত শিক্ষকৰ সমস্যাকে ধৰি বিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগসমূহ দাঙি ধৰে। সভাত বিধায়ক নাৰায়ণ ডেকাই ভাষণ প্ৰদান কৰি কয় যে- নতুন শিক্ষা নীতিৰ আধাৰত চৰকাৰে সংবেদনশীলভাৱে শিক্ষা ব্যৱস্থাৰ হকে কাম কৰি আছিছে। পৰ্যায়ক্ৰমে অসমৰ শিক্ষা ব্যৱস্থাৰ মান অধিক উন্নত হৈছে। বিধায়ক নাৰায়ণ ডেকাই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে ভাষণ প্ৰদান কৰি কয় যে- লক্ষ্যত উপনীত হ'বলৈ দৃঢ়তা লাগিব, সেয়ে ছাত্ৰ-ছাত্ৰীসকলে প্ৰাথমিক পৰ্যায়তে লক্ষ্য স্থিৰ কৰিব লাগিব। বিধায়ক নাৰায়ণ ডেকাই ভাষণ প্ৰসংগত বিদ্যালয়ৰ অভাৱ-অভিযোগসমূহ পৰ্যায়ক্ৰমে দূৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ধাৰেশ্বৰ মেধি, বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভাবত চন্দ্ৰ হালৈকে প্ৰমুখ্য কৰি অঞ্চলটোৰ ভালেসংখ্যক বিদ্যানুৰাগী ব্যক্তি উপস্থিত থাকে।

ডিব্ৰুগড়ৰ অৱসৰী কৃতী শিক্ষক তথা সমাজকৰ্মী মইনুদ্দিন আহমেদ পৰলোক

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ ডিব্ৰুগড়ৰ লালুকাগাঁও নিবাসী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা সমাজকৰ্মী মইনুদ্দিন আহমেদ বার্ধক্যজনিত কাৰণত নিজ বাসগৃহত ৮৩ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা প্ৰয়াত আহমেদে। তেওঁৰ কৰ্ম জীৱনত ডিব্ৰুগড়ৰ ৬ নং আমোলাপট্টি নিম্ন প্ৰাথমিক বিদ্যালয়, লালুকা গাঁও প্ৰাথমিক বিদ্যালয়, মিলন নগৰ প্ৰাথমিক বিদ্যালয় আদিত শিক্ষকতা কৰি বহু ছাত্ৰ-ছাত্ৰীক মানৰ সম্পদ কৰাত বিশেষ বৰঙনি আছিল। ১৯৪৩ চনত ডিব্ৰুগড়ৰ লালুকাত জন্মগ্ৰহণ কৰা আহমেদে ২০০০ লা গাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত পত্নী মজুৰাবা বেগম, দুই পুত্ৰ, জীয়ৰী লগতে অনেক আত্মীয়ক ইইসসোৱত এবি থৈ যায়। কলি লালুকা গাঁৱৰ কৰবস্থানত ভালে সংখ্যক লোকৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়।

লোকপিয়ল সন্দর্ভত কার্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদ আৰু সদৌ অসম কার্বি যুৱ ছাত্ৰ সন্থাৰ যুটীয়া বৈঠক



অসম বার্তা, বিহালী, ৮ আগষ্ট ঃ কার্বি আংলং আৰু ডিমা হাছাও জিলা স্বায়ত্তশাসিত পৰিষদৰ বাহিৰত বসবাস কৰা ভৈয়ামৰ কার্বিসকলক সর্বভাৰতীয় লোকপিয়লৰ অনুসূচিত জনজাতিৰ তালিকাত অন্তর্ভুক্তিৰ সন্দর্ভত কার্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদ আৰু সদৌ অসম কার্বি যুৱ ছাত্ৰ সন্থাৰ মাজত এখন যুটীয়া বৈঠক অনুষ্ঠিত হৈ যায়। স্মৰ্তব্য যে উক্ত বিষয় সন্দর্ভত যোৱা ২৪ জুলাইত সদৌ অসম কার্বি যুৱ ছাত্ৰ সন্থাৰ জিলা সমিতিৰ দ্বাৰা (বিশ্বনাথ, লখিমপুৰ, কামৰূপ, মৰিগাঁও, গোলাঘাট, নগাঁও, হোজই আৰু কাছাৰ) জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে যদিও কোনো সঁহাৰি নোপোৱাত পুনৰ যোৱা ৭ আগষ্টত গুৱাহাটীৰ হোটেল নন্দন্তৰ সন্মিলন কক্ষত দুয়োটা গোটৰ মাজত যুটীয়া বৈঠক অনুষ্ঠ

/

ভাৰতৰ চৰকাৰী মানচিত্ৰত

১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ অন্তৰ্ভুক্তি যুদ্ধসমূহ এই অঞ্চলতে সংঘটিত হৈছিল, যাৰ বাবে ই ভাৰতৰ সামৰিক ইতিহাসৰ এক স্মৰণীয় স্থান। জৈৱামণ্ডলৰ পূব অক্ষাংচৰল প্ৰদেশৰ এক প্ৰধান প্ৰশেশদ্বাৰ আৰু ৰণকৌশলগত যোগাদান কেন্দ্ৰ হিচাপে গণ্য কৰা হয়, আৰু ম্যানমাৰ সীমান্তৰ নিকটবৰ্তী এই অঞ্চলটো নিৰাপত্তা বাহিনীৰ যাতায়াত আৰু সামৰিক পৰিবহণৰ বাবে বিশেষভাবে গুৰুত্বপূৰ্ণ। ২৭টা স্থানৰ এই বিস্তৃত তালিকাত শত্ৰু সবোৱৰ, বড়া কুণ্ডুন, ছোটা কুণ্ডুন, ধন বাড়ী, প্ৰীতনগৰ, তেৰিতনগৰ, বামনগৰ জড়ৱস্তাগ, সাগৰ, পদ্মা, জ্যোতিনগৰ আৰু বৈশাখী আদিও অন্তৰ্ভুক্ত কৰা হৈছে। বামনগৰ জড়ৱস্তাগ বিশেষভাবে উল্লেখযোগ্য, কাৰণ ইয়াত ১৯৬২ চনৰ যুদ্ধৰ বীৰ জোৱান জড়ৱস্তু সিং বাবাটিৰ স্মাৰক স্থাপিত আছে, যিয়ে যুদ্ধৰ বীৰত্বৰ কথা সোঁৱৰাই ৰাখে। লগতে তালিকাত শ্বেৰ-এ-থাপা স্মাৰক, ছোটা বোপুৰ, বড়া বোপুৰ, শিৰাজী নগৰ, সুনপুৰা, কমলা নগৰ আৰু বুঢ়ু মন্দিৰেও স্থান লাভ কৰিছে, যাৰ বহুতেই ধৰ্মীয়, সাংস্কৃতিক বা সামৰিক দিশৰ পৰা অৰুণাচলৰ বাবে অতি গুৰুত্বপূৰ্ণ। উল্লেখ্য যে, চীনে অৰুণাচল প্ৰদেশক 'জাংনান' বুলি অভিহিত কৰি ২০১৭ চনৰ পৰা কেইবাখনো তালিকাত বাজ্যনাম বিভিন্ন স্থানৰ কাল্পনিক নাম প্ৰকাশ কৰি আহিছে। ২০১৭ চনত ৬টা, ২০২১ চনত ১৫টা আৰু ২০২৩ চনত আন ৰবটা স্থানৰ নাম চীনে প্ৰকাশ কৰিছিল। ভাৰতে সদায়েই চীনৰ এই নাম সলনি প্ৰচেষ্টাক নাকচ কৰি আহিছে, আৰু ভাৰতৰ স্পষ্ট বক্তব্য হৈছে যে কেৱল নাম সলনি কৰিলে কোনো অঞ্চলৰ বাস্তবিক পৰিচয় বা মালিকানা সলনি নহয়। বৰ্তমান ভাৰতৰ চৰকাৰী মানচিত্ৰত ২৭টা স্থানৰ মানক নাম অন্তর্ভুক্ত কৰাৰ পদক্ষেপক চীনৰ নাম সলনি ৰাজনীতিৰ প্ৰতি ভাৰতৰ এক স্পষ্ট আৰু দৃঢ় উত্তৰ হিচাপে বিশ্লেষণ কৰা হৈছে। ৰাজনৈতিক আৰু কূটনৈতিক মহলত এই পদক্ষেপক অৰুণাচল প্ৰদেশৰ সাৰ্বভৌমত্ব সুদৃঢ় কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰা হৈছে, আৰু অন্তৰ্ভুক্তিৰ মানচিত্ৰক অধিক স্পষ্ট আৰু বৈজ্ঞানিক কৰা দিয়াৰ লগতে ভাৰতে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নিজৰ দাবী সবল কৰাৰ প্ৰয়াস চলাই থাকিব বুলি কোৱা হৈছে।

২০২৫-২৬ বৰ্ষত সুৰাৰ পৰা

টাৰ্গেট নিৰ্ধাৰণ কৰি দিয়া হৈছে। আবকাৰী বিভাগৰ আয়ুক্তই,৩ আগষ্টত জাৰি কৰা এখন নিৰ্দেশনা পত্ৰৰ জৰিয়তে প্ৰতিখন জিলাৰ আয়ুক্তলৈ এই নতুন এছআঁপি প্ৰেৰণ কৰা হৈছে, য'ত প্ৰতিখন সুৰা বিপনীয়ে নিৰ্দিষ্ট পৰিমাণৰ বাজহ চৰকাৰক গতাই দিয়াটো বাধ্যতামূলক কৰা হৈছে। এই নতুন এছআঁপি অনুসৰি, কোনো বিপনীয়ে যি পৰিমাণৰ বাজহ আগৰ বৰ্ষত দিছিল, সেই পৰিমাণত ২০২৬-২৭ চাৰ্ষব বাবে অন্ততঃ ৭ শতাংশ বৃদ্ধি কৰিব লাগিব। অৰ্থাৎ, যদি কোনো বিপনীয়ে ২০২৫-২৬ বৰ্ষত দুই কোটি টকা বাজহ দিছিল, তেন্তে এই বৰ্ষত সেই বিপনীয়ে পূৰ্বতকৈ ৭ শতাংশ অধিক অৰ্থাৎ মুঠ বাজহৰ পৰিমাণ বৃদ্ধি কৰি চৰকাৰক দিব লাগিব। ইফালে, প্ৰিমিয়াম শ্ৰেণীৰ সুৰাৰ মূল্যও ৰ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ কঃ শতাংশ বৃদ্ধি কৰা হৈছে। এই নিৰ্দেশনা কেৱল বিলাতী আৰু দেশীয় সুৰাৰ বিপনীৰ বাবেই নহয়, বৰঞ্চ চৰইদ'ত, বিয়াৰ ৰুপা আদি সকলো সুৰা বিক্ৰী কেন্দ্ৰৰ বাবেই সমানভাবে প্ৰযোজ্য। নিৰ্ধাৰিত টাৰ্গেট পূৰণ কৰিব নোৱাৰিলে সুৰা ব্যবসায়ীসকলক কঠোৰ শাস্তিৰ সন্মুখীন হ'বলগীয়া হ'ব। টাৰ্গেট অনুসৰি বাজহ দিব নোৱাৰিলে তেওঁলোকৰ বাকীদাৰ হিচাপে গণ্য কৰি বাকী ধনৰ ওপৰত বাৰ্ষিক ১৮ শতাংশ হাৰত সুত দিয়াৰ লগতে অন্ততঃ ১০ শতাংশ জৰিমনা অধিবলগীয়া হ'ব। আবকাৰী বিভাগৰ এই নতুন নিৰ্দেশনাৰ জৰিয়তে চৰকাৰে সুৰা বিক্ৰীৰ পৰিমাণ বৃদ্ধিৰ জৰিয়তে বাজহ সংগ্ৰহ আৰু অধিকতৰ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য লৈছে, যাৰ সমান্তৰালভাবে সুৰাৰ মূল্যও বৃদ্ধি কৰা হৈছে। শেহতীয়াকৈ অধিবেশনসভাৰ অধিবেশনত আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই দিয়া তথ্য অনুসৰি, বিগত মুঠ পাঁচ বছৰত বাজাত নতুনকৈ ১৮২০খন সুৰা বিপনীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে। ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০২১ চনৰ ৩১ মাৰ্চলৈকে বাজাত মুঠ ৬৮৯খন সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ আছিল, যাৰ তুলনাত ২০২১ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৬ চনৰ ১০ মেলৈ মাত্ৰ পাঁচ বছৰতে এই সংখ্যা ১৮২০ লৈ বৃদ্ধি পোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰ্তমান বাজাত ২৪০খন বিলাতী সুৰা বিপনী, ১২১২খন দেশীয় সুৰা বিপনী আৰু ১১৯৪খন বাৰ আছে বুলি জানিবলৈ দিয়া হয়। চৰকাৰী পৰিসংখ্যা অনুসৰি, ২০২৫-২৬ বিত্তীয় বৰ্ষত অসম চৰকাৰে সুৰাৰ পৰা মুঠ ৪০৫৪ কোটি টকা বাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। আবকাৰী বিভাগৰ বাজহৰ পৰিমাণ প্ৰত্যেক বৰ্ষতে বৃদ্ধি পাই আহিছে-২০২১-২২ বৰ্ষত আছিল ১৯৩০.৩৭ কোটি টকা, ২০২২-২৩ বৰ্ষত ২৫২৭.৬৪ কোটি টকা, ২০২৩-২৪ বৰ্ষত ৩১৩৮.৭৫ কোটি টকা আৰু ২০২৪-২৫ বৰ্ষত ৩৬০৯.৪৫ কোটি টকা। এই বৃদ্ধিৰ ধাৰাই সুবাণ্যাসীৰ সংখ্যা আৰু বিক্ৰীৰ পৰিমাণ বৃদ্ধিও সংকেত দিছে, আৰু এইবোৰ চৰকাৰে নতুন এছআঁপিৰ জৰিয়তে সেই গতিকে আৰু ত্বৰান্বিত কৰিবলৈ উদ্যোগ লৈছে। অবশ্যে, এই নতুন সুবা নীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই। তেওঁ কয় যে চৰকাৰে সুৰা বিপনীসমূহক পূৰ্বতকৈ ১০ শতাংশ অধিক বাজহ দিবলৈ বাধ্য কৰাইছে, যাৰ অৰ্থ হৈছে চৰকাৰ চলাবলৈ চৰকাৰে নিজেই সুৰা বিক্ৰী বৃদ্ধিৰ নিৰ্দেশ দিছে। তেওঁ লগতে অভিযোগ উত্থাপন কৰে যে চৰকাৰে অৰ্থনীতি টনিকিয়াল খৰাৰ দাবী কৰিলেও বাস্তৱত সুৰাৰ পৰা বাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ এনে বলিয়ালি নীতি গ্ৰহণ কৰাটো অতি দুখজনক। শইকীয়াই কটাক্ষ কৰি কয় যে বাইজে এশবো অধিক আসন দি চৰকাৰক ক্ষমতাশালী কৰাব পিছত এতিয়া তেওঁলোকে 'ভয়াসুৰৰ বলি' হে পৰিছে বুলি অনুভৱ কৰিছে। ইফালে, অসম চৰকাৰে এই নতুন এছআঁপিৰ জৰিয়তে আবকাৰী বাজহৰ পৰিমাণ অধিক বৃদ্ধি কৰি বাজাৰ উন্নয়নমূলক কাম-কাজত ব্যয় কৰাৰ লক্ষ্য লৈছে, কিন্তু সুৰা বিক্ৰী বৃদ্ধিৰ এই নীতি সমাজৰ এটা বৃহৎ অংশৰ মাজত সমালোচিত হৈ থকা দেখা গৈছে।

মুখ্যমন্ত্ৰীৰ নিৰ্দেশত মৈৰাবাৰী-ভুৰাগাঁও

ব্যস্ততম পথছোৱাটোত অসম মালা ৩.০ যোজনাৰ অধীনলৈ অনাৰ দাবী লৈ শনিবাৰে লাহবিঘাটৰ বিধায়ক ড' আছিফ মহম্মদ নজৰে মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সংখ্যালঘু অধ্যয়িত এই অঞ্চলটোৰ অন্যতম গুৰুত্বপূৰ্ণ সংযোগী পথ হিচাপে পৰিণতি এই পথছোৱাটো দীৰ্ঘদিন ধৰি সংস্কাৰৰ অপেক্ষাত আছিল, যাৰ ফলত স্থানীয় ৰাইজে দৈনন্দিন যাতায়াতত অসুবিধা পাই আহিছিল। বিধায়ক ড' নজৰে মুখ্যমন্ত্ৰীৰ আগত পথছোৱাটোৰ বৰ্তমানৰ অবস্থা আৰু ইয়াৰ গুৰুত্ব স্পষ্টভাবে তুলি ধৰে, লগতে অসম মালা ৩.০ অধীনলৈ অন্তর্ভুক্ত কৰি সংস্কাৰ কৰাব আবেদন জনায়। মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই স্থানীয় বিধায়কৰ এই যুক্তিসংগত দাবীৰ প্ৰতি তৎক্ষণাৎ সঁহাৰি জনায় আৰু অসম চৰকাৰৰ গড়কাণ্ডালি (পথ) বিভাগৰ মুখ্য অভিযন্তাক নিৰ্দেশ দিয়ে যে মৈৰাবাৰীৰ পৰা ভুৰাগাঁওঁ বজাৰ তিনি আলিলৈকে থকা পথছোৱাটো অসম মালা ৩.০ যোজনাত অন্তর্ভুক্ত কৰি সংস্কাৰৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হওক। মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশ আৰু সোনকালে কাৰ্যকৰী কৰিবলৈ বিভাগীয় বিষয়াসকলক প্ৰাসংগিক নিৰ্দেশনা প্ৰেৰণ কৰা হয়, যাৰ ফলত পথছোৱাটোৰ সংস্কাৰৰ বাট মুকলি হয়। ইফালে, মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশৰ কথা সামাজিক মাধ্যমত বিয়লি পৰা মাত্ৰাকে অঞ্চলটোৰ বাইজে অভূতপূৰ্ব উল্লাস প্ৰকাশ কৰে। স্থানীয় লোকসকলে বিধায়ক ড' আছিফ মহম্মদ নজৰৰ লগতে মুখ্যমন্ত্ৰীগৰাকীকো সোশ্যাল মিডিয়াত প্ৰশংসাবে ওপচাই পেলায়, কিয়নো এই পথছোৱাটো সংস্কাৰৰ বাবে দীৰ্ঘদিনৰ পৰা আন্দোলন চলি আহিছিল। বহু বাইজে মুখ্যমন্ত্ৰীৰ দ্ৰুত সিদ্ধান্তক জনমুখী আৰু উন্নয়নমুখী বুলি অভিহিত কৰে, আনহাতে বিধায়ক ড' নজৰৰ অক্লান্ত প্ৰচেষ্টাকো উচ্চ প্ৰশংসা কৰে। এই পথছোৱা অসম মালা ৩.০ অধীনলৈ অহাৰ ফলত অঞ্চলটোৰ যাতায়তৰ লগতে ব্যৱসায়-বাণিজ্য আৰু দৈনন্দিন জীৱন-যাত্ৰাত এক উল্লেখযোগ্য পৰিবৰ্তন আহিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সঁহাৰিমূলক এই নিৰ্দেশে সংখ্যালঘু অধ্যয়িত অঞ্চলৰ উন্নয়নৰ প্ৰতি চৰকাৰৰ গুৰুত্ব আৰু সংবেদনশীলতাকো পুনৰবাৰ প্ৰমাণ কৰিলে।

হিমাচল প্ৰদেশত ভয়ংকৰ পথ

যাত্ৰী আহত হৈছে বুলি জানিব পৰা গৈছে। খৰৰ অনুসৰি, বৈৰাগড়ৰ পৰা চাম্বাৰ দিশে গৈ থকা বাছখনত দুৰ্ঘটনাৰ সময়ত প্ৰায় ২০ৰ পৰা ২৫জন যাত্ৰী আছিল। চালুজ মোড়ৰ সমীপত হঠাতে বাছখন দুৰ্ঘটনাত পতিত হোৱাত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে, দুৰ্ঘটনাৰ খৰৰ পোৱাৰ লগে লগে স্থানীয় লোকসকল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। পৰৱতী সময়ত আৰক্ষী আৰু দমকল বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান তীব্ৰতৰ কৰে। আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। চাম্বাৰ আৰক্ষী অধীক্ষক বিজয় সকলানীয়ে দুৰ্ঘটনাৰ তথ্য নিশ্চিত কৰি কয় যে, আৰক্ষীৰ দল ঘটনাস্থলীলৈ ৰাওনা হৈছে। অৱশ্যে দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সঠিক কাৰণ এই পৰ্যন্ত জানিব পৰা হোৱা নাই।

অভিলেখ! খাৰুৱা তেল উৎপাদনত

অনুসৰি, মহাৰত্ন কোম্পানীটোৱে চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহতে এককভাৱে ২,৮৭০ কোটি টকাৰ সৰ্বকালৰ সৰ্বোচ্চ কৰ-পশ্চাদ লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৱা বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত এই পৰিমাণ আছিল ১৩ কোটি টকা, অৰ্থাৎ এই বৰ্ষত ই ২.৫ গুণ বৃদ্ধি পাইছে। খাৰুৱা তেল উৎপাদন ১১%বৃদ্ধি আৰু চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্য ৯৮.৭৩ মাৰ্কিন ডলাৰ হোৱাৰ বাবেই এই বৃদ্ধি সম্ভৱ হৈছে। আনহাতে, সামগ্ৰিকভাৱে চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত অইলৰ কৰ-পশ্চাদ লাভ ছিল ৬, ০২৭ কোটি। যোৱা বিত্তীয় বৰ্ষৰ একে সময়ছোৱাত এই পৰিমাণ আছিল ২, ০৪৭ কোটি টকা, অৰ্থাৎ চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত ই ৯৭%বৃদ্ধি পাইছে। উল্লেখ্যযোগ্য যে, অইল ইণ্ডিয়া লিমিটেডে ইয়াৰ পৰিপক্ক তেলক্ষেত্ৰসমূহৰ পৰা চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত ০.৯৫০ নিযুত মেট্ৰিক টন খাৰুৱা তেল উৎপাদন কৰিবলৈ সক্ষম হৈছে। যোৱা বিত্তীয় বৰ্ষৰ একে সময়ছোৱাত এই উৎপাদনৰ পৰিমাণ আছিল ০.৮৫৩ নিযুত মেট্ৰিক টন। গুৰুত্বপূৰ্ণ কথা এয়ে, যোৱা বৰ্ষৰ ২৭ জুনত অইলে একেদিনাই ১০, ৯২১ মেট্ৰিক টন (৮৪, ১০৯ বেৰেল) খাৰুৱা তেল উৎপাদন কৰি সৰ্বকালৰ সৰ্বোচ্চ দৈনিক উৎপাদনৰ এক অভিলেখ গঢ়ে। প্ৰতিবেদনত লগতে উল্লেখ কৰা অনুসৰি, অইলৰ গুৰুত্বপূৰ্ণ সহযোগী প্ৰতিষ্ঠান এন আৰ এল-এ চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত কৰ-পশ্চাদ লাভত ১৬৭' বৃদ্ধি অৰ্জন কৰিছে। যোৱা বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত এই পৰিমাণ ৪৮৮ কোটি টকাৰ পৰা চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত এই পৰিমাণ ১, ৩০৫ কোটি টকালৈ বৃদ্ধি পাইছে। এনে সময়তে ইয়াৰ জি আৰ এম প্ৰতি বেৰেলত ৫.০২ ডলাৰৰ পৰা ৩৫.৯৫ ডলাৰলৈ আৰু ডিষ্টিলেট য়ীল্ড (Distillate Yield) আগৰ ৮৫.৩৮'ৰ তুলনাত ৮৭.৫৮' লৈ বৃদ্ধি পাইছে। উল্লেখ্য যে, অইল ইণ্ডিয়া লিমিটেডে আদানাম অববাহিকাৰ বিজয়াপুৰম-৩ অন্বেষণমূলক কূপত প্ৰাকৃতিক গেছৰ সন্ধান লাভ কৰিছে, যিয়ে এই অববাহিকাৰ হাইড্ৰ'কাৰ্বন সম্ভাৱনাক পুনৰবাৰ নিশ্চিত কৰিছে। ইয়াৰ উপৰিও, অইলে অসমৰ এক অনুসন্ধানমূলক কূপত সফলতাৰে ৩, ১১৬ মিটাৰ আনুভূমিকভাৱে স্থানচ্যুতি সম্পন্ন কৰি দেৰ্ঘ অনুসন্ধানমূলক কূপসমূহৰ ভিতৰত সৰ্বাধিক আনুভূমিক স্থানচ্যুতিৰো এক নতুন অভিলেখ স্থাপন কৰিছে।

কাজিৰঙাত গড় সুৰক্ষা বাহিনীক

বিশেষ গাঁড় সুৰক্ষা বাহিনী (SRPF)ক এক বিশেষ অনুষ্ঠানৰ জৰিয়তে সম্মান জনোৱা হয়। কাজিৰঙাৰ এশিঙীয়া গাঁড়ৰ সুৰক্ষাক সুদৃঢ় শাৰীত থকা দায়িত্ব পালন কৰা এই বাহিনীৰ সদস্যসকলৰ অবদানক স্বীকৃতি জনোৱাৰ উদ্দেশ্যেই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অনুষ্ঠানত অসমৰ বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু কেশৰ মন্ত্ৰ উপস্থিত থাকে, আৰু তেওঁলোকে বাহিনীৰ জোৱানসকলক তেওঁলোকৰ নিৰন্তৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ বাবে ধন্যবাদ আৰু সম্মান জ্ঞাপন কৰে। উল্লেখযোগ্য যে, বিস্তৃত প্ৰশিক্ষণৰ পিছত ২০১৯ চনত কাজিৰঙাত ৮২জনীয়া বিশেষ গাঁড় সুৰক্ষা বাহিনী নিয়োগ কৰা হৈছিল। বাষ্টীয় উদ্যানখনত গাঁড়ৰ চোৰাং চিকাৰ বোধৰ ব্যাপ্তা আৰু সম্ভাৱ প্ৰশমন কৰা লক্ষ্যৰে এই বিশেষ বাহিনী মোতায়েন কৰা হৈছিল। ইয়াৰ পূৰ্বে, একসময়ত কাজিৰঙাত গাঁড়ৰ চোৰাং চিকাৰে ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। ২০১৩ আৰু ২০১৪ চনত প্ৰতিটো বছতে চোৰাং চিকাৰীৰ হাতত ২৭টাকৈ গাঁড় নিহত হৈছিল, যিটো সংখ্যা আছিল অত্যন্ত উদ্বেগজনক। গাঁড় হত্যাৰ এই উদ্বেগজনক পৰিস্থিতিয়ে কৰ্তৃপক্ষক গাঁড় সুৰক্ষাৰ ক্ষেত্ৰত অধিক বিশেষাগ্ৰিত আৰু সমন্বিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য কৰিছিল, আৰু তাৰ ফলশ্ৰুতিতেই বিশেষ গাঁড় সুৰক্ষা বাহিনী গঠন কৰা হয়। কাজিৰঙাৰ অন্যতম আৰ্কষণ এশিঙীয়া গাঁড়ৰ সুৰক্ষাৰ বাবে এই বিশেষ বাহিনী নিয়োগ কৰাটো এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছিল। বাহিনীটোৰে কাজিৰঙাৰ বন বিভাগ, অসম আৰক্ষী আৰু অন্যান্য অৰ্ধ-শুংখলা তথা প্ৰৰৰ্তকৰ্মী সংস্থাৰ সৈতে সমন্বয় কৰি বাষ্টীয় উদ্যানখনৰ স্পৰ্শকাতৰ অঞ্চলসমূহত নিয়মীয়াকৈ টহল দি আহিছে। ইয়াৰ লগতে গোপন তথ্য সংগ্ৰহ, সম্ভাব্য বিপদৰ বিষয়ে আগভীয়াকৈ তথ্য লাভ কৰা আৰু প্ৰয়োজন অনুসৰি তৎকালীন ব্যৱস্থা গ্ৰহণতো বাহিনীটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিশেষ গাঁড় সুৰক্ষা বাহিনী নিয়োগৰ পিছৰে পৰা বাষ্টীয় উদ্যানখনত চোৰাং চিকাৰবিৰোধী অভিযানত গোপন তথ্য সংগ্ৰহ, সমন্বিত নজৰদাৰী আৰু নিৰ্দিষ্ট লক্ষ্যভিত্তিক অভিযানৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে, যাৰ ফলত চোৰাং চিকাৰীসকলৰ সফলভাবে বোধ কৰিব পৰা গৈছে। বাষ্টীয় উদ্যানখনৰ ভিতৰত সফুখৰ শাৰীৰ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাতো বিশেষ গাঁড় সুৰক্ষা বাহিনীৰ অবদান উল্লেখযোগ্য। বাহিনীটোৰে কাজিৰঙাৰ গাঁড়ৰ সুৰক্ষা ব্যৱস্থাক নতুন উচ্চতালৈ নে যোৱাৰ লগতে সংগঠিত বন্যপ্ৰাণী অপৰাধৰ বিৰুদ্ধে নিৰন্তৰ সতৰ্কতা অবলম্বন কৰি আহিছে। কাজিৰঙাৰ গাঁড়ৰ চোৰাং চিকাৰ বোধৰ বাবে চলি থকা নিৰন্তৰ প্ৰচেষ্টাত বাহিনীটোৰে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাকে স্বীকৃতি জনাই শনিবাৰে অনুষ্ঠিত এই সম্মান অনুষ্ঠানে বাহিনীৰ জোৱানসকলৰ নিষ্ঠা আৰু অবদানক বিশেষভাবে সম্মান জনালে। বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অনুষ্ঠানত ভাষণ দি কয় যে বিশেষ গাঁড় সুৰক্ষা বাহিনীৰ জোৱানসকল হৈছে কাজিৰঙাৰ এশিঙীয়া গাঁড়ৰ সুৰক্ষাৰ প্ৰহৰী, আৰু তেওঁলোকৰ অক্লান্ত পৰিশ্ৰমৰ বাবেই আজি কাজিৰঙা বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে নিজৰ গৌৰব অক্ষুণ্ণ ৰাখিব পাৰিছে। অনুষ্ঠান শেষত বাহিনীৰ সদস্যসকলক মন্ত্ৰীগৰাকীয়ে সম্মানপত্ৰ আৰু অন্যান্য উপহাৰ প্ৰদান কৰি তেওঁলোকৰ ভবিষ্যত কাৰ্যক্ৰমৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

AIUDF দলৰে আৰ্থিক ৰৰঙনিৰ

আয়োগে কঠোৰ আইন প্ৰণয়ন কৰাব ফলত প্ৰতিটো বাজনৈতিক দলেই নিজৰ লভ্য কৰা আৰ্থিক অনুদানৰ সম্পৰ্কে বিৱৰণী নিৰ্দিচন আয়োগত দাখিল কৰিবলৈ বাধ্য হৈছে, যাৰ ফলত এই তথ্যসমূহ জনসমক্ষত প্ৰকাশ পাবলৈ ধৰিছে। সেই সূত্ৰেই শেহতীয়াকৈ বিধায়ক মৌলানা বদৰুদ্দিন আজমলৰ নেতৃত্বাধীন সৰ্বভাৰতীয় সংযুক্ত গণাত্মিক মাৰ্চা (AIUDF) দলটোৱে ২০২৫-২৬ বিত্তীয় বৰ্ষত লাভ কৰা আৰ্থিক অনুদানৰ সম্পূৰ্ণ তথ্য নিৰ্বাচন আয়োগত দাখিল কৰিছে, আৰু সেই তথ্য অনুসৰি দলটোৱে আশ্চৰ্যজনা আৰ্থিক ৰৰঙনিৰ পৰিমাণ আগৰ বৰ্ষতকৈ যথেষ্ট বৃদ্ধি পাইছে। নিৰ্চাচন আয়োগত AIUDF দলে দাখিল কৰা প্ৰতিবেদন অনুসৰি, চ্যাণ্ডড়-২৬ বিত্তীয় বৰ্ষত দলটোৱে মুঠ ৰ, ৪২, ৭৫, ০০১ টকা (এ কোটি বিয়াল্লিছ লাখ পাঁচ হাজাৰ এক টকা)আৰ্থিক অনুদান লাভ কৰিছে। আগৰ অৰ্থাৎ ২০২৪-২৫ বিত্তীয় বৰ্ষত দলটোৱে লাভ কৰা অনুদান আছিল ৮৯, ৭৩, ০০৫ টকা, যাৰ তুলনাত এইবাৰ ৫৩, ০১, ৯৯৬ টকা অধিক সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ এটা বিত্তীয় বৰ্ষৰ বিভক্তকৰে দলটোৰে আয় আৰ্থিক বৰ্ষবোৰত প্ৰায় ৫৯ শতাংশবৃদ্ধি পোৱা দেখা গৈছে। এই ক্ষেত্ৰত মুঠ ৭৫৩ ব্যক্তি আৰু এটা ব্যক্তিগত উদ্যোগৰ পৰা সংগৃহীত হৈছে, আৰু দলটোৰে এজন ব্যক্তিয়ে সৰ্বোচ্চ ১০ লাখ টকা অনুদান আগবঢ়াইছে বুলি নিৰ্চাচন আয়োগক জনোৱা হৈছে। ইফালে, ২০২৪-২৫ বিত্তীয় বৰ্ষত AIUDF দলে দুটা ব্যক্তিগত প্ৰতিষ্ঠান আৰু ৪৪জন ব্যক্তিৰ পৰা মুঠ ৮৯, ৭৩, ০০৫ টকা অনুদান লাভ কৰিছিল, আৰু সেইবছৰো এককব্যক্তিৰ পৰা সৰ্বোচ্চঅনুদান আছিল ১০ লাখ টকা। উল্লেখ্য যে, নিৰ্চাচন আয়োগৰ জনপ্ৰতিনিধিত্ব আইন ১৯৫৭ ধাৰা ২৯বি (১) অনুসৰি প্ৰতিটো ৰাজনৈতিক দলে প্ৰতিটো বিত্তীয় বৰ্ষত নিজে লাভ কৰা আৰ্থিক অনুদান সম্পৰ্কে সম্পূৰ্ণ প্ৰতিবেদন দাখিল কৰাটো বাধ্যতামূলক। ইয়াৰ লগতে আইনকৰ উপ-ধাৰা ৰক্সৰ উল্লেখ আছে যে, আয়কৰ আইন ১৯৬১ ১৩৯ ন ধাৰা অনুসৰি, সেই বিত্তীয় বৰ্ষৰ আয়ৰ বিটাৰ্ণ প্ৰদান নিৰ্ধাৰিত তাৰিখৰ আগতেই দলটোৰ কোষাধ্যক্ষয়া তেওঁৰ দ্বাৰা অনুমোদিত আন কোনো ব্যক্তিয়ে এই প্ৰতিবেদন দাখিল কৰিছে নে নাই, সেই তথ্যও প্ৰকাশ পাবলৈ ধৰিছে, যাৰ জৰিয়তে আইনজীৱী এস কোনো ব্যক্তিয়ে এই প্ৰতিবেদন দলৰ আৰ্থিক অনুদানৰ তথ্যসমূহ প্ৰকাশ পাবলৈ ধৰিছে, যাৰ জৰিয়তে ৰাজনৈতিক দলসমূহৰ আৰ্থিক স্বচ্ছতা কিছু পৰিমাণে নিশ্চিত হৈছে।

ডিব্ৰুগড়ত গুদাম ঘৰ পৰিদৰ্শন কৰি

থকা ধান ক্ৰয় কেন্দ্ৰ পৰিদৰ্শন কৰি ধানৰ প্ৰক্ৰিয়াকৰণ ব্যৱস্থা পৰ্যবেক্ষণ কৰে। মন্ত্ৰীগৰাকীয়ে সৈতে এই পৰিদৰ্শনকাৰীসকলে শ্ৰম কল্যাণ মন্ত্ৰী বাসেক্ত তেলী, অসম খাদ্য আৰু অসামৰিক যোগান নিগম পৰিষদীয়ৰ পৰিচালন সঞ্চালক পাৰিজাত ভূঞা উপস্থিত থাকে। শ্ৰীবাংয়ে পূবাঞ্চল ভাগত ডিব্ৰুগড়ত লাহোবালেহিত সুলভ মূল্যৰ দোকান পৰিদৰ্শন কৰি বাজহ্বা বিতৰণ ব্যৱস্থাৰ বুজ লয়। তেওঁ দোকানত মজুত থকা খাদ্য সামগ্ৰীৰ ওপগত মান পৰীক্ষা কৰাৰ উপৰি সামগ্ৰীৰ ওজন জোখা ডিজিটেল যন্ত্ৰৰ পৰীক্ষা কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনৰ নিৰীয়মাণ টাউন হলটো আৰু পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্য বুজ লয়। ওপগত মান অক্ষুণ্ণ ৰাখি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শনকালত স্থানীয় বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড়ৰ মেয়ৰ, উপ-মেয়ৰ, পৌৰ নিগমৰ আয়ুক্তক লগতে কেইবাগৰাকীও বিষয়াই সংগ দিয়ে। মন্ত্ৰী শ্ৰীবাংয়ে ইয়াৰ পূৰ্বে ডিব্ৰুগড় জিলা বিজেপি কাৰ্যালয় পৰিদৰ্শন কৰাৰ লগতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ, খাদ্য, বাজহ্বা বিতৰণ, গ্ৰাহক পৰিক্ৰমা বিভাগ আৰু সমন্বয় বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ ক

ভগ্ন মথাউৰিসমূহ অতি শক্তিশালী ৰূপত নিৰ্মাণ কৰি উলিওৱাৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

দৰং জিলাৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

অসম বার্তা, দেওমৰনৈ, ৮ আগষ্ট ঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত বেঙাবড়া আৰু নাহৰবাৰীত উপস্থিত হৈ অঞ্চলকেইটাত সংঘটিত শেহতীয়া বান পৰিস্থিতিৰ প্ৰত্যক্ষ বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰথমে বেঙাবড়া গাঁওৰ সমীপৰ নোৱা নৈৰ মথাউৰিৰ ভঙা অংশ পৰিদৰ্শন কৰাৰ লগতে চলি থকা মেৰামতিৰ কাম-কাজৰ বুজ লয়। কিছুদিনৰ পূৰ্বে নৈখনৰ মথাউৰি ছিগি যোৱাৰ ফলত অঞ্চলটোৰ কেইবাখনো গাঁও জলমগ্ন হৈ পৰিছিল। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে বেঙাবড়া গাঁওৰ নিৰ্মীয়মাণ অংগনবাড়ী কেন্দ্ৰত স্থাপন কৰা আশ্ৰয় শিবিৰ আৰু ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় লোৱা বানাক্ৰান্ত ৰাইজক সাক্ষাৎ কৰি তেওঁলোকৰ খা-খবৰ লয় আৰু সকলো প্ৰকাৰৰ সাহায্যৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ পিছত তেওঁ নাহৰবাৰীত কুলশী নৈৰ ভঙা মথাউৰিও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে শেহতীয়া বানে এই অঞ্চলত মথাউৰি ভাঙি নিয়াৰ ফলত ৰাইজ যথেষ্ট দুৰ্যোগ আৰু কষ্টৰ সম্মুখীন হ'বলগীয়া হৈছে। তেওঁ আজি ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে জলসম্পদ বিভাগে হাতত লোৱা মেৰামতিৰ কাম-কাজবোৰ খতিয়ান লয় বুলি সদৰী কৰি ভবিষ্যতে এই ভগ্ন মথাউৰিসমূহ অতি শক্তিশালী ৰূপত নিৰ্মাণ কৰি উলিওৱাৰ বাবে চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। ইয়াৰোপৰি, বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক চৰকাৰী নিয়ম অনুসৰি শীঘ্ৰেই প্ৰয়োজনীয় সকলোধৰণৰ সাহায্য প্ৰদান কৰা হ'ব বুলিও তেওঁ নিশ্চিতি প্ৰদান কৰে। আজিৰ এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী তথা দৰং জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, পশুপালন আৰু পশুচিকিৎসা আদি বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়িকা নীলিমা দেবী, বিধায়ক পৰমানন্দ ৰাজবংশীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু জিলা আয়ুক্তক ধৰি জিলা প্ৰশাসন তথা দায়িত্ববাহী বিভাগসমূহৰ বিষয়বৰীয়াসকলো উপস্থিত থাকে।

নিৰ্মাণকার্য পৰিদৰ্শন কৃষঞই সচেতন নাগৰিক মঞ্চৰ

৩০খন বিছনাযুক্ত কৃষঞই আদর্শ চিকিৎসালয়ৰ গৃহ নির্মাণত বিসংগতিৰ অভিযোগ

অসম বার্তা, কৃষ্ণাই, ৮ আগষ্ট ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাইত নিৰ্মীয়মাণ ৩০খন বিছনাযুক্ত কৃষ্ণাই আদর্শ চিকিৎসালয়ৰ গৃহ নির্মাণত বিসংগতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ৰাইজৰ অভিযোগ অনুসৰি, চিকিৎসালয় গৃহটোৰ নির্মাণকার্যত ব্যৱহাৰ কৰা হৈছে নিম্নমানৰ চিপচ, ইটাকে ধৰি বিভিন্ন নির্মাণ সামগ্ৰী। এনে অভিযোগৰ ভিত্তিতে আজি দুপৰীয়া কৃষ্ণাই সচেতন নাগৰিক মঞ্চৰ এটা সজাতি দলে নির্মীয়মাণ চিকিৎসালয় গৃহটো পৰিদৰ্শন কৰে। পৰিদর্শনকালত মঞ্চৰ প্ৰতিনিধিসকলে নির্মাণকার্যৰ মানদণ্ড সম্বৰ্ভত উদ্বেগ প্ৰকাশ কৰি বিভাগীয় কৰ্তৃপক্ষ নির্মাণস্থলীত উপস্থিত হৈ নির্মাণকার্য পৰীক্ষা নকৰাকৈলৈকে কাম স্থগিত ৰাখিবলৈ ঠিকাদাৰ কৰ্তৃপক্ষক আহ্বান জনায়। লগতে চৰকাৰী প্ৰাককলন আৰু নির্ধাৰিত নীতি-নিয়ম অনুসৰণ কৰিছে পৰৱর্তী নির্মাণকার্য আৰম্ভ কৰিবলৈ ঠিকাদাৰ কৰ্তৃপক্ষৰ ওচৰত দাবী জনায় কৃষ্ণাই সচেতন নাগৰিক মঞ্চই। ই ফালে, চিকিৎসালয় খনৰ নির্মাণকার্য ওগণত মান বিভাগীয় কৰ্তৃপক্ষই পৰীক্ষা কৰি অভিযোগৰ সত্যতা নিৰূপণ কৰাৰ লগতে অনিয়ম ধৰা পৰিলে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় বাইজে দাবী জনাইছে।

ড্ৰাগছ আসক্তক নিৰাময় কৰা ঔষধ বাহিৰত বিক্ৰী কৰিবলৈ আহি ধৰা পৰিল স্বাস্থ্যকৰ্মী

গোলাঘাটত চাঞ্চল্যকৰ ঘটনা

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৮ আগষ্ট ঃ গোলাঘাটৰ শ্ৰহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। যি সময়ত একোৰিধ জীৱন দায়িনী ঔষধৰ বাবে চৰকাৰী চিকিৎসালয়ত হাহাকাৰ কৰিব লগা হয় তেনে সময়তে চৰকাৰী চিকিৎসালয়ৰ ঔষধ বাহিৰত বিক্ৰী কৰিবলৈ আহি হাতে লুটে ধৰা পৰে এজন লোক। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে গোলাঘাটৰ শ্ৰহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত থকা ড্ৰাগছ নিৰাময়ৰ ঔষধ (OST) চিকিৎসালয়ৰ বাহিৰত বিক্ৰী কৰিবলৈ আহি হাতেলুটে ধৰা পৰে স্বাস্থ্যকৰ্মী। গোলাঘাটৰ অসম বাজিক পৰিবহণ নিগমৰ বাছ আস্থানত কোনো লোকক বিক্ৰী কৰিবলৈ আহি ধৰা পৰিল অসম বাজিক এইডচ নিয়ন্ত্ৰণ সমিতিৰ কর্মচাৰী দীপজ্যোতি বৰা। ইপিনে, চিকিৎসালয়খনত এনে ঔষধ আনিবলৈ গ'লে সাধাৰণ ৰোগীক নিদিয়ে সমিতিখনে নিয়োগ কৰা স্বাস্থ্য কর্মীয়ে। তেনে ঔষধ লাভ নকৰা দুজন ৰোগীয়ে দীপজ্যোতিৰ বৰাক শ্ৰহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ ঔষধ পৰিবহণ নিগমৰ বাচ আস্থানৰ পৰা ঔষধখিনি কাঢ়ি লৈ জমা দিয়ে চিকিৎসালয়ৰ অধীক্ষকৰ হাতত। সমগ্ৰ ঘটনা ধৰা পৰাৰ পাছত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হয় চিকিৎসালয়খনত। ইতিমধ্যে অসম বাজিয় এইডচ নিয়ন্ত্ৰণ সমিতিক চিকিৎসালয় খনৰ কর্তৃপক্ষই ব্যৱস্থা গ্ৰহণৰ বাবে অৱগত কৰিছে। সমগ্ৰ বিষয়টো বিহীত ব্যৱস্থা গ্ৰহণৰ আশাস দিছে চিকিৎসালয়ৰ অধীক্ষক ডাঃ দিলীপ ডেকাই। ইপিনে বহু দিনৰ পৰা অভিযোগ উঠি আহিছে যে বৃহৎ ধনৰ লেনদেনত বিক্ৰী হয় চিকিৎসালয়খনৰ ঔষধ।

ৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ জিলিকি উঠিল বিতি দলে

মাজুলীত দ্বাদশ সংখ্যক হস্ততাঁত দিৱস উদ্‌যাপন

অসম বার্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ মাজুলী জিলাৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত দুদিনীয়া কার্যসূচীৰে মাজুলী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বর্ণাঢ্য কার্যসূচীৰে আয়োজন কৰা হস্ততাঁত দিৱসৰ আজি সামৰণি পৰে। উক্ত কার্যসূচীৰ লগত সংগতি ৰাখি যোৰা ৬ তাৰিখে ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, আকস্মিক বক্তৃতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দ্বিতীয় দিনা অর্থাৎ আজি শুক্ৰবাৰে দিনৰ ১ বজাৰ পৰা মাজুলী মহাবিদ্যালয় কেশৰবাম বৰা প্ৰেক্ষাগৃহত মূল সভাৰ আৰম্ভ হয়। উক্ত সভাত মাজুলী জিলাৰ বিধায়ক ভূবন গাম, জিলা আয়ুক্ত বাতুল চন্দ্ৰ পাঠক, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া, অতিৰিক্ত জিলা আয়ুক্ত মনিষা কলিতা, মাজুলী জিলা পৰিষদৰ অধক্ষা নবনীতা দাস, আৰু বিশিষ্ট অতিথি সকল উপস্থিত থাকি দিৱসৰ তাৎপর্য ব্যাখ্যা কৰে। মাজুলী জিলাৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ পৰিদৰ্শক সঞ্জীৰ ভূএঞা আঁত ধৰা সভাখনত গুৱাহাটী স্থিত শিপিনী সেৰা কেন্দ্ৰৰ সহকাৰী সঞ্চালক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত মাজুলী জিলাৰ বিধায়ক ভূবন গাম হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ কামৰ শলাগ লোৱাৰ লগতে মাজুলী জিলাৰ পৰা একেবাহে দুবছৰ ধৰি বাষ্টীয় হস্ততাঁত পুৰস্কাৰ লাভ কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ২০২৪ চনৰ বাষ্ট্ৰীয় হস্ততাঁত পুৰস্কাৰপ্ৰাপ্ত শিপনী বাপুকন পায়েংক সম্বৰ্ধনা জনাই। উল্লেখ্য যে আজিৰ দিনটোতেই মাজুলীৰ কৰতিপাৰ নিবাসী ৰীতি দলেক দেশৰ বাষ্ট্ৰপতিয়ে বাষ্ট্ৰীয় হস্ততাঁত পুৰস্কাৰ প্ৰদান কৰে। অনুষ্ঠানত মাজুলী জিলাৰ বন কন্যা শিশুসকলৰ দ্বাৰা এখনি ফেশ্বন শ্ব প্ৰদর্শন কৰা হয়। মাজুলী জিলা সহকাৰী সঞ্চালক জেবি মংগল, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ কর্মচাৰী দীজেন বৰা, সকলো কর্মচাৰী আৰু শিপিনীৰ লগতে মাজুলী মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি শিপিনী মনোজ টাইডে তাঁতশালৰ প্ৰদর্শন কৰে।

শিৱসাগৰ জিলাত অহা ৯ আগষ্টৰ পৰা ঘৰে-ঘৰে গৈ এপৰ মাধ্যমেৰে কৰা হ'ব বানৰ ক্ষয়-ক্ষতিৰ সমীক্ষা

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৮ আগষ্ট ঃ শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ বানপ্ৰভাবিত অঞ্চলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে মোবাইল এপৰ মাধ্যমেৰে এক ব্যাপক সমীক্ষা কার্যসূচী আৰম্ভ কৰা হ'ব অহা ৯ আগষ্টৰ পৰা। জিলা প্ৰশাসনে ইতিমধ্যে এইক্ষেত্ৰত যাবতীয় প্ৰস্তুতি প্ৰায় সম্পূর্ণ কৰিছে। শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিৰ ৮খন গাঁও পঞ্চায়তৰ ৮০ গৰাকী, শিৱসাগৰ বিধানসভা সমষ্টিৰ ২৩০ গৰাকী আৰু নাজিৰা বিধানসভা সমষ্টিৰ ৩৮০ গৰাকী শিক্ষকক সমীক্ষাকাৰক হিচাপে আজি শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আৰুনাজিৰা মহাবিদ্যালয়ত বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা আয়ুক্ত মৃদুল য়াদবে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত সমীক্ষা সম্পর্কীয় প্ৰশিক্ষণ কার্যসূচীত অংশগ্ৰহণ কৰা শিক্ষক সকলক সম্বোধন কৰে। এই সমীক্ষা প্ৰক্ৰিয়াত ব্যাপক আৰু গুৰুতৰভাৱে বানপীড়িত সকলক সামৰি লোৱা হ'ব। উক্ত সমীক্ষা প্ৰক্ৰিয়াৰ সময়ত ভুক্তভোগী সকলে নিজৰ আধাৰ কার্ড অথবা বেচন কার্ড দেখুওৱাৰ লগতে বানৰ ক্ষতি সম্পর্কীয় ফটো তথা হিচাপে প্ৰদান কৰিব লাগিব। উল্লেখ্য যে, অহা ১৫ দিনৰ ভিতৰত এই সমীক্ষা তথ্য-ভিত্তিক তথা শুদ্ধ ৰূপত সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে লক্ষ্য নির্ধাৰণ কৰিছে।

শতাধিক পুৰুষ মহিলাৰ লিভাৰ পৰীক্ষা

গোলাঘাটত বিনামূলীয়া লিভাৰ FIBRSCAN পৰীক্ষা শিবিৰ সম্পন্ন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৮ আগষ্ট ঃ গোলাঘাট জিলা যোগ সম্বাৰ উদ্যোগত আৰু Sports Authority of India গোলাঘাট শাখাৰ সহযোগত আজি বিনামূলীয়া লিভাৰ FIBRSCAN পৰীক্ষাৰ শিবিৰ অনুষ্ঠিত কৰা হয়। এই উপলক্ষে গোলাঘাট চৰকাৰী বেজৰকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা এই পৰীক্ষা শিবিৰ আনুষ্ঠানিকভাবে উদ্বোধন কৰে জিলা ক্ৰীড়া বিষয়া পূৰ্ণে সিঙে। শিবিৰ উদ্বোধনী অনুষ্ঠান উদ্দেশ্য ব্যাখ্যা কৰে জিলা যোগ সম্বাৰ সভাপতি মিনাক্ষী শই কীয়াই, উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জিলা উন্নয়ন আয়ুক্ত গুৰ্গেল সিং আৰু অতিৰিক্ত জিলা আয়ুক্ত জিন্টু বৰা। উক্ত শিবিৰত প্ৰায় শতাধিক পুৰুষ মহিলাৰ লিভাৰ পৰীক্ষা কৰা হয়। শিবিৰত চিকিৎসক হিচাপে উপস্থিত থাকে ডাঃ বিশ্ব লোচন মবাং। বন্ধ কৰা হয়। মৃত্যুৰ পিছতে চকু দানৰ দৰে মহান পদক্ষেপ গ্ৰহণ কৰাত সাবিত্ৰী দেৰীৰ এই মানবীয় অবদানক সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সাবিত্ৰী দেৰীৰ মৃত্যুত গোলাঘাট মাৰোৱাৰী সম্মিলনৰ সভাপতি দেবী দত্ত মিশ্ৰ আৰু সম্পাদক ৰবি শৰ্মা, গোলাঘাট গৌশালাৰ সভাপতি সুশীল জহুৱাৰিয়া, সম্পাদক অমিত নাগোৱাী আৰু কোষাধ্যক্ষ মহেন্দ্ৰ গংগৱাল, মাৰোৱাৰী শ্মশান ভূমিৰ সভাপতি সুজিত কাঁনি আৰু সম্পাদক প্ৰদীপ আগৰৱালে গভীৰ শোক প্ৰকাশ কৰে। তেওঁলোকে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি প্ৰয়াত সাবিত্ৰী দেৰীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

মৃত্যুৰ পিছত চকু দান কৰি ৰাখি গ'ল অনন্য নিদর্শন

গোলাঘাটৰ ধর্মপ্রাণা মহিলা সাবিত্রী দেৰী গাৰো দিয়াৰ মৃত্যু

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৮ আগষ্ট ঃ গোলাঘাটৰ ধর্মপৰায়ণ মহিলা সাবিত্রী দেৰী গাড়োদিয়া (৯৯)-ৰ ৭ আগষ্টৰ নিশা প্ৰায় ১০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। প্ৰয়াত নন্দলাল গাড়োদিয়াৰ ধর্মপত্নী সাবিত্রী দেৰীয়ে মৃত্যুৰ পিছতো মানৱতাৰ এক অনন্য নিদর্শন দাঙি ধৰি নিজৰ চকু দান কৰি যায়। সাবিত্রী দেৰীয়ে মৃত্যুৰ সময়ত ৪জন পুত্ৰ আৰু ৪ কন্যাসহ এক বৃহৎ পৰিয়াল এৰি থৈ যায়। তেওঁৰ গোলাঘাটৰ গাড়োদিয়া হার্ডৱেৰ স্বত্বাধিকাৰী ওমপ্ৰকাশ গাড়োদিয়াৰ মাতৃ আছিল প্ৰয়াত সাবিত্রী দেৰীৰ। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি আজি পুৱা গোলাঘাটৰ কেইবাটাও ব্যবসায়িক প্ৰতিষ্ঠান

উজনি অসমৰ চাৰিখন জিলাৰ বান বিধ্বস্ত কৰা কৈৰর্ত পৰিয়ালক পাঁচ লাখকৈ টকাৰ ক্ষতিপূৰণ দিয়াৰ দাবী কৈৰর্ত সম্মিলন

গোলাঘাটত বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৈৰর্ত সম্মিলনৰ

অসম বার্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৮ আগষ্ট ঃ বানপানীয়ে বিস্তৰ ক্ষতিসাধন কৰা গোলাঘাট জিলাৰ কৈৰর্ত পৰিয়ালৰ মাজত

ৰূপহীহাটত হিন্দী চিনেমাৰ কায়দাৰে বিলাসী বাহনত গৰু চুৰি

অসম বার্তা, ৰূপহীহাট, ৮ আগষ্ট ঃ ৰূপহীহাটত সংঘটিত হোৱা এক দুঃসাহসিক গৰু চুৰিৰ ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এইবাৰ চোৰৰ দলে সাধাৰণ বাহনৰ সলনি এখন বিলাসী চাবিকৰীয়া বাহনা ব্যৱহাৰ কৰি হিন্দী চিনেমাৰ কায়দাৰে গৰু চুৰি কৰাৰ চেষ্টা চলোৱাৰুলি জানিব পৰা গৈছে। ৰূপহীহাটৰ নগাঁও-নলতলি বাজিক পাঠশালৈ বিলাসী বাহন এখনত চুৰি কৰা গৰু কঢ়িয়াই পলায়ন কৰিছিল চোৰৰ দল এটাই। ৰূপহীহাট আৰক্ষীয়ে গৰু চুৰিৰ ঘটনাৰ খবৰ লাভ কৰি তাৎক্ষণিকভাবে অভিযান আৰম্ভ কৰে। আৰক্ষীৰ তৎপৰতা চোৰৰ বাহনক খেদি যোৱাৰ লগে-লগে ঘাই পথত এক ৰোমাঞ্চকৰ পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষীৰ পৰা ৰক্ষা পাবলৈ চোৰৰ দলে চলন্তবাহনৰ পৰা এটা গৰু ৰবলতল আৰু এটা গৰু শিঙিমাৰীত নমাই পেলাই পলায়ন কৰাৰ চেষ্টা কৰে। তথাপিও আৰক্ষীয়ে অভিযান অব্যাহত ৰাখি চোৰৰ সকলো কৌশল ব্যৰ্থ কৰি চুৰি হোৱা দুটা গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চোৰৰ দলটোৰ তীব্ৰ বেগাৰী কৰিক ঘইদিগৈদি পলায়ন কৰে। ৰূপহীহাট আৰক্ষীয়ে চোৰবোৰক ৰাতিয়ে ৰাখি চোৰৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। ইফালে কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক প্ৰদ্যুম্নোতি ভড়ালীয়ে বানে বিধ্বস্ত কৰা সকলো কৈৰর্ত পৰিয়ালক পাঁচ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ চৰকাৰক দাবী জনায়। আজি সাহায্য বিতৰণ অনুষ্ঠানত অসম কৈৰর্ত সম্মিলনৰ কার্যকৰী সভাপতি নগেন দাস, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক দ্বীপেন চন্দ্ৰ দাস, মৰিগাঁও জিলাৰ সমিতিৰ সম্পাদক বিশ্বজ্যোতি দাস, উপ-সভাপতি কেশৰ বিয়ং, সহকাৰী সচিব জুনমণি দাস, গোলাঘাট জিলা সমিতিৰ সচিব সঞ্জীব দাস, সাংগঠনিক সম্পাদক নৃপেন দাস, শুভাকাংক্ষী বুবুল বনিয়া, আদি উপস্থিত থাকি বানপীড়িত ৰাইজৰ সৈতে মত বিনিময় কৰাৰ লগতে খাদ্য সামগ্ৰী বিতৰণ কৰে।

প্ৰয়াগৰাজত ৰাহুল গান্ধীৰ

চাৰিওফালে ৰাহুল গান্ধীৰ ছবি সম্বলিত একাধিক পোষ্টাৰ আঁৰি দিয়া হৈছে, যিবোৰত তেওঁক 'জননায়ক' হিচাপে উল্লেখ কৰাৰ লগতে 'আমি পেলেট গান নহয়, চাকৰি বিচাৰো', 'চাকৰি নাপালে শাসনৰ গাদী ক'পিব'-লেখা শ্লোগানবোৰে প্ৰতিবাদী স্পষ্টতা দাঙি ধৰিছে। শনিবাৰে সামাজিক মাধ্যম এস্ত্ৰত এটা পোষ্ট কৰি কংগ্ৰেছে স্পষ্টভাৱে কয়, 'এই কথা শুনি লণ্ডন-প্ৰত্যাগকাৰী ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যতৰ বাবে আমি যুঁজ অব্যাহত ৰাখিম।' আন এক পোষ্টত দলটোৱে উল্লেখ কৰে যে 'ছাত্ৰ কী গুঞ্জ'য়ে প্ৰয়াগৰাজৰ পথা এক শক্তিশালী আহ্বান জনাবলৈ সাজু হৈছে, যাৰ প্ৰতিধ্বনি সমগ্ৰ দেশতে শুনা যাব, আৰু ৰাইজক আহ্বান জনাইছে-'জননায়ক' ৰাহুল গান্ধীৰ সৈতে যোগদান কৰি দেশৰ শিক্ষা ব্যৱস্থাৰ ৰূপান্তৰত গুৰুত্বপূর্ণ ভূমিকা পালন কৰক। আন এটা পোষ্টত কংগ্ৰেছে তীক্ষ্ণ সমালোচনা কৰি অভিযোগ উত্থাপন কৰে যে মোদী চৰকাৰে দেশত 'অন্ধভক্ত' সৃষ্টি কৰিব বিচাৰে, কাৰণ চৰকাৰৰ শিক্ষাৰ কোনো গুৰুত্ব নাই। সেইবাবেই ৰাহুল গান্ধীয়ে 'ছাত্ৰ কী গুঞ্জ' কার্যসূচীৰ জৰিয়তে দুর্নীতিগ্ৰস্ত শিক্ষা ব্যৱস্থাৰ পৰিবর্তনৰ লক্ষ্য লৈছে বুলিও দলটোৱে দাবী কৰে। ইফালে, ভাৰতীয় যুব কংগ্ৰেছেও যুব সমাজক 'উন্নত শিক্ষা ব্যৱস্থাৰ দাবী'ত এই কার্যসূচীত অংশগ্ৰহণ কৰিবলৈ বিশেষ আহ্বান জনাইছে। সংগঠনটোৰ মতে, ৮ আগষ্টত ২৫০বো অধিক চহৰৰ ছাত্ৰ-ছাত্ৰী একত্ৰিত হ'ব আৰু প্ৰয়াগৰাজৰ পথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰা পোনপটীয়া মত-বিনিময়ত অংশ লৈ।

মূল্যবান গছ- গছনি, মাছপুখুৰী, বাহন আৰু বহু বছৰীয়া সংগ্ৰহ ধ্বংস

জাঁজীৰ সাংবাদিক প্ৰসেনজিত গগৈৰ সর্বস্ব গ্রাস কৰিলে বানপানীয়ে

অসম বার্তা, জাঁজী, ৮ আগষ্ট ঃ যোৱা ১৯ জুলাইত জাঁজী নদীৰ প্ৰলয়ংকৰী বানপানীয়ে শিৱসাগৰ-যোৰহাট সীমান্তবর্তী বিজলী অঞ্চলৰ লগতে জাঁজীৰ সাংবাদিক প্ৰসেনজিত গগৈৰ পৰিয়ালকো গভীৰ সংকটত পেলাইছে। এই বানত তেওঁৰ বাসগৃহ, গৃহস্থালীৰ সামগ্ৰী, কৃষিজ উৎপাদন, পশুধন, মাছপালন, মূল্যবান গছ-গছনি আৰু ব্যক্তিগত বহু সম্পদ সম্পূর্ণ বা আংশিকভাৱে নষ্ট হয়। বানৰ তীব্ৰ সোঁতে ঘৰৰ ভিতৰৰ বহা ডালল্প আৰু কাঠৰ চোফাচেট, ফ্ৰীজ, পানী মটৰ, ধান, চিনটে' পানীৰ টেংক, কাঠৰ বিছনা, আলমাৰী, টেবুল-চকী, আলনা, টিনৰ বাকচ, ডাইনিং টেবুল, কোৱিয়ান ৱেংকেট, কম্বল, তুলিযুক্ত লেপ আদি বহু মূল্যবান গৃহস্থালীৰ সামগ্ৰী নষ্ট হয়। ইয়াৰ উপৰিও পৰিয়ালৰ মহিলা চাৰদ-মেখেলা, ষ্টল, স্কার্ফ, কন্যাৰ কাপোৰ, জেকেট, ছুৰেটাৰ, লগতে তেওঁৰ নিজৰ চোলা, পেণ্ট, জেকেট, জোতা আদি ব্যৱহাৰ্য সামগ্ৰীও বানৰ পানীত ধ্বংস হয়। বহু বছৰ ধৰি সংগ্ৰহ কৰি অহা মূল্যবান কিতাপ, স্মাৰক আৰু বিভিন্ন সংগ্ৰহযোগ্য সামগ্ৰীও নষ্ট হৈ অপূৰণীয় ক্ষতি সাধন কৰে। কৃষিক্ষেত্ৰতো বানৰ প্ৰভাৱ অতি ভয়ংকৰ। কৃষিকার্য বাবে সংৰক্ষণ কৰি ৰখা কঠীয়া সম্পূর্ণ নষ্ট হয়। লগতে সাতজোপা পূর্ণবয়স্ক সাঁচি গছ, মাছপুখুৰীৰ মাছ, কুকুৰা, হাঁহ, গাহৰিৰ পোৱালি আৰু ছাগলীও বানৰ কবলত পৰে। ইয়াৰ লগতে ঘৰৰ চাৰিসীমাৰ জেওৰা ভাঙি যায়। বানৰ ফলত ক্ষতিগ্ৰস্ত হয় তেওঁৰ পালচাৰ মটৰচাইকেল আৰু ভাল বাহনো, যিবোৰ পুনৰ ব্যবহাৰযোগ্য কৰিবলৈ বৃহৎ আকৰুৰ মেৰামতিৰ প্ৰয়োজন হৈছে। সাংবাদিক হিচাপে সমাজৰ সমস্যা আৰু দুর্যোগৰ খবৰ দাঙি ধৰা প্ৰসেনজিত গগৈ এইবাৰ নিজেই প্ৰকৃতিৰ এই ভয়ংকৰ দুর্যোগৰ বলি হৈ সর্বস্বান্তৰ দৰে অৱস্থাত উপনীত হৈছে। বানৰ ফলত হোৱা এই ব্যাপক ক্ষতিয়ে তেওঁৰ পৰিয়ালক আর্থিক আৰু মানসিক দুয়ো দিশতে গভীৰভাৱে জোকাৰি গৈছে। স্থানীয় বাইজে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগক ক্ষয়-ক্ষতিৰ যথাযথ মূল্যায়ন কৰি প্ৰয়োজনীয় সাহায্য আৰু ক্ষতিপূৰণ আগবঢ়োৱাৰ দাবী জনাই ছে, যাতে ক্ষতিগ্ৰস্ত পৰিয়ালটোৱে পুনৰ স্বাভাৱিক জীৱনলৈ উভতি যাব পাৰে।

◁ অসম বার্তা প্রাইভেট লিমিটেডৰ দ্বাৰা প্রকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৱহাটৰ আদালততহে প্রযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন